● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যেতিয়া মোৰ সময় আহিব তেতিয়া ময়েতো মৰিব লাগিব; গতিকে মোক মোৰ মতে জীয়াই থাকিবলৈ নিদিয়া কিয়?

জিমি হেণ্ড্ৰিক্স
*আমেৰিকান গীটাৰিষ্ট*



www.dainikagradoot.in

৭ পদপথত জীৱন-নিৰ্বাহ কৰিছে ১৮ হেজাৰ শিশুৱে
১৫ আজিৰে পৰা অসম-উত্তৰ প্ৰদেশৰ ৰঞ্জী
৪ ক্ৰোধ বৰ্জিত সমাজ এখন কিয় গঢ়িব নোৱাৰি?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৩৭তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১১ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৪ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 24 February 2022 মূল্য ঃ ৯.০০ টকা

## মহানগৰীত অভিযন্তাক হত্যাৰ চেষ্টা দুৰ্বৃত্তৰ, ধন লুট

ডিঙিত ছুৰীকাঘাত, কথমপি প্ৰাণৰক্ষা পৰিল

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী মহানগৰীত এতিয়া হত্যা, অপহৰণ, ধন লুট একপ্ৰকাৰ স্বাভাৱিক ঘটনা। প্ৰতিদিনেই মহানগৰীৰ বিভিন্ন প্ৰান্তত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে চুৰি, ডকাইতি আৰু হত্যাৰ ঘটনা। ড্ৰাগছ *১০ পৃষ্ঠাত চাওক*




ক'ৰিন্দক আদৰিব ঃ গুৱাহাটী মহানগৰীক বিয়াৰ ৰভাতলি সদৃশ কৰি তুলিবলৈ দিন-ৰাতি একাকাৰ কৰিছে প্ৰশাসনে

■ কদৰ্যৰূপ লুকুৱাবলৈ গছৰ গুৰিত চূণ-ডিভাইডাৰত ৰং-পদপথৰ ৰেলিঙত পতাকা-ঠায়ে ঠায়ে পোহৰসজ্জাৰ ব্যৱস্থা

## প্ৰাৰ্থনা কৰিছো, প্ৰতিমাহে ৰাষ্ট্ৰপতি আহক!

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** ২৫ ফেব্ৰুৱাৰী। যেন গুৱাহাটী মহানগৰীখন কিমান সৰ্বাংগসুন্দৰ তাক প্ৰদৰ্শন কৰাৰ চূড়ান্ত সময়সীমা। গতিকে জালুকবাৰীৰ পৰা খানাপাৰালৈ, কি ৰাষ্ট্ৰীয় ঘাইপথ, কি গড়কাপ্তানী পথ, সকলোতে শ্ৰমিকসকল ব্যস্ত, কেৱল ব্যস্ত। কোনোবাই গছৰ গুৰিত চূণ সানিছে, কোনোবাই ডিভাইডাৰত ক'লা-বগা ৰং সানিছে, কোনোবাই উৰণীয়া সেতুৰ তলত ছবি আঁকিছে আৰু আন কোনোবাই পদপথৰ ৰেলিঙত




জাতীয় পতাকাৰ লগতে বগা, সেউজীয়া, নীলা পতাকা আঁৰিছে। বহু শ্ৰমিকে ইউটাৰ্ণসমূহক নিশাৰ ভাগত উজলাই তুলিবলৈ বিদ্যুতৰ তাঁৰ সংযোগ কৰাত ব্যস্ত। সময় তাকৰ। গতিকে প্ৰশাসনে দিন-ৰাতি একাকাৰ কৰি হাতে-কামে লাগিছে। কিয়নো দেশৰ ৰাষ্ট্ৰপতি ৰামনাথ ক'ৰিন্দ আহিব। ৰাজধানী মহানগৰীৰ কদৰ্য ৰূপ মহামহিম ৰাষ্ট্ৰপতিৰ চকুত পৰিব নালাগে! চৰকাৰ তথা কামৰূপ মহানগৰ জিলা প্ৰশাসনেও যেন তাৰেই পণ লৈছে। *১০ পৃষ্ঠাত চাওক*


■ তদাৰক কৰিছে স্বয়ং ৰাষ্ট্ৰপতি পুটিনে ■ ইউক্ৰেইনৰ দূতাবাস খালী কৰিলে ৰাছিয়াই ■ ৰাছিয়াৰ বাবে বন্ধ পশ্চিমৰ বজাৰ ■ পুটিনে নিজকে কি বুলি ভাবিছে ঃ হুংকাৰ জ' বাইডেনৰ

# পৰমাণু যুদ্ধাস্ত্ৰৰ অনুশীলন ৰাছিয়াৰ

**■ নিউজ ব্যুৰ'**
**মস্কো, ২৩ ফেব্ৰুৱাৰী ঃ** হঠাতে পৰমাণু যুদ্ধৰ অনুশীলন আৰম্ভ কৰিছে ৰাছিয়াই। ইউক্ৰেইনৰ বিৰুদ্ধে আগ্ৰাসন আৰম্ভ কৰা ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে নিজেই এই অনুশীলনৰ চোৰাচিতা কৰিছে। বিদেশৰ ভূমিত ৰাছিয়াৰ সেনাবাহিনীক ব্যৱহাৰত ৰাষ্ট্ৰখনৰ সংসদে সেউজ সংকেত দিয়াৰ পাছতে আৰম্ভ কৰা এই পৰমাণু অনুশীলনে এই অঞ্চলসমূহত যুদ্ধৰ



উত্তেজনা তুংগত তুলিছে। এনে পৰিস্থিতিত প্ৰশ্ন উত্থাপন হৈছে যে ইউক্ৰেইনত আক্ৰমণৰ বাবে ৰাছিয়াই কেৱল সময়ৰ অপেক্ষাত আছে নে আন্তৰ্জাতিক মহলৰ ওপৰত চাপ সৃষ্টিৰ কৌশল ৰচিছে। ইতিমধ্যে বেলাৰুছৰ নেতা আলেকজেণ্ডাৰ লুকাছেংক'ৰ স'তে কম্পিউটাৰৰ পৰ্দাত যৌথ পৰমাণু অনুশীলন চোৰাচিতা কৰিছে ৰাষ্ট্ৰপতি পুটিনে। জল আৰু স্থলৰ পৰা নিক্ষেপ কৰা পৰমাণু যুদ্ধাস্ত্ৰই এই *১০ পৃষ্ঠাত চাওক*



*শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিবেশনৰ মূল তোৰণ, নাহৰকটীয়াৰ বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত।*

## গোগামুখত আৰক্ষীৰ গুলিত গুলিবিদ্ধ দুৰ্ধৰ্ষ গাড়ী চোৰ

ৰ'বলৈ দিয়াৰ নিৰ্দেশ নামানি দ্ৰুতগতিৰে পলায়ন

**ধেমাজি, ২৩ ফেব্ৰুৱাৰী ঃ** ধেমাজি জিলাৰ গোগামুখত আজি এজন দুৰ্ধৰ্ষ গাড়ী চোৰ আৰক্ষীৰ গুলিত আহত হয়। গুলিবিদ্ধ গাড়ী চোৰজন মাইনুল হক (৩১)। লালুক বঙালমৰাৰ মাইনুলে গাড়ী চুৰি আৰু ডকাইতিৰে জড়িত বুলি আৰক্ষীয়ে সদৰী কৰিছে। পূৰ্বৰে পৰা চুৰিত জড়িত মাইনুলক আৰক্ষীয়ে আজি *আঠ পৃষ্ঠাত চাওক*

## দেশত এতিয়া ন্যায়পালিকাই ৰাজত্ব চলাই আছে ঃ কটাক্ষ শিলাদিত্যৰ

বাংলাদেশী মুছলমানক লৈ নিমাত সমুজ্জ্বল

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ২৩ ফেব্ৰুৱাৰী ঃ** এইবাৰ স্বয়ং ন্যায়পালিকাৰ ভূমিকাৰ ওপৰতে প্ৰশ্ন তুলিলে প্ৰাক্তন বিধায়ক তথা বিতৰ্কিত বিজেপি নেতা শিলাদিত্য দেৱে। বিদেশী ন্যায়াধিকৰণত গোচৰ চলি থকাৰ বাবেই যোৱা ৩১ জানুৱাৰীত আত্মহত্যা পথ বাছি লোৱা মানিক দাস নামৰ *১০ পৃষ্ঠাত চাওক*

■ মহানগৰীত দুই নাইজেৰিয়ান ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰৰ পাছতে তথ্য পোহৰলৈ ■ দিল্লীৰ পৰা অনা হয় নিষিদ্ধ ড্ৰাগছ ■ ভুৱা পেনকাৰ্ড-পাছপ'ৰ্ট যোগাৰ কৰি দিছিল কোনে?


## হোটেল-শ্ব'পিং মলত কোকেইনৰ বেহা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** মাৰাত্মক কোকেইনৰ বেহাৰ কেন্দ্ৰত পৰিণত হৈছে মহানগৰীৰ একাংশ বিলাসী শ্ব'পিং মল আৰু হোটেল। সম্ভ্ৰান্ত ঘৰৰ একাংশ যুৱক-যুৱতীয়ে মহানগৰৰ একাংশ বিলাসী শ্ব'পিং মল আৰু হোটেলত বহি কোকেইন সেৱন আৰু সৰবৰাহ অব্যাহত ৰখাৰ তথ্য লাভ কৰিছে মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই। উল্লেখ্য যে যোৱা ১২ ফেব্ৰুৱাৰীত ২০ গ্ৰাম কোকেইনসহ দুজন নাইজেৰিয়ান সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। ঘটনাৰ সংক্ৰান্তত পাণবজাৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১২০(বি)/৪৬৮/৪৭১, এন ডি পি এছ আইনৰ ২২(বি) ধাৰাত পল্টনবজাৰ থানাত ৫৫/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি ধৃত দুই নাইজেৰিয়ানৰ স্বীকাৰোক্তিৰ ভিত্তিত শিলঙৰ চানি সোনাৰ নামৰ আন এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। দুই নাইজেৰিয়ান কোকেইন সৰবৰাহকাৰীক পুনৰ জিম্মাত লৈছে অপৰাধ শাখাই। অপৰাধ শাখাৰ জেৰাত নাইজেৰিয়ান নাগৰিকদ্বয়ে ভুৱা পাছপৰ্টৰ জৰিয়তে বাংলাদেশৰ মাজেৰে ভাৰতত প্ৰৱেশৰ কথা স্বীকাৰ কৰাৰ লগতে ভাৰতৰ লোকেই তেওঁলোকক নকল পেন কাৰ্ডৰ *১০ পৃষ্ঠাত চাওক*

গ্লাছনস্তৰ পৰা কোনবাটে পুটিন ঃ ইউক্ৰেইনত জৰুৰী অৱস্থা ঘোষণা

## ছোভিয়েট ইউনিয়নৰ পতনৰ পাছত কেইখন যুদ্ধত জড়িত ৰাছিয়া?

**■ নিউজ ব্যুৰ'**
**মস্কো, ২৩ ফেব্ৰুৱাৰী ঃ** ১৯৯১ত আমূল পৰিৱৰ্তন ঘটিছিল ইউৰোপ আৰু এছিয়াৰ মানচিত্ৰৰ। তাচপাতৰ ঘৰৰ দৰে ভাঙি পৰিছিল ছোভিয়েট ইউনিয়ন (ইউএছএছআৰ)। তদানীন্তন ৰাষ্ট্ৰপতি মিখাইল গৰ্বাচেভৰ গ্লাছনস্ত বা মুকলি বতাহ ধুমুহাত পৰিণত



হৈ এক কমিউনিষ্ট মহাশক্তিক কিদৰে শেষ কৰিছিল, সেয়া এতিয়া ইতিহাস। তাৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি বৰিছ য়েলৎছিনৰ নেতৃত্বত ৰক্তহীনতাত ভোগা ৰাছিয়ান ফেডাৰেছনৰ সেয়া আন এক কৰুণ দশা। এইবাৰ দেশখনৰ হালৰ মুঠি ধৰিছে 'লৌহ মানৱ' ভ্লাডিমিৰ পুটিনে। *১০ পৃষ্ঠাত চাওক*

আৰু এটা নৃশংস হত্যাই জোঁকাৰিলে গুৱাহাটীক ■ গ্ৰেপ্তাৰ হ'ল অভিযুক্ত ■ পৰকীয়া প্ৰেম নে ব্লেকমেইলিঙৰ ভয়ানক পৰিণতি?

## দিন-দুপৰতে মহানগৰীৰ পথত মাছ কটা দাৰে ঘপিয়াই হত্যা প্ৰাক্তন সেনাক



*ধৃত হাবিবুৰ ৰহমান।*

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** অপৰাধৰ ৰম্যভূমিলৈ পৰিণত হোৱা ৰাজধানী মহানগৰীক আজি পুনৰ দিন দুপৰতে সংঘটিত আন এক নৃশংস হত্যাকাণ্ডই জোঁকাৰি গ'ল। মহানগৰীৰ পথতে আজি হাবিবুৰ ৰহমান (৩৫) নামৰ লোকজনৰ দাৰ ঘাপত ৰৌচান আলী ওৰফে চানা (৬০) নামৰ প্ৰাক্তন সেনা জোৱান এজনে প্ৰাণ হেৰুৱায়। মহানগৰীৰ সাতগাঁও আৰক্ষী থানাৰ অন্তৰ্গত আমবাৰীত সংঘটিত হোৱা এই ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু অভিযুক্তক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ধৃত হাবিবুৰে তেওঁৰ দ্বিতীয়া *১০ পৃষ্ঠাত চাওক*



*মৃত ৰৌচান আলী।*



## বালিপৰাত ৭০ লাখৰ চোৰাং অৰুণাচলী সুৰা জব্দ

**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰৰ বালিপৰাত যোৱা নিশা আঠ বজাত আবকাৰী বিভাগে ম্যাদ উকলা ১১ শ কাৰ্টন অৰুণাচলী সুৰাসহ এখন কন্টেইনাৰ জব্দ *১০ পৃষ্ঠাত চাওক*

অসম চৰকাৰ, ৰেলৱে কৰ্তৃপক্ষৰ বিৰুদ্ধে মালিগাঁৱৰ মুখ্য কাৰ্যালয়ত উত্তাল প্ৰতিবাদ

## ৰেলৰ ৫৮ বিঘা ভূমি ঘূৰাই আনি গৃহহীনক প্ৰদান কৰক ঃ চিপিএমৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** শেহতীয়াকৈ গুৱাহাটীৰ মাজমজিয়াৰ উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ৫৮ বিঘা ভূমি বহিঃৰাজ্যৰ তিনিজন ব্যৱসায়ীক




ব্যৱসায়িক স্বাৰ্থত ৯৯ বছৰৰ বাবে লীজত দিয়া কাৰ্যৰ বিৰুদ্ধে আজি মহানগৰীৰ মালিগাঁৱত চিপিআই (এম)ৰ ৰাজ্যিক সমিতিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। উত্তৰ-পূব সীমান্ত ৰেলৱেৰ মালিগাঁওস্থিত মহাপ্ৰবন্ধকৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ *১০ পৃষ্ঠাত চাওক*




## মহাৰাষ্ট্ৰৰ মন্ত্ৰী নৱাব মালিকক গ্ৰেপ্তাৰ ই ডিৰ

ডাউদক ব্যৱহাৰ কৰি কলুষিত কৰা হয় ঃ পাৱাৰ

**■ নিউজ ব্যুৰ'**
**মুম্বাই, ২৩ ফেব্ৰুৱাৰী ঃ** এইবাৰ প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ জালত পৰিল মহাৰাষ্ট্ৰৰ আন এজন মন্ত্ৰী নৱাব মালিক। যোৱা চাৰিমাহত গ্ৰেপ্তাৰ হোৱা মহাৰাষ্ট্ৰৰ দ্বিতীয়জন মন্ত্ৰী হৈছে মালিক। কুখ্যাত মাফিয়া ডাউদ ইব্ৰাহিমৰ স'তে ভূমিৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৫° | ১৪° |
| ডিব্ৰুগড় | ২৪° | ১২° |
| দিল্লী | ২৪° | ১৪° |
| কলকাতা | ২৯° | ১৯° |
| মুম্বাই | ৩২° | ২৩° |
| চেন্নাই | ৩১° | ২৪° |
| বাংগালুৰু | ৩১° | ১৫° |
| শ্বিলং | ১৫° | ০৭° |

*২৩ জানুৱাৰী, ২০২২*

## বোকাখাতত পথ দুৰ্ঘটনাত দুজনৰ মৃত্যু

বলেৰ'ৰ স'তে সংঘৰ্ষত মটৰ চাইকেলসহ অগ্নিদগ্ধ

**অগ্ৰদূত বাৰ্তা**
**বোকাখাত, ২৩ ফেব্ৰুৱাৰী ঃ** বোকাখাত আৰক্ষী থানাৰ অধীনৰ নগৰৰ সমীপত লতাবাৰীত আজি পুৱতি নিশা সংঘটিত এক পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। ৩৭ নম্বৰ ঘাইপথত মটৰ চাইকেল আৰু *১০ পৃষ্ঠাত চাওক*

■ জিএনএলএৰ প্ৰাক্তন অধ্যক্ষক গ্ৰেপ্তাৰ

## ম্যানমাৰৰ পৰা মিজোৰাম নগাঁও-গুৱাহাটীৰ মাজেৰে মেঘালয়লৈ নকল টকা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** আৰক্ষীয়ে কালি জব্দ কৰা ১৫ লাখ নকল টকা সৰবৰাহৰ আঁৰত এক আন্তঃৰাষ্ট্ৰীয় চক্ৰ জড়িত থকাৰ সন্দেহ ঘণীভূত হৈছে। বিশেষকৈ এই নকল টকা সৰবৰাহত মেঘালয়ৰ প্ৰাক্তন উপ-আৰক্ষী অধীক্ষক তথা জিএনএলএৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পাকচেৰা আৰ চাংমা ওৰফে চেম্পিয়ন আৰ চাংমা গ্ৰেপ্তাৰ হোৱাৰ পাছতে দীৰ্ঘদিন ধৰি চলি থকা নকল টকা সৰবৰাহৰ এক বৃহৎ চক্ৰ পোহৰলৈ আহিছে। আৰক্ষীয়ে কালি ১৫ লাখ নকল টকাসহ জিএনএলএৰ প্ৰাক্তন অধ্যক্ষ চাংমাৰ *১০ পৃষ্ঠাত চাওক*

## কেএলঅ'ৰ আলোচনাত প্ৰবঞ্চকৰ ৰূপত সেনাৰ সদস্য

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৩ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰৰে চলি থকা কমতাপুৰ লিবাৰেছন অৰ্গেনাইজেছন (কেএলঅ')ৰ শান্তি আলোচনা প্ৰক্ৰিয়াত ভুৱা ব্যক্তি জড়িত হৈ পৰা বুলি অভিযোগ কৰিছে সংগঠনটোৱে। আজি এক বিবৃতিত সংগঠনটোৰ *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*ৰাইজৰ স'তে সংযোগ নাই যে, সেই কাৰণে টুইটাৰ-ফেচবুকতে যুঁজ-বাগৰ চলাই আছে!*

■ পূৰ্বৰে শত্ৰু ডব্লিউ যাদৱ পলাতক ঃ ধন-সম্পত্তি নে ব্যৱসায়কেন্দ্ৰিক সংঘাতৰ পৰিণতি?

## ব্যৱসায়ীৰ হত্যাৰ শুংসূত্ৰ বিচাৰি বিহাৰলৈ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** পৰিয়ালকেন্দ্ৰিক, ধন-সম্পত্তি নে ব্যৱসায়িক সংঘাতৰ পৰিণতিত দুৰ্বৃত্তৰ গুলিত প্ৰাণ হেৰুৱাবলগীয়া হ'ল ফাঁচীবজাৰৰ অৱদেশ যাদৱ? এই সংক্ৰান্তত মহানগৰ আৰক্ষীৰ এটা দলে বিহাৰৰ সমষ্টিপুৰ জিলাত হত্যাকাণ্ডৰ উৎস বিচাৰি অভিযান অব্যাহত ৰাখিছে। যাদৱৰ পৰিয়ালৰ অভিযোগৰ ভিত্তিত সমষ্টিপুৰৰ চিমৰা গাঁৱৰ




মুখিয়াল ডব্লিউ যাদৱৰ ঘৰত মহানগৰ আৰক্ষী দলটোৱে বিহাৰ আৰক্ষীৰ সহযোগত অভিযান চলায় যদিও ডব্লিউ যাদৱক সন্ধিয়া পৰ্যন্ত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। সম্প্ৰতি পলাতক ডব্লিউ যাদৱক বিচাৰি আৰক্ষীৰ দলটোৱে অভিযান অব্যাহত ৰাখিছে বুলি সদৰী কৰিছে মহানগৰ আৰক্ষীৰ সূত্ৰই। উল্লেখ্য যে যোৱা ২১ ফেব্ৰুৱাৰীৰ নিশা ৮.২৮ বজাত ব্যৱসায়ী অৱদেশক পল্টনবজাৰ আৰক্ষী থানাৰ *১০ পৃষ্ঠাত চাওক*

নুমলীগড়ৰ স্বগৃহত সুকলমে উপস্থিত চিকিৎসা বিজ্ঞানৰ দুই ছাত্ৰী

## বিমানৰ অত্যধিক ভাড়াই বিমোৰত পেলাইছে ইউক্ৰেইনস্থিত ছাত্ৰ-ছাত্ৰীক

**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ২৩ ফেব্ৰুৱাৰী ঃ** বিমানৰ অত্যধিক ভাড়াই বিমোৰত পেলাইছে সম্প্ৰতি ৰাছিয়াৰ আগ্ৰাসনৰ সন্মুখীন হোৱা ইউক্ৰেইনত অধ্যয়নৰত অসমৰ ছাত্ৰ-ছাত্ৰীসকলক। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সৃষ্টি হোৱা শেহতীয়া





পৰিস্থিতিৰ মাজতে ইউক্ৰেইনত অধ্যয়নৰত দুগৰাকী ছাত্ৰীয়ে নুমলীগড়ৰ স্বগৃহত উপস্থিত হৈ এই কথা সদৰী কৰিছে। উল্লেখ্য যে ৰাছিয়াই ইউক্ৰেইন আক্ৰমণৰ দিশে অগ্ৰসৰ হোৱাৰ সময়তে নুমলীগড় শোধনাগাৰ নগৰ অঞ্চলৰ *আঠ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

## বড়ো সমাজক সততে উজ্জীৱিত কৰি অহা

# বাৰেৰহণীয়া বড়ো লোকগীত

## ইয়াৰ স্বৰূপ

**লোকগীতৰ পৰা ধাৰণা কৰিব পাৰি যে বড়ো সকল যুঁজাৰু বীৰ জাতি আছিল। এই জাতিৰ ডেকা-গাভৰুসকল নিজ মৰমী জন্মভূমিৰ হকে প্ৰাণকো তুচ্ছ জ্ঞান কৰিছিল। কোনো বহিঃশত্ৰুৰ দ্বাৰা হোৱা আক্ৰমণক প্ৰতিহত তথা-ৰক্ষা কৰিবলৈ গাভৰুসকলে তেওঁলোকৰ প্ৰিয় সাহসী ডেকাসকলক মৃত্যুপণ লৈ সাহসেৰে যুদ্ধত অৱতীৰ্ণ হ'বলৈ উৎসাহ দিছিল।**

### হৰেশ্বৰ বসুমতাৰী

**পৃথিৱীৰ** সকলো জাতি-জনগোষ্ঠীৰেই নিজস্ব ভাষাৰ লোকগীত আছে। লোকগীতবোৰ একোটা জাতি গোষ্ঠীৰ দাপোণৰ দৰে। দাপোণত যেনেকৈ মানুহৰ স্বকীয় ৰূপ স্বাভাৱিকভাৱে প্ৰতিবিম্বিত হয়— ঠিক তেনেকৈ লোকগীত একোটা জাতি-সম্প্ৰদায় বিশেষৰ পৰম্পৰাগত স্বভাৱ-চৰিত্ৰ, আচাৰ-ৰীতি-নীতি তথা স্বভাৱ-চৰিত্ৰ অকৃত্ৰিমভাৱে প্ৰতিফলিত হয়। বুৰঞ্জীয়ে সমাজ জীৱনৰ যিটোফাল তথ্য ভিত্তিত ফঁহিয়াই দেখুৱাব নোৱাৰে তাক লোকগীতবোৰে পৰম্পৰাগতভাৱে কঢ়িয়াই লৈ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰাত অৰিহণা যোগায়। সেয়ে লোকগীতবোৰ একোটা জাতি বিশেষৰ ইতিহাসৰ পৰিপূৰক, ভাষা-সাহিত্যৰ অমূল্য সম্পদ।

জাতিগতভাৱে মূলতঃ বিশাল মংগোলীয় প্ৰজাতিৰ তিব্বতীয়-বৰ্মী ভাষা ফৈদৰ অন্যতম প্ৰধান শাখা হ'ল— বড়ো-কছাৰী। ইংৰাজ বুৰঞ্জীবিদ গেইট চাহাবে তেওঁৰ কালজয়ী গ্ৰন্থ অসম বুৰঞ্জীত উল্লেখ কৰি গৈছে যে এই বৃহৎ পৰাক্ৰমী বড়ো-কছাৰীয়েই একালত অকল খাচিয়া-জয়ন্তীয়া পাহাৰক বাদ দি সমগ্ৰ অসম উপত্যকাত আধিপত্য বিস্তাৰ কৰিছিল। সাম্প্ৰতিক কালৰ উত্তৰ-পূৰ্বাঞ্চলৰ বড়ো শব্দমূলীয় বিভিন্ন নদ-নদী, বিল, পৰ্বত-পাহাৰ, ঠাই, অৰণ্য আদিৰ নামবোৰেই প্ৰতীয়মান কৰে যে এটা সময়ত এই অঞ্চল বড়ো-কছাৰীসকলৰেই স্থায়ী বসতি আছিল। বড়ো-কছাৰীসকলৰ ৰাজ্য আছিল, ৰজা-ৰাণী আছিল, বীৰ-বীৰাংগনা আছিল, কলা-কৃষ্টি-সংস্কৃতি, দোৱান (ভাষা?) আছিল, নিজস্ব ধৰ্ম— আচাৰ নীতি আছিল। কিন্তু আচৰিত হ'ব লগা বিষয় এয়াহে যে তেনে এটা বৃহৎ জাতিগোষ্ঠীৰ নিজস্ব অথবা আন কোনো লিপিতেই প্ৰামাণ্যমূলক তথ্যসমৃদ্ধ কোনো উপাদান আজিকোপতি আৱিষ্কৃত হোৱা পৰিলক্ষিত নহ'ল।

যিয়ো নহওক, বড়ো-কছাৰীসকলৰ আদিম সভ্যতা-সংস্কৃতি, ভাষা-সাহিত্য তথা সমাজ-ৰাজনীতি আদি সম্বন্ধে গ্ৰন্থাকাৰত লিপিবদ্ধ কৰা ঐতিহাসিক সমল-তথ্য পাবলৈ নাই। তথাপি প্ৰাগ-ঐতিহাসিক যুগৰ পৰা বড়ো জনসাধাৰণ মুখে মুখে যুগ-যুগান্তৰ ধৰি বাগৰি অহা বিভিন্ন অভিব্যক্তিৰ লোকগীতসমূহৰ পৰাই বড়ো জাতীয় জীৱনৰ চৰিত্ৰ তথা প্ৰতিচ্ছবি সুন্দৰভাৱে পাব পাৰি।

'লোকগীত'ক বড়ো ভাষাত 'খুগা মেথায়' বোলা হয়। 'খুগা' মানে 'মুখ' আৰু 'মেথায়' মানে 'গীত'; সেয়ে- 'মুখ গীত' 'খুগা মেথায়।'

সাধাৰণতে 'খুগা মেথায়' অথবা লোকগীতবোৰ সৃষ্টি হয়— অনাক্ষৰী, অশিক্ষিত হোজা গাঁৱলীয়া ডেকা- গাভৰুৰ মুখত। আধুনিক শিক্ষাৰে শিক্ষিত, কৃত্ৰিমতাৰে ভৰা নগৰ-চহৰৰ সামাজিক জীৱনৰ বিষয়ে তাত স্থান নাপায়। অতীজত শিক্ষাৰ পোহৰ নপৰা যুগতো মানুহে নিজৰ মনৰ হৰ্ষ-বিষাদ, আনন্দ, ৰং-ৰহস্য তথা মনৰ বিভিন্ন ভাৱাবেগ আৰু অভিব্যক্তিবোৰ গীত-মাত, ফকৰা আদিৰেই ব্যক্ত কৰিছিল। এই গীত-মাত ফকৰাবোৰেই পৰম্পৰাগতভাৱে মুখে মুখে বাগৰি আহি পৰৱৰ্তী কালত লোকগীত অথবা 'খুগা মেথায়'ৰ ৰূপত প্ৰসাৰ লাভ কৰি লোক সংগীতৰ এটা আপুৰুগীয়া সম্পদৰূপে বিবেচিত হৈ আহি সকলোৰে জনপ্ৰিয়তা লাভ কৰে। বৰ্তমানৰ শিক্ষা, বিজ্ঞান-প্ৰযুক্তিৰ চৰম উত্তৰণৰ দিনতো এই অশিক্ষিত হোজা গাঁৱলীয়া সমাজেই উক্ত পৰম্পৰা কঢ়িয়াই লৈ আহি অম্লান ৰূপত বৰ্তাই ৰাখি আহিছে।

বড়োসকলৰ মাজত গাঁৱে-ভুঞে প্ৰাগ্-ঐতিহাসিক কালৰ পৰা পৰম্পৰাগতভাৱে বাগৰি অহা তেনে অজস্ৰ গীত-মাত সিঁচৰতি হৈ আছে। এই গীতবোৰৰ স্বৰূপ তথা অন্তৰ্নিহিত দিশবোৰ উদ্‌ঘাটন কৰি যথাযথভাৱে বিশ্লেষণ কৰি চালেই বড়োসকলৰ প্ৰাচীন সামাজিক চৰিত্ৰ সভ্যতা-সংস্কৃতি সম্বন্ধে সম্যক ধাৰণা হয়।

বড়োসকল আদিৰ পৰাই কৃষিজীৱী। খেতিৰ বতৰত তেওঁলোকে পথাৰত মুনিহ-তিৰোতা, ডেকা-গাভৰু সকলো একেলগে লগ লাগি স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে; কঠোৰ পৰিশ্ৰমেৰে বতৰৰ খেতি বতৰতে সমাপন কৰি অতি যত্ন সহকাৰে পথাৰ শস্য শ্যামলা কৰি তোলে। শালি খেতিৰ সময়ত মতা বা হালোৱাসকলে কুকুৰাই ডাক দিয়াৰ লগে লগে দোকমোকালিতে শোৱাপাটি এৰি নাঙল-গৰু লৈ খেতি পথাৰলৈ ঢাপলি মেলে; প্ৰধান গৃহস্থী, তিৰোতা, জীয়াৰী-বোৱাৰীহঁতেও বিছনা ত্যাগ কৰি ধান বনা, ঘৰ-চোতাল সৰা, কুকুৰা-হাঁহ পাৰ, গৰু-ছাগলী এৰাল দিয়া আদি ঘৰুৱা কামবোৰ সমাধান কৰাৰ পাছত বাহিৰত কাম কৰোতাজনৰ বাবে লঘু আহাৰ ভাত-পানী তৈয়াৰ কৰি সজাই-পৰাই লৈ ওলাই যায়। তলৰ গীত ফাঁকিয়ে তাৰ প্ৰমাণ দিয়ে বড়োসকল কৰ্মৰ ক্ষেত্ৰত সময়ৰ প্ৰতি অতি সজাগ আৰু নিজা কৰ্তব্যৰ প্ৰতি দায়িত্বশীল—

অখা নাইছি যাবায়— দাওআ গাব্বায়
স্বানজা অখ'ৰাঙাপ-স্বীৰাং যাবায়
খীনাস' নৈ গাম্বাৰী-নীনি উসুং জিঙাওনি
ঔৱা বিজৌআও-গা গা দাওখা গাব্বায়।
সিখাৰদ'— মাইয়া সৌদ'
হালুৱা হৌৱাফ্ৰা-হাল এৰহৈবায়
লীংখামা সৌহৈনা-গীবাও যাবীলা
দানী ৰাগা জৌংগীন।

দোকমোকালি হ'ল... পখীয়ে কান্দিলে; পূব আকাশ পোহৰ হ'ল; শুনা ঐ 'গাম্বাৰী'— তোমাৰ ঘৰৰ পিছপিনে থকা আগলি বাহত কাউৰীয়ে 'কা' 'কা' কৈ কান্দিলে। উঠা, ধান বনা, হালোৱাসকল হাললৈ গ'ল; শুনা ঐ 'গাম্বাৰী' তোমাৰ ঘৰৰ পিছদিনে থকা আগলি বাঁহত কাউৰীয়ে 'কা-কা' কৈ কান্দিলে। উঠা, ধান বনা, হালোৱাসকল উঠিলে, ভাত গৈ পোৱাত পলম হ'লে খং কৰিব।)

মানুহৰ জীৱন যাত্ৰাত পুৰুষ-তিৰোতাৰ সমানে কৰ্মভাগ আছে। কৃষকৰ জীৱনত অক্লান্ত পৰিশ্ৰমৰ ফলত খেতি পথাৰ শইচৰে উভৈনদী হওক। কিন্তু বতৰৰ স'তে খোজ মিলাই যিকোনো কৃষিকায সমাপন কৰিব নোৱাৰিলে বা নকৰিলে সকলো মিছা পৰিশ্ৰম অৰ্থহীন— তাৰ ফল বিপৰীতহে হ'ব। তাৰ বাবে সাধাৰণতে তিৰোতাতকৈ পুৰুষৰসকল অধিক সচেতন।

'এনে ধৰণৰ শ্ৰম তথা কৃষি জীৱনক কেন্দ্ৰ কৰি ৰচিত গীত বড়ো সকলৰ লোকগীতত প্ৰচুৰ পোৱা যায়।

লোকগীতৰ পৰা ধাৰণা কৰিব পাৰি যে বড়ো সকল যুঁজাৰু বীৰ জাতি আছিল। এই জাতিৰ ডেকা-গাভৰুসকল নিজ মৰমী জন্মভূমিৰ হকে প্ৰাণকো তুচ্ছ জ্ঞান কৰিছিল।

বড়োসকলৰ প্ৰধান আদিম ধৰ্মীয় উৎসৱ 'খেৰাহ' পূজাৰ পৰা অহা পঞ্চতত্ত্ব যেনে— ক্ষিতি (মাটি), অপ (বায়ু) তেজঃ (পানী) মৰুৎ (জুই), আৰু ব্যোম (আকাশ) অথবা পঞ্চপ্ৰাণ যেনে— প্ৰাণ, অপান, উদান, ব্যান আৰু সমান আদিৰ গূঢ়াৰ্থ নিহিত থকা 'বাথৌ' দেৱতাক (শিৱ-মহাদেৱ)ক মুখ্য কৰি আন দেৱ-দেৱীক পূজা-অৰ্চনা কৰিছিল তাৰে তলৰ তাৎপৰ্যমূলক এফাঁকি গীতৰ পৰা বড়ো জাতিৰ ধৰ্ম-সংস্কৃতি সম্বন্ধে সমল পাব পাৰি—

'বাথৌনি বান্দীআ বান্দীবা
শিজৌনি খৰঙা সিৰিবা
ঠাইগীৰনি খোঙা খংবা
বড়োনি চিফুঙাগুছু
বড়োনি আচাৰাবী ফংবা।'

(অঃ— 'বাথৌ'ৰ বান্ধ পাঁচোটা, শিজুৰ চিৰা পাঁচটা, ঔ ফলৰ খলব পাঁচটা, বড়োৰ বাঁহীৰ ফুটা পাঁচটা, বড়োৰ আচাৰ (বাদ, তত্ত্ব)ও পাঁচোটা (অগৰবাদ, ফংস্লেদবাদ, দাওখিবাদ, লাওখাৰবাদ আৰু খাবালিবাদ।)

উল্লেখিত গীতফাঁকিৰ পৰা বড়োসকলে যে 'বাথৌ ব্ৰায়' (শিৱ-মহাদেৱ)ক উপলক্ষ্য কৰি বাথৌ থানৰ গুৰিত দীৰ্ঘায়ু শিজু গছক প্ৰতীক হিচাপে ৰোপণ কৰি পাঁচটা ছিদ্ৰ থকা বাঁহীৰ পঞ্চ সুৰেৰে (ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম আৰু পঞ্চম) পূজা অৰ্চনা কৰি বৰ্তাই ৰাখি আহিছিল তাৰেই প্ৰমাণ দিয়ে। বড়োসকলৰ বিশ্বাস, ধৰ্ম-সংস্কৃতি, ৰীতি-নীতিক প্ৰতিফলিত কৰি পৰম্পৰাগত বহন কৰি লৈ অহা তেনে গীতবোৰো গাঁৱে-ভূঁঞে সিঁচৰতি হৈ আছে।

স্বভাৱগতভাৱে বড়োসকল শান্তিপ্ৰিয় উৎসৱপ্ৰিয় তথা আমোদপ্ৰিয় লগতে কঠোৰ পৰিশ্ৰমী। তেওঁলোকে কৰ্ম জীৱনৰ ব্যস্ততাৰ মাজেৰেই পূৰ্ব-পুৰুষানুক্ৰমে চলি অহা আদিম প্ৰথা বা ৰীতি-নীতি অনুক্ৰমে বছৰৰ বিভিন্ন পূজা-পাৰ্বণবোৰ সমাধান কৰাৰ উপৰি বতৰৰ উৎসৱাদিবোৰো উলহ-মালহেৰে উদ্‌যাপন কৰে। উক্ত অনুষ্ঠানবোৰতেই গাঁৱলীয়া হোজা সহজ-সৰল লোকৰ মুখত স্বতঃস্ফূৰ্তভাৱে সৃষ্টি হয় বিভিন্ন অভিৰুচি তথা অভিব্যক্তিৰ গীত-মাত-ফঁকৰা ইত্যাদি।

দেখা যায়— বড়োসকলে তেওঁলোকৰ আদিম ধৰ্মীয় উৎসৱ খেৰাই পূজা যেনেকৈ নিষ্ঠা তথা শ্ৰদ্ধাৰে সমাধান কৰে— ঠিক তেনেকৈ নতুন বছৰৰ আৰম্ভণি ব'হাগ মাহৰ প্ৰথম দিনবোৰক 'বৈশাগু' (ৰংজালী বৈশাগু' (বিহু) নামেৰে অতি আন্তৰিকতাৰে উলহ-মালহেৰে উদ্‌যাপন কৰে। 'বৈশাগু' বা 'বিহু' বুলিলেই বড়োসকল বলিয়া। বুঢ়া-বুঢ়ী, জীয়াৰী-বোৱাৰী, ডেকা-গাভৰু, ল'ৰা-ছোৱালী, আনন্দ মনেৰে ঘৰৰ পৰা ওলাই আহে বাটে-ঘাটে, নদী-নৈ, পৰ্বত-পাহাৰৰ দাঁতিত খেতিপথাৰত, পথাৰৰ গছৰ তল, কোনো হাবি বননিৰ মুকলি ঠাইত জাকে জাকে একগোট হৈ নানাবিধ খাধ্য, পানীয় খাই নাচি-বাগি গীত গাই ৰং-ৰহইছ কৰি ফুৰে। যৌৱন-প্ৰাপ্ত ডেকা-গাভৰুসকলে জাকে-জাকে দল বান্ধি খাম (মাদল) চিফুং (বাঁহী), চেৰজা (চেৰেঞ্জা), জথা (তাল বাদ্য) গংগীনা (গগনা), থৰখী (বাঁহৰ এবিধ তাল বাদ্য) আদি বজাই বজাই নাচি গীত গাই গাই ঘৰে ঘৰে গৈ গৈ মাগি ফুৰে। গৃহস্থীসকলে তেওঁলোকক আথে-বেথে অতি সাদৰেৰে পাণ-তামোল, চাহ পানী ঘৰতে তৈয়াৰী বিবিধ খাদ্য তথা 'বৈশাগু'ৰ নামত সযতনে সাঁচি থোৱা 'জৌ' (মদ)ৰ 'বিদৈ' (ফিথিকা) আগবঢ়াই দি আপ্যায়িত কৰে। এইখিনি সময়ছোৱাতে তেওঁলোকৰ আনন্দ, প্ৰেম-পিৰীতি, ভালপোৱা জকোৱা, ঠাট্টা-মস্কৰা, মান-অভিমান-হুমুনিয়াহ আদি মনৰ বিভিন্ন অভিব্যক্তিৰ মন-প্ৰাণ ছুই যোৱা নানা ধৰণৰ গীত-মাতবোৰ ৰচিত হয়— বৈশাগু আদি আহিলেই বড়োসকলে সকলোৰে গায়—

'ছৌফৈলায়বায়... বৈশাগু বীথীৰা ছৌফৈলায়বায়
বীথীৰ গীজামা-থাংলায়বায়,
বীথীৰ গীদানা-ফৈফিন লায়বায়
ৰংজানায় বীথীৰা ছৌফৈলায়বায়।'

(অঃ আকৌ আহিলে, বিহুৰ বতৰ আহি পালেহি পুৰণি বতৰ গুচি গ'ল; নতুন বতৰ ঘূৰি আহিল; ৰং কৰা বতৰ ঘূৰি আহিল)

'ছৌফৈলায়ৰায়... সাত মুলুগনি
সাগীৰ বাৰনানৈ-
অখীৰাং স্বায়াওনি-জীমৈ যানাটন
বিৰবায়-বিৰবায়- বুল্লি গিদিং-গিদিং
বীথীৰ বাউৰালীয়া- ছৌফৈলায় বায়
বৈশাগু বীথীৰা-ছৌফৈলায়বায়...।
বাদাৰী জাংগিলা- খাম দামদীং
ঔৱা বিজৌৱা-ফুং সুদীং
দাউ হুদুৱা-জথা দামদী....
খাংগাৰাং গুৰুব্‌-হাঞ্জা লায়ে-লায়ে
বাজল' বাজল'-বাগুৰুম বাগুৰুম মৌছা বায়দীং
বৈশাগু বীথীৰখৌ বৰায় হৰদীং।

(অঃ আকৌ আহিলেহি... সাত মুলুগৰ সাগৰ পাৰ হৈ, আকাশৰ বুকুৰ মেঘ হৈ উৰি উৰি... সময় ঘূৰি ঘূৰি বাউলী বতৰ ঘূৰি আহিলে; বৈশাগু বতৰ ঘূৰি আহিল। 'বাদাৰী জাংগীলা খাম বজাইছে, আগলি বাহে বাঁহী বজাইছে, হুদু চৰাইয়ে জথা বজাইছে, দল বান্ধি বান্ধি, জঁপিয়াই জঁপিয়াই নাচি ফুৰিছে— বৈশাগু বতৰক আদৰণি জনাইছে।)

'বৈশাগু' বা বিহুৰ বতৰত যিকোনো ডেকা-গাভৰুৰ দেহ-মনবোৰ ইছাট-বিছাট কৰে। আপোনজনৰ স'তে মানসিক-দৈহিক মিলনৰ আকাংখাত উদ্বেলিত হৈ তেওঁলোক উৰণীয়া কঁহুৱা ফুলৰ দৰে অশান্ত চঞ্চল হৈ উঠে। নিজ মনত লুকাই থকা গুপুত কথাবোৰ প্ৰিয় তথা আকাংক্ষিতজনক পাকে-প্ৰকাৰে জনাবলৈ হিয়ামন উগুল-থুগুল কৰে।

গাভৰুৰ মুখৰ পৰা ওলোৱা তলৰ গীতটি তাৰেই প্ৰত্যুত্তৰ—

হাবাব আদায়া ইছা যাদীবীলা
মনজীং মন যাদীংবীলা...
বৈ মংগলবাৰাও, বৈ শনিবাৰাও
চিলা চাবনায বাছি, থিউ চাৰনা
দাবা লাংফৈ-দাবী লাংফৈ আদা
নাংদৰ বাৰী নিলায় ছায়াৰাম জীউ আংনি—

(অঃ হেৰা ককাইদেউৰ হেঁপাহ হৈছে যদি মনেৰে মন হৈছে যদি— সেই শনিবাৰে সেই মংগলবাৰে চিলাই থাপ মাৰি লৈ যোৱাদি এতিয়াও লৈ যোৱাহি ককায়ে-নাংদৰ বাৰীৰ জীউ মোৰ।)

মৰমীজনীক নিজৰ কৰি আনিবৰ বাবে ডেকাৰ সকলো দিবলৈ প্ৰস্তুত। টকা-পইচা, ধন দৌলত তেওঁৰ কাৰণে অতি তুচ্ছ। সোণ লাগে সোণ দিব-ৰূপ লাগে ৰূপ দিব— অকল গাভৰুজনী সন্মত হ'লেই হ'ল। তলৰ গীতটি তাৰেই অভিব্যক্তি—

জেবী নঙা আগৈ-জেবী নঙা-
টাকা-ফৈচাখৌলায়-আংলায় গিয়া,
ধীন-দীলীত আওবী-আংলায় জেনা
সোণা নাংগৌ-সোণা মীনগীন-ৰূপা-
নাংগৌ ৰূপা নীনগীন
ৰাজিলো যা আগৈ-নীং ৰাজিলো যা।

(অঃ একো নহয়, একো নহয়... টকা পইচাকো মই ভয় নকৰো, ধন দৌলতকো ভয় নকৰো। সোণ লাগে- সোণ পাবা... ৰূপ লাগে ৰূপ পাবা-ভনীটি তুমি মাথোন ৰাজী হোৱা।)

কিন্তু কোনোবা গাভৰুজনীয়ে কোনো ডেকাৰ প্ৰণয় প্ৰাৰ্থীক উপেক্ষা কৰিলে গায়—

'দাংশলিয়া-দাংশলীয়া
মৌজাং মৌজাং গানল্লাবী
আংনৌলায় নৌংখৌ নাংলিয়া
নৌংখৌ নাংলিয়া।

(অঃ দালশলীয়া দালশলীয়া (এবিধ নোদোকা এন্দুৰ) পিন্ধিলেও তোমাক মোক নালাগে, নালাগে)।

বড়োসকলে পৰম্পৰাগত ভাৱে চলি অহা কে'বাটাও বিশেষ প্ৰথাৰে বিবাহকাৰ্য সমাধান কৰে। প্ৰথা যিয়ে নহওক অতিথি তথা উপস্থিত ৰাইজক পাণ-তামোল কটা, চাহ-পানী বিতৰণ কৰা, দৰা-কইনা আদৰা উৰুলি দিয়া আদি বিভিন্ন কাৰ্যৰ বাবে 'বৈৰাথী' নামৰ কে'বাজনীও গাভৰু ছোৱালী বিশেষভাৱে নিযুক্তা থাকে। বড়ো সমাজ-সংস্কৃতিত বিয়া-সবাহত বিশেষতঃ তামোল-পাণৰ ব্যৱহাৰ এক অন্যতম প্ৰধান বৈশিষ্ট্য। তামোল-পাণ অবিহনে বিয়া-বাৰু, উৎসৱ-পাৰ্বণ অৰ্থহীন-মূল্যহীন। তামোল-পাণৰ স'তে মান-সন্মান জড়িত হৈ থাকে। বিয়াত আন নহ'লেও ৰাইজে অন্ততঃ এটুকুৰা-এখিলা তামোল-পাণ খাব পাবই লাগিব।

'গয় দেছেৰে-ফাঠে চিনাৰি
দাউবোখি বাধি চুণৈ
খাও ৰেগাং খাওদী
জা ৰেগাং জানীসৈ
অননানৈ হৰদী।'

(অঃ সৰু তামোল, চিনাৰি থকা পাণ, বগলীৰ মলৰ দৰে চূণ, সৰিবৰিকৈ কটা, মুখ বোলাই খাওঁ, অনুগ্ৰহ কৰি দিয়া)।

বৈৰাথী' সকলে তেওঁলোকে যতনেৰে সজোৱা অতি সাৱধানে উপস্থিত সকলো ৰাইজক এজনৰ পাছত আনজনলৈ আথে-বেথে হাতে-হাতে তুলি দিয়ে। তথাপিও অপৈণত, অনভিজ্ঞ, লাজুকী বৈৰাথীসকলৰ পদে-পদে আউল লাগে, কামত বিজুতি ঘটে, ক্ৰুটি হয়। তেতিয়া ৰাইজৰ মাজৰ পৰা কোনোবা ৰসজ্ঞাগৰাকীয়ে বৈৰাথীক জোকোৱাৰ ছলেৰে এপাক নাচি গায়—

'ঐ বৈৰাথী ললিয়া
নৌংনি থাফ্লি হুগাৰ হুগাৰ
গয় খাওনায়খৌ জ্বৌংলায় জালিয়া-জালিয়া।

(অঃ অই-বৈৰাথী 'ললিয়া' তোমাৰ তপিনা মচি মচি তামোল কটা আমি নাখাও নাখাও)

বেচেৰী বৈৰাথী। গাভৰুৰ কোমল সূৰুযৰ দৰে মুখ মণ্ডল, ঔ ফলৰ দৰে মসৃণ গাল লাজত ৰঙা-ছিঙা পৰি যায়!!

পূৰ্বৰ দিন আৰু আজিৰ দিনৰ মাজত আকাশ-পাতাল প্ৰভেদ আছে। আগৰ দিনত ধান-চাউল যিকোনো বস্তুৰেই অভাৱ নাছিল; শাক-পাচলি, মদ-মাছ-মাংস কি খাব? দিনবোৰ আছিল সকলোফালে জয়-জয়, ময়-ময়। কিন্তু আজিৰ দিনত জুই জ্বলিল। টকা পইচা দিও বস্তু পাবলৈ নোহোৱা হ'ল। বস্তু-বাহানিৰ দাম আগৰ তুলনাত বহুগুণ বাঢ়ি গ'ল। সেয়ে আজিৰ দিনৰ পূৰ্বৰ স্বৰ্ণযুগক তুলনা কৰি অনুতাপ কৰি জনৈক বুঢ়াই নাতিয়েকক সোঁৱৰাই দিয়া গীত ফাঁকি অতি অন্তৰস্পৰ্শী—

'অৱলৈ ফিসৌ-অৰ জ্বৌবায়- নীংসৌৰনি দিনাও-অৰ জ্বৌংবায়।
মানসি জৌলৈয়া-নাংবায় সাথা
জৌংনি ৰাওৰা লাইনৌ- সলো বাথা।
আখাই দং, আইখিং দং-আফা গোসাইনি দান
মাওয়ৈ-দাঙৈ জাবীদীং-লৌংদীং ৰংজাদীং
থানাঙাখৈ ফিসৌ-হাৰমা-হাৰথা
নঙালৈ ফিসৌ বেয়ৌ-সলো বাথা।
জৌনি ফুখ্ৰী, বেদৰনি আলি-মা জালু এমবু খুগা
জিবৌবা এমবুখৌ জাবায় বায়া।
লখ্ৰায়া বীৰমাখৌ জায়াং
আঁৌংখামনি আলি, বেদৰণি আখাই-
বেসে জানী-এমবু খুগা।
বহালৈ থাংখী হাবাব ফিসৌ-বহা থাংখা
জৌংনি গীদীনি সোণা মুগা
নঙালৈ ফিসৌ বেয়ৌ-সলো বাথা।'

(অঃ এ নাতিহে জুই-জুই জ্বলিছে-

তহঁতৰ দিনত জুই জ্বলিল, মুনষু জাতি বিবুদ্ধি হ'ল; আমাৰ কথা হেনো সাধুকথা হ'ল। পিতা আগোসাই দান হাত আছে ভৰি আছে, কৰ্ম কৰি কৰি খাই আহিছোহক, আলাই-আথানিকৈ থাকিব লগা হোৱাহি নাই, এয়া সাধু কথা নহয়..... মদৰ পুখুৰী, মাংসৰ আখৈ- কিমাননো খাবা— ভেকুলী মুখীয়া....

'এই লোক গীতবোৰ আমাৰ ৰাজ্যৰ সমৃদ্ধিশালী মাটিত আপোনা-আপুনি জাতিস্কাৰ হোৱা কিছুমান বনৰীয়া ফুল' (হেম বৰুৱা, 'এই গাঁও এই গীত') লোক-সাহিত্যৰ আপুৰুগীয়া সম্পদ।

*ফোন ঃ ৯৮৬৪৭৬৩৬৮২*



## পদ্মশ্ৰী সন্মানেৰে বিভূষিত

# ৰ্যাচেল থমাচ

### অনিতা গোস্বামী



**বহু** বাধা-বিঘিনি অতিক্ৰমি ভাৰতীয় নাৰীসকলে পুৰুষৰ লগত ফেৰ মাৰি পঢ়া-শুনা, সাহিত্য, নৃত্য-গীত, খেলা-ধূলা, ৰাজনীতি আদি সকলো দিশতে সমানে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। কেৱল সিমানেই নহয় বৰ্তমান আকাশী তীৰ্থতো বিশেষ সাফল্য দেখুৱাইছে আমাৰ ভাৰতীয় নাৰীয়ে। ইতিহাসত বিখ্যাত হৈ আছে ভাৰতৰ প্ৰথম মহিলা স্কাই ড্ৰাইভাৰ (আকাশী চানক) হিচাপে ৰ্যাচেল থমাছ। সুমেৰুত সাত হেজাৰ ফুট উচ্চতাৰ পৰা স্কাই ড্ৰাইভিং কৰি তেওঁ এক বিৰল কৃতিত্বৰ অধিকাৰী হৈছে। দেশ-বিদেশৰ বিভিন্ন প্ৰতিযোগিতাত অংশ লৈ তেওঁ নিজৰ প্ৰতিভা দাঙি ধৰাৰ লগতে সমগ্ৰ ভাৰতবৰ্ষকে প্ৰতিনিধিত্বও কৰিছে। স্কাই ড্ৰাইভিঙৰ কৃতিত্বৰ বাবে ভাৰতৰ চতুৰ্থ নাগৰিক সন্মান 'পদ্মশ্ৰী' পুৰস্কাৰেৰে ভূষিত হৈছে ৰ্যাচেল থমাছ।

১৯৫৫ৰ ন আগষ্টত পশ্চিমবংগৰ চিত্ৰৰঞ্জনত ৰ্যাচেলৰ জন্ম হয়। ৰ্যাচেলৰ দেউতাক আছিল আলেকজান্দ্ৰা ইৰ্ডেচিয়া আৰু মাক হ'ল এলিজাবেথ। তদুপৰি চুচান নামেৰে তেওঁৰ এজনী ভনীয়েক আছে। চন্দন নগৰৰ চেণ্ট জোচেফ কনভেণ্ট স্কুলত ৰ্যাচেলৰ পঢ়া-শুনা আৰম্ভ হয়। ইয়াৰ পাছত তেওঁ আগ্ৰা বিশ্ববিদ্যালয়ৰ পৰা সাহিত্য বিভাগত স্বৰ্ণপদকসহ স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছতে আগ্ৰাৰে বাকুন্দি দেৱী কলেজৰ পৰা শিক্ষা বিজ্ঞান বিষয়ত প্ৰথম বিভাগত উত্তীৰ্ণ হয়।

ৰ্যাচেলৰ কৰ্ম জীৱন আৰম্ভ হয় আগ্ৰাৰ চেণ্ট জৰ্জ স্কুলত শিক্ষকতাৰ জৰিয়তে। ইয়াৰ পাছত তেওঁ শিক্ষকতা এৰি ৰেল বিভাগত যোগদান কৰে। তেওঁৰ স্কাই ড্ৰাইভিং জীৱন আৰম্ভ হয় ১৯৭৯ত আগ্ৰাত থকা সময়তে। সেই বছৰৰে ২০ এপ্ৰিলত 'স্কাই ড্ৰাইভিং ফেডাৰেছন অৱ ইণ্ডিয়া'ৰ তৰফৰ পৰা ভাৰতৰ প্ৰথম মহিলা স্কাই ড্ৰাইভাৰ হিচাপে যাত্ৰা আৰম্ভ কৰে। তাৰ পাছত লাইচেন্স সহ স্কাই ড্ৰাইভিঙৰ প্ৰশিক্ষণ সমাপ্তও কৰে। উল্লেখ্য যে চাৰে চাৰি হেজাৰ ফুট উচ্চতাৰ পৰা শূন্যত জাঁপ দি প্ৰথম ভাৰতীয় স্কাই ড্ৰাইভাৰ হিচাপে ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হয়। এইগৰাকী সাহসী মহিলা ৰ্যাচেল থমাছে। মাত্ৰ ২৪ বছৰ বয়সতে প্যাৰা কমাণ্ডৰ হিচাপে তেওঁৰ প্ৰথম প্ৰদৰ্শিত ড্ৰাইভিং আছিল জব্বলপুৰৰ আৰ্মি অৰ্ডিন্যান্সত। ইয়াৰ পাছত তেওঁ ১৯৮৩ত 'অ্যাৰো ক্লাব অফ ইণ্ডিয়া'ৰ দ্বাৰা আয়োজিত 'ফেডাৰেছন অ্যাৰোনাটিক্যাল ইণ্টাৰনেছনেল অ্যানুয়েন কনফাৰেন্স'ত অংশগ্ৰহণ কৰে। তাতেই অষ্ট্ৰেলিয়াৰ প্যাৰা চুটিং ফেডাৰেছনৰ সভাপতি ক্লজ গ্লিনাৰ্ড এ ৰ্যাচেলক সেই বছৰ অনুষ্ঠিত হ'বলগীয়া অষ্ট্ৰেলিয়াৰ জাতীয় প্যাৰা চুটিং চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়।

১৯৭৮ত অনুষ্ঠিত হয় চতুৰ্থ বিশ্বকাপ চেম্পিয়নশ্বিপ। ইয়াতো ৰ্যাচেলে ভাৰতৰ হৈ প্ৰথম প্ৰতিনিধিত্ব কৰে। ইয়াৰ পাছতো ক্ষন্তেকৰ বাবেও থমকি ৰোৱা নাই এই গৰাকী প্ৰতিভাশালী মহিলা। ১৯৮৮ত ছুইডেনত অনুষ্ঠিত হয় ঊনৈশ সংখ্যক বিশ্বপ্যাৰা চুটিং চেম্পিয়নশ্বিপ। মহা আড়ম্বৰেৰে অনুষ্ঠিত হয় এই অনুষ্ঠান। সমগ্ৰ পৃথিৱীৰ বিভিন্ন দেশৰ প্ৰতিনিধিয়ে ইয়াত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতো আমাৰ দেশ ভাৰতবৰ্ষৰ হৈ ৰ্যাচেল থমাছে প্ৰতিনিধিত্ব কৰে। আকৌ ১৯৮৯ত অনুষ্ঠিত হোৱা থাই ওপেন প্যাৰা চেম্পিয়নশ্বিপতো অংশগ্ৰহণ কৰে ৰ্যাচেলে।

ইয়াৰ পাছত আৰম্ভ হয় ৰ্যাচেলৰ ড্ৰাইভিং প্ৰতিযোগিতাত অংশগ্ৰহণ। বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত একেলেথাৰিয়ে কে'বাবাৰো অংশগ্ৰহণ কৰে। ১৯৯১ত হিডনত অনুষ্ঠিত হোৱা 'এয়াৰ ফোৰ্চ অ্যাডভেন্সাৰ ফাউণ্ডেছন অৰ্গেনাইজেছন'ৰ দ্বাৰা আয়োজিত প্ৰথম স্কাই ড্ৰাইভিং প্ৰতিযোগিতাত এইগৰাকী মহিলাই অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত তেৱেঁই আছিল প্ৰথম মহিলা প্ৰতিযোগী।

১৯৯৫ত আগ্ৰাত তৃতীয় জাতীয় চেম্পিয়নশ্বিপ অনুষ্ঠিত হয়। ইয়াতো অংশ লয় ৰ্যাচেলে।উল্লেখযোগ্য যে সেই বছৰতে প্ৰথম যুৱ মহোৎসৱ অনুষ্ঠিত হয়। এই মহোৎসৱত সেই সময়ৰ ৰাষ্ট্ৰপতি শংকৰ দয়াল শৰ্মা উপস্থিত আছিল। ৰ্যাচেলে ৰাষ্ট্ৰপতিগৰাকীৰ সমুখতে স্কাই ড্ৰাইভিং কৰে আৰু ভূয়সী প্ৰশংসা লাভ কৰে। আকৌ ১৯৯৬ত অৰুণাচলৰ ইটানগৰত আয়োজিত ৰাজ্য উৎসৱতো তেওঁ স্কাই ড্ৰাইভিং প্ৰদৰ্শন কৰে। ইয়াৰ পাছৰ বছৰত অৰ্থাৎ ১৯৯৭ত আৰ্মি অ্যাডভেঞ্চাৰ টিমৰ পোলো ম্যাচ অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ সামৰণি অনুষ্ঠানত ৰ্যাচেলে নিজৰ স্কাই ড্ৰাইভিং প্ৰদৰ্শন কৰে। ১৯৯৮ ত তেওঁ ভাৰতীয় বায়ুসেনাৰ টিমৰ স'তে বাংগালুৰুত যুদ্ধবিমান মিগ-৮ৰ পৰা দহ হেজাৰ ফুট উচ্চতাত জাপ দিয়ে। আৰু দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। ১৯৯৯ ত লক্ষ্ণৌত অনুষ্ঠিত হয় পঞ্চম যুৱ মহোৎসৱ। আকৌ ২০০০ত অনুষ্ঠিত হয় আন এক স্কাই ড্ৰাইভিং অনুষ্ঠান। দুয়োটা অনুষ্ঠানতে যুৱৰাজ হামযাব বিন হুছেইনৰ মতে একেলগে স্কাই ড্ৰাইভিং কৰে। ইয়াৰ পাছৰে পৰা পুনৰ নতুন উদ্যমেৰে ৰ্যাচেল আগবাঢ়ি যায়। ২০০১ত এখন দুখন নহয় সম্পূৰ্ণ পাঁচখন দেশৰ পাঁচজন স্কাই ড্ৰাইভাৰৰ স'তে একেলগে তেওঁ এক বিশেষ অনুষ্ঠানত অংশ লয়।

২০০২ত যুৱ উৎসৱ অনুষ্ঠিত হয় হাৰিয়ানাত। এই অনুষ্ঠানত প্ৰথমবাৰৰ কাৰণে তেওঁ বেলুনৰ পৰা স্কাই ড্ৰাইভ কৰে আৰু সকলো দৰ্শককে চমকৃত কৰে। ইয়াৰ পাছত ৰ্যাচেলে বিশ্ব ৰেকৰ্ড গঢ়িবলৈ সক্ষম হয় সেই বছৰতে। উত্তৰ মেৰুত ৪৫ ডিগ্ৰী তাপমাত্ৰাত সাত হেজাৰ ফুট উচ্চতাৰ পৰা স্কাই ড্ৰাইভ কৰি তেওঁ এই সন্মান লাভ কৰে। লগতে সমগ্ৰ ভাৰতবৰ্ষলৈ কঢ়িয়াই আনে গৌৰৱ।

ইয়াৰ পাছতে ৰ্যাচেল থমাছৰ জীৱনলৈ এক বিপৰ্যয় আহে। ২০০৩ত শেষ বাৰৰ বাবে যুৱ উৎসৱত তেওঁ অংশ লয়। কাৰণ ইয়াৰ পাছত পুনৰ আৰু কোনো দিনেই কোনো অনুষ্ঠানত অংশ লোৱাৰ সৌভাগ্য তেওঁৰ আৰু নহ'ল। এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সময়তে তেওঁৰ পিঠিৰ হাঁড় ভাঙি যায়। গতিকে স্কাই ড্ৰাইভিং প্ৰদৰ্শনৰো ইমানতে তেওঁৰ সামৰণি পৰে।

আজীৱনৰ কৃতিত্বৰ বাবে বহু সন্মানেৰে বিভূষিত হৈছে ৰ্যাচেল থমাছ। কেৱল চেম্পিয়নশ্বিপত অংশ লোৱাই নহয়, সমগ্ৰ বিশ্বতে অনুষ্ঠিত নানা প্যাৰা চুটিং চেম্পিয়নশ্বিপত বিচাৰকৰ পদ অলংকৃত কৰিছে এইগৰাকী সাহসী মহিলাই। ১৯৯৩ ত তেওঁ ৰেলৰে মিনিষ্ট্ৰী বিভাগৰ পৰা পুৰস্কাৰ পায়। ১৯৯৫ত ইন্দিৰা গান্ধী প্ৰিয়দৰ্শিনী পুৰস্কাৰেৰে সন্মানিত হয়। আটাইতকৈ উল্লেখযোগ্য কথা যে ২০০৩ত 'পিপন অফ নিমকা বুক'ত ৰ্যাচেলৰ নাম নথিভুক্ত কৰা হয়। লগতে ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত আব্দুল কালামে থমাছক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে।

আজীৱন কৰ্মময় জীৱনত কৃতিত্ব অৰ্জন কৰা এইগৰাকী মহিলাই তেওঁৰ কন্যা অ্যানিৰ স'তে ডুবাইত বসবাস কৰি আছে।

কেৱল নাৰী সমাজৰ বাবে নহয়, সমগ্ৰ ভাৰতবাসীৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে এইগৰাকী সাহসী মহিলা ৰ্যাচেল থমাছে।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

# ডিব্ৰুগড়! ডিব্ৰুগড়!! (১৮)



## আজিৰ চিন্তা

### বিশ্বজিৎ বৰুৱা

**১৯৪৫ত** ভাৰতবৰ্ষৰ বৰলাট লৰ্ড মাউণ্টবেটেনে পৰিবাৰৰ স'তে হিমালয়ৰ পাদদেশ হুকোৱাং উপত্যকাৰ ওপৰেদি আকাশযানেৰে পৰিভ্ৰমণ কৰোতে নিজৰ সহচৰজনক তললৈ আঙুলিয়াই সুধিছিল- সৌ নদীখনৰ নাম কি? আমেৰিকান বিষয়াজনে উত্তৰ দিছিল- সেয়া নদী নহয় মহোদয়, সেয়া লিডু ৰোড্। Thats' not a River My Lord, It's the Ledo Road.উচ্ছ্বাসিত মাউণ্টবেটেনে স্বগতোক্তি কৰি উঠিছিল- Oh! Stilwell Road!! তেতিয়াৰ পৰাই লিডুৰ পৰা কুওনমিঙলৈ ব্যাপ্ত হৈ থকা ১,০৭৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোৱে লিডু ৰোড্‌ৰ পৰা নাম সলাই ৰজাঘৰে প্ৰজাঘৰে জনপ্ৰিয় হ'ল ষ্টিলৱেল পথ নামেৰে।

অসমৰ ভূ-গৰ্ভত নিহিত হৈ থকা অপাৰ খাৰুৱাতেল, কয়লা আৰু বাহঁ-বেত-কাঠ-চাহপাতেৰে বিশ্বৰ মানচিত্ৰত স্থান পোৱা আৰু তাহানিৰে বিশ্ব অৰ্থনীতিত তুমুল আলোড়ন তুলি স্ব-নামেৰে বিখ্যাত হোৱা অসমৰ লিডু, মাৰ্ঘেৰিটা, অৰুণাচলৰ পাটকাই-টিৰাপ সীমান্ত পাৰ হোৱাৰ লগে লগে আৰম্ভ হয় প্ৰকৃতিয়ে অকৃপণ হাতেৰে দান দিয়া হিমালয়ৰ পাদদেশ আৰু শৃংগৰে আবৃত্ত নয়নাভিৰাম দৃশ্যৰাজি। এই যে অসমৰ প্ৰাকৃতিক সম্পদৰাজিৰ ভু পাই বিশ্বৰ নামী কোম্পানী সমূহে আহি ডিবৰুত কাৰ্যালয় পাতি প্ৰাকৃতিক সম্পদ নিষ্কাসনত নিয়োজিত হৈছিলহি সেই কাম-কাজসমূহৰ আইনগত দিশসমূহ নিৰীক্ষণ কৰি সু-পৰামৰ্শ প্ৰদানৰ উপৰিও আইনগত লেঠা-পিঠাসমূহ মোকাবিলা কৰাৰ উদ্দেশ্যেৰে ডিবৰু চহৰত এখনি আইন পৰামৰ্শদাতা প্ৰতিষ্ঠান আৰম্ভ কৰা হৈছিল। ষ্টিল আৰু হেড' উপাধিৰ দুজন চাহাবে আৰম্ভ কৰা এই ল' ফাৰ্মখন আজিও বিশিষ্ট অধিবক্তা চৈফুৰ ৰহমান নেতৃত্বত সুচাৰুৰূপে কাম-কাজ অব্যাহত ৰাখিছে যিটো অতি গৌৰৱৰ কথা। প্ৰাপ্ত তথ্যমতে এই আইন প্ৰতিষ্ঠানখনৰ কাৰ্যালয়তে ১৯৪৭ মানত অনুষ্ঠিত এক সভাত বিশ্ববিখ্যাত চাহ খেতিয়ক মেগৰ চাহাবে হিমালয়ৰ পাদদেশৰ এই নয়নাভিৰাম দৃশ্যৰাজিৰ বৰ্ণনা কৰি উচ্ছ্বাসিত কণ্ঠৰে উচ্চাৰণ কৰিছিল- ভাৰ্জিন এৰিয়া! Totaly a virgin area!! অনুমান কৰকচোন-ডিব্ৰুগড় বিমানঘাটিৰ পৰা হিমালয়ৰ ওপৰেদি যদি আন্তৰ্জাতিক বিমানৰ চলাচল থাকিলহেঁতেন তেন্তে হয়তো ইয়ালৈ দেশী-বিদেশী পৰ্যটকৰ সোঁত বলিলেহেঁতেন। হিমালয়ৰ ওপৰেদি, চাংপো নদীৰ তীৰে তীৰে, মানস সৰোবৰ আৰু এভাৰেষ্ট শৃংগৰ ওপৰেদি উৰি যোৱা বিমানত উঠি এপাক মাৰি আহিব পৰা হ'লহেঁতেন তেন্তে মাউণ্টবেটেনৰ দৰে উচ্ছ্বাসিত হৈ ভ্ৰমণকাৰীয়ে এই অঞ্চলত ভিৰ নকৰিলেহেঁতেন নে? সেয়েহে ডিব্ৰুগড়ৰ সচেতন নাগৰিকসকলে কে'বাবছৰৰ আগৰ পৰাই মোহনবাৰীক আন্তৰ্জাতিক বিমান বন্দৰৰ মৰ্যাদা দিবলৈ যুঁজ বাগৰ কৰি আহিছে যদিও ক'ব নোৱাৰি কেতিয়ালৈ এই দাবীয়ে দিল্লী-দিশপুৰৰ কৰ্ণকুঁহৰত আঘাত কৰিবলৈ সক্ষম হ'ব। মেগৰ চাহাবৰ উচ্ছাস আজিও উচ্ছাস হৈয়ে ৰৈ গ'ল টোটেলি ভাৰ্জিন এৰিয়া হিচাপে। যি কি নহওক ঃ ষ্টিলৱেল ৰোড সম্পৰ্কীয় আলোচনা মোখনি মাৰি লওঁ।


১৯৪২ ৰ এক ডিচেম্বৰত আমেৰিকান জেনেৰেল ষ্টিলৱেলৰ লিডুৰ পৰা কুওনমিঙলৈ তৈয়াৰ কৰিব খোজা লিডু ৰোডৰ প্ৰস্তাৱ ব্ৰিটিছ ৰাৰ জেনেৰেল চাৰ আৰ্কিবল্ড ৰাভেলে মানি লোৱাৰ পাছত মুঠ ১৫ হেজাৰ আমেৰিকান মিত্ৰ বাহিনীৰ সৈনিক আৰু ৩৫ হেজাৰ স্থানীয় বনুৱা পথ নিৰ্মাণৰ কামত হাতে-কামে লাগি পৰিল। ১৯৪৫ ৰ হিচাপত ১৫০ মিলিয়ন ডলাৰ খৰচ হোৱা লিডু ৰোড্ নিৰ্মাণৰ সময়ত ১,১০০ আমেৰিকান সৈনিক আৰু হিচাপবিহীন স্থানীয় বনুৱাৰ মৃত্যু হ'ল। নিৰ্মাণৰ প্ৰথম পৰ্যায়ত ১০৩ মাইল (১৬৬ কিঃ মিঃ) আৰম্ভ হ'ল লিডুৰ পৰা পাটকাই পৰ্বতমালাৰ পাদদেশেদি পাংচু পাচ হৈ ব্ৰহ্মদেশৰ চিংৰিয়াঙলৈ। এই অঞ্চলত পথৰ উচ্চতা ৪,৫০০ ফুট পৰ্যন্ত। এই দুৰ্গম অঞ্চলটোত খান্দিবলগীয়া মাটিৰ পৰিমাণ হ'লগৈ প্ৰতি মাইলত এক লাখ কিউবিক ফুট। এই সমগ্ৰ পথছোৱা বৰ্ষাৰণ্যৰ ভিতৰত আছিল। এই অঞ্চলত সৈনিক আৰু বনুৱাসকলে কি কৰ্মৰ মাজেদি পথ নিৰ্মাণৰ কামত অগ্ৰসৰ হ'বলগীয়া হৈছিল সেয়া আজিৰ দিনত অনুমান কৰাও কঠিন। ১৯৪৩ ৰ ২৭ ডিচেম্বৰতহে বুলডজাৰ আহি পাইছিলহি। পথৰ কাষে কাষে আগবঢ়াই লৈ যোৱা হৈছিল চাৰি ইঞ্চি ব্যাসাৰ্ধৰ দুডাল খাৰুৱা ইন্ধন পৰিবাহী দুডাল ফুৱেল পাইপ। এই পাইপেদি পঠোৱা হৈছিল প্ৰয়োজনীয় ইন্ধন। এই ইন্ধনৰ সংগ্ৰহ কৰি বুলডজাৰ ট্ৰেক্টৰসমূহ চলোৱা হৈছিল। পাছলৈ কেইটিমান অংশত টেপ সংযোজন কৰা হৈছিল আৰু এই টেপ খুলি ইন্ধন সংগ্ৰহ কৰি সৈন্যবাহিনীৰ ট্ৰাকসমূহ চলোৱা হৈছিল। ১৯৪৪ত দুবছৰৰ অন্তত ১,০৭৯ মাইল দৈৰ্ঘ্যৰ ষ্টিলৱেল পথ যাতায়াতৰ মুকলি কৰা হৈছিল। শেষৰ সাতমাহত এই পথেদি ৫,০০০ খন বাহনে যাতায়াত কৰিছিল আৰু মালবস্তুৰ সৰবৰাহ হৈছিল ৩৫,০০০ টন। ১৯৫৫ৰ দুই ফেব্ৰুৱাৰীৰ দিনা ষ্টিলৱেল পথেদি সৰ্বশেষৰ যাত্ৰা হৈছিল। সেইদিনা এই পথেদি পাৰ হৈ যোৱা 'অক্সফ'ৰ্ড-কেম্ব্ৰিজ অভাৰলেণ্ড এক্সপিডিচন'ৰ কাৰ ৰেলি লণ্ডনৰ পৰা চিংগাপুৰ হৈ আহি পুনৰ ঘূৰি গৈছিল। সেই দিনাৰ পৰা সম্পূৰ্ণকৈ ষ্টিলৱেল পথেদি কোনো গাড়ী পাৰ হোৱাৰ তথ্য নাই। ১৯৬২ৰ পৰাই ব্ৰহ্মদেশত যিকোনো বিদেশী লোকৰে চলাচলত কঠোৰতম নিষেধাজ্ঞা বলবৎ হৈ থকাৰ বাবে ষ্টিলৱেল ৰোডৰ পাহাৰীয়া অংশসমূহ ক্ৰমাগতভাৱে বিধ্বস্ত হৈ পৰে বুলি জানিব পৰা যায়। ১৯৯০ৰ নৱেম্বৰত মাইক জেনকিন্স নামৰ এজন পৰিব্ৰাজক আৰু এজন পাকৈত চালকে ব্ৰহ্মদেশৰ পৰা ষ্টিলৱেল পথেদি অসমলৈ আগুৱাই অহাৰ বাবে কে'বাবৰো প্ৰচেষ্টা চলাই বিফল মনোৰথ হৈ ঘূৰি গৈছিল। 'আউটচাইডাৰ' নামৰ আলোচনীখনত জেনকিন্সে ষ্টিলৱেল ৰোডত তেওঁৰ অভিজ্ঞতাৰ ওপৰত নিজেই এক প্ৰবন্ধ লিখিছিল বুলি জানিব পাৰিলো। ১৯৯২ ত অন্য এজন ৰেচকাৰ চালক টিম শ্লেচাৰে এনে এক প্ৰচেষ্টা লৈছিল। তেওঁ এখন আমেৰিকান আলোচনীত লিখিছিল পাংচুপাচ আৰু চিংৰিয়াঙৰ মাজত কে'বাখনো দলং ভাঙি পৰিছে। কিন্তু অৰুণাচল সীমান্তৰ পৰা পাংচুলৈকে মটৰ গাড়ীৰে যাত্ৰা কৰিব পৰা পথ আছে। সক্ৰিয় ৰাজনীতিৰ পথাৰলৈ অহাৰ আগেয়ে প্ৰদ্যুৎ বৰদলৈয়ে আমাৰ কাকততে এটি প্ৰৱন্ধ লিখিছিল। মেধাবী ছাত্ৰ হিচাপে পৰিচিত বৰদলৈয়ে যেতিয়া এই ষ্টিলৱেল পথক লৈ এটি সপোন দেখিছিল। মাৰ্ঘেৰিটাৰ সুৰেন্দ্ৰ নাথ বৰুৱাইয়ো তেওঁৰ লিখনিৰে এটি সপোন দেখুৱাইছিল ঃ মই সপোন দেখিছো সেইটো দিনৰ, যিদিনা অসমৰ মাজেদি পাৰ হৈ যাব ট্ৰান্স-এছিয়ান ৰেল। আমাৰো আছে সেই সপোন এদিন অসমৰ বুকুৰেদি পাৰ হৈ যাব ট্ৰান্স-এছিয়ান-ৰেল চিটাগাংপৰ্টৰ ..... পৰা অসমৰ নগৰ-চহৰ চুই মাৰ্ঘেৰিটা-লিডু-জয়ৰামপুৰ নামপং হৈ ষ্টিলৱেল ৰোড্‌ৰ কাষে কাষে ৰেংগুন পৰ্ট-পৰ্যন্ত। ড° এ পি জে আব্দুল কালামৰ ভাষাৰে- Dream, Dream, dream. Dream transforms into thoughts, Thoughts result in action.



*বিঃ দ্ৰ ঃ ষ্টিলৱেল সম্পৰ্কীয় পূৰ্বানুৱৰ্তী লিখাৰ আঁত ধৰি কে'বাজনো আগ্ৰহী পাঠক-পাঠিকাই আলোচনাত ভাগ লৈছে। তেওঁলোকৰ নাম আৰু বক্তব্যৰ সাৰাংশ পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব। আগলৈ।*

*ফোন ঃ ৯৪৩৫০-২৮০০৮*

## নিৰ্বাচনত জিকিলে প্ৰতি গৰুৰ বাবদ যোগীয়ে দিব নশ টকাৰ ভাট্টা



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৩ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত পঞ্চম পৰ্যায়ৰ প্ৰচাৰত পুনৰ গৰুক এক অস্ত্ৰ হিচাপে গ্ৰহণ কৰিলে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী যোগীয়ে ঘোষণা কৰি কয় যে বিজেপিয়ে ৰাজ্যখনত পুনৰ ক্ষমতা লাভ কৰিলে গৰু আৰু অন্যান্য পোহনীয়া পশুৰ নিৰাপত্তা বৃদ্ধিৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। যিসকল কৃষকে গো-পালন কৰে তেওঁলোকক প্ৰতিটো গৰুৰ বাবদ মাহে নশ টকাকৈ ভাট্টা প্ৰদান কৰা হ'ব বুলিও যোগীয়ে ঘোষণা কৰিলে। মুখ্যমন্ত্ৰীজনে স্পষ্টভাৱে কয় যে বিজেপিৰ চৰকাৰে কোনো কাৰণতে গৰুৰ নিৰাপত্তাৰ স'তে আপোচ নকৰে।

## ফে'চবুকত সাময়িকভাৱে নিষিদ্ধ হ'ল বিতৰ্কিত লেখিকা তছলিমা নাছৰিন



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** হঠাতে জনপ্ৰিয় সামাজিক মাধ্যম ফে'চবুকত সাময়িকভাৱে নিষিদ্ধ হ'ল বাংলাদেশৰ স্বনিৰ্বাসিত লেখিকা তছলিমা নাছৰিন। যোৱা ২৮ দিনলৈকে ফে'চবুকত তছলিমাৰ প'ষ্টসমূহ সবাতোকৈ তলত ৰখা হ'ব। তদুপৰি আগন্তুক ৪৫ ঘণ্টালৈকে তেওঁ ফে'চবুকত কোনো প'ষ্ট বা মন্তব্য প্ৰকাশ কৰিব নোৱাৰিব। একে সময়তে আগন্তুক পাঁচ দিনলৈকে লেখিকাগৰাকীক ফে'চবুকৰ কোনো গ্ৰুপত অংশগ্ৰহণৰ ক্ষেত্ৰতো সামাজিক মাধ্যমটোৱে নিষেধাজ্ঞা আৰোপ কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি যোৱা ২১ ফেব্ৰুৱাৰীত মাতৃভাষাৰ সন্দৰ্ভত ফে'চবুকত নিজা মন্তব্য প্ৰকাশ কৰিছিল তছলিমাই আৰু এই মন্তব্যৰ পৰিপ্ৰেক্ষিততে ফে'চবুকে তেওঁক সাময়িকভাৱে নিষিদ্ধ কৰিলে। উল্লেখ্য যে সময়ে সময়ে তছলিমাই সামাজিক মাধ্যমৰ জৰিয়তে বিতৰ্কিত মন্তব্য প্ৰকাশ কৰি আহিছে। স্মৰ্তব্য যে যোৱা বছৰৰ নৱেম্বৰতো ফে'চবুকে তছলিমাক সাময়িকভাৱে নিষিদ্ধ কৰিছিল। এই সময়ত তছলিমাই দাবী কৰি কৈছিল, 'জেহাদ, জেহাদী বিষয়ক কিছু কথা লিখিলেই আমাৰ দৰে এজন মানৱাধিকাৰ কৰ্মীক নিষিদ্ধ কৰে ফে'চবুকে।

## অভিনৱ প্ৰতিবাদ ঃ যোগীৰ সভাত কৃষকে এৰি দিলে কে'বাশ গৰু



**নিউজ ব্যুৰ', বাৰাবাঁকি, ২৩ ফেব্ৰুৱাৰী ঃ** আজি উত্তৰ প্ৰদেশত বিধানসভাৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ল। ভোটগ্ৰহণৰ এদিন পূৰ্বে কালি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ জনসভাত কে'বাশ গৰু এৰি দি প্ৰতিবাদ সাব্যস্ত কৰিলে কৃষকে। এই ঘটনা সংঘটিত হ'ল বাৰাবাঁকিত। উল্লেখ্য যে এই অঞ্চলত অন্যতম এটা সমস্যা হৈছে গৰাকীবিহীন গৰু। অঞ্চলটোৰ কৃষকসকল গৰাকীবিহীন গৰুৰ মুক্ত বিচৰণৰ ফলত খেতিবাতিৰ ক্ষেত্ৰত যথেষ্ট ক্ষতিগ্ৰস্ত হৈ আহিছে। গৰুৰ দৌৰাত্ম্য কি হাৰত বৃদ্ধি পাইছে তাক প্ৰমাণ কৰিবলৈ অঞ্চলটোৰ কৃষকে যোগীৰ জনসভাৰ মাজত এইদৰে শ শ গৰু এৰি দি প্ৰতিবাদ সাব্যস্ত কৰিলে। এই ঘটনাৰ এক ভিডিঅ' আজি সামাজিক মাধ্যমত ভাইৰেল হ'ল। উল্লেখ্য যে সমস্যাগ্ৰস্ত কৃষকসকলে গৰাকীবিহীন গৰুৰ আতিশয্যৰ পৰা পৰিত্ৰাণ বিচাৰি চৰকাৰক প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ দাবী জনাই আহিছে।

## পুনৰ ঊৰ্দ্ধমুখী দেশৰ ক'ভিড সংক্ৰমণ-মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ পুনৰ ঊৰ্দ্ধমুখী হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ১৫,১০২ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। কালি দেশত দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা ১৩ হেজাৰৰ তললৈ অৱনমিত হৈছিল। সম্প্ৰতি দেশত এক লাখ ৬৪ হেজাৰ ৫২২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। দৈনিক সংক্ৰমণ বৃদ্ধিৰ লগতে যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত মৃতকৰ সংখ্যাও বৃদ্ধি পালে। বিগত এদিনত ২৭৮ জন ক'ভিড ৰোগীৰ দেশত মৃত্যু হ'ল। কেৱল মহাৰাষ্ট্ৰতে প্ৰাণ হেৰুৱালে ৪৭ জন কৰ'না ৰোগীয়ে।

**উচ্চতম ন্যায়ালয়ক তথ্য দাখিল এন চি পি চি আৰৰ ঃ ধৰ্মীয় স্থান, ট্ৰেফিক ছিগনেল, ৰেল-বাছ আস্থানত শিশুৰ বিচৰণ**


# দেশৰ পথ-পদপথত জীৱন-নিৰ্বাহ কৰিছে ১৮ হেজাৰ শিশুৱে

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ (এন চি পি চি আৰ)ৰ তথ্য অনুসৰি ভাৰতৰ পথ আৰু পদপথত ১৭,৯১৪ জন শিশুৱে বসবাস কৰি আহিছে। উচ্চতম ন্যায়ালয়ক পথ আৰু পদপথত বিচৰণ কৰা শিশুৰ এই পৰিসংখ্যা দাখিল কৰি এন চি পি চি আৰে শপতনামাত উল্লেখ কৰা অনুসৰি এইসকল শিশুৱে পথ বা পদপথতে জীৱন অতিবাহিত কৰিছে। এইদৰে দেশৰ পথ আৰু পদপথত জীৱন-নিৰ্বাহ কৰা শিশুসকলৰ ১০,৩৫৯ জন পুৰুষ আৰু ৭৫৫৪ গৰাকী হৈছে নাৰী। আয়োগৰ তথ্য মতে, ৯৫৩০ শিশুৱে নিজৰ পৰিয়ালৰ স'তে পথ আৰু পদপথত বসবাস কৰি আহিছে। আনহাতে, দেশৰ বিভিন্ন পথ আৰু পদপথত ৮৩৪ শিশুৱে অকলশৰে জীৱন-যাপন কৰিছে। তদুপৰি দেশত ৭,৫৫০ জন শিশুৱে দিনত পথ আৰু পদপথত থাকে যদিও নিশাৰ ভাগত এওঁলোকে বস্তি অঞ্চলত থকা পৰিয়ালৰ



কাষলৈ উভতি যায়। ধৰ্মীয় স্থানৰ পৰা ট্ৰেফিক ছিগনেললৈকে স্থানসমূহত বিচৰণ কৰা সৰ্বাধিক ৭,৫২২ শিশুৰ বয়স হৈছে আঠৰ পৰা ১৩ বছৰৰ ভিতৰত। ইয়াৰ পাছতে ৩,৯৫৪ পদপথত জীৱন-যাপন কৰাৰ শিশুৰ বয়স হৈছে চাৰি পৰা সাত বছৰৰ ভিতৰত। দেশৰ ভিতৰতে সৰ্বাধিক ৪,৯৫২ জন শিশুৱে মহাৰাষ্ট্ৰৰ পথ আৰু পদপথত বাস কৰি আহিছে। গুজৰাটত ১,৯৯০, তামিলনাডুত ১,৭০৩, দিল্লীত ১,৬৫৩ আৰু মধ্যপ্ৰদেশত ১,৪৯২ শিশুৱে পথ আৰু পদপথত বসবাস কৰে। আয়োগে সৰ্বোচ্চ ন্যায়ালয়ক অৱগত কৰোৱা অনুসৰি ধৰ্মীয় স্থান, ট্ৰেফিক ছিগনেল, ঔদ্যোগিক স্থান, বাছ আস্থান, ৰেল ষ্টেছন আৰু পৰ্যটন স্থানত পথ আৰু পদপথত সৰ্বাধিক সংখ্যক শিশুৱে বিচৰণ কৰি আহিছে। দেশৰ ১৭ খন ৰাজ্যৰ এনে ৫১ ধৰ্মীয় স্থানত সৰ্বাধিক সংখ্যক শিশু ভিক্ষাৰী, শিশু শ্ৰমিকৰ সন্ধান লাভ কৰা বুলিও আয়োগে আদালতক অৱগত কৰে।

## ইউক্ৰেইন সংকটৰ মাজতে ভ্ৰমণাৰ্থে ৰাছিয়ালৈ ৰাওনা পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৩ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সংঘাতে তুংগত আৰোহণ কৰাৰ সময়তে আজি পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে ম'স্কো অভিমুখে ৰাওনা হ'ল। পাকিস্তানৰ বৈদেশিক মন্ত্ৰণালয়ৰ তথ্য অনুসৰি দুদিনীয়া ভ্ৰমণসূচীৰে ৰাছিয়ালৈ যাত্ৰা কৰা পাক প্ৰধানমন্ত্ৰীয়ে ২৩ আৰু ২৪ ফেব্ৰুৱাৰীত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনক সাক্ষাৎ কৰি বৈঠকত মিলিত হ'ব। ইমৰানৰ ৰাছিয়া ভ্ৰমণ পাকিস্তানৰ বাবে গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। ১৯৯৯ৰ পাছত প্ৰথমবাৰৰ বাবে পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে ৰাছিয়া ভ্ৰমণ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে ১৯৯৯ত তদানীন্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফে ৰাছিয়া ভ্ৰমণ কৰিছিল। প্ৰকাশিত বাতৰি অনুসৰি, ইউক্ৰেইন সংকটৰ মাজতে পাক প্ৰধানমন্ত্ৰীয়ে মূলতঃ আৰ্থিক সাহায্য বিচাৰি ৰাছিয়াৰ দ্বাৰস্থ হ'ল। বিদেশী ঋণত জৰ্জৰিত পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে পুটিনৰ পৰা ঋণ বিচাৰিব বুলিও বাতৰি প্ৰকাশ পাইছে।



## ২০২৬ৰ পূৰ্বেই দেশৰ এশ কোটি নাগৰিকৰ হাতত স্মাৰ্টফোন ঃ প্ৰতিবেদনৰ তথ্য

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** আগন্তুক পাঁচ বছৰত ভাৰতত ব্যাপক হাৰত বৃদ্ধি পাব স্মাৰ্টফোন ব্যৱহাৰকাৰীৰ সংখ্যা। সম্প্ৰতি প্ৰকাশিত এক প্ৰতিবেদনৰ তথ্য অনুসৰি ২০২৬ বৰ্ষৰ ভিতৰত ভাৰতত স্মাৰ্টফোন ব্যৱহাৰকাৰীৰ সংখ্যা এক বিলিয়ন অৰ্থাৎ এশ কোটিলৈ বৃদ্ধি পাব। গ্ৰামীণ ভাৰতত ব্যাপক হাৰত ইণ্টাৰনেট সংযোগৰ ফলত দেশত স্মাৰ্টফোন ব্যৱহাৰকাৰীৰ সংখ্যা আগন্তুক পাঁচ বছৰত সৰ্বাধিক হ'ব। তথ্যপ্ৰযুক্তি সংস্থা ডেলয়'ট-এ প্ৰকাশ কৰা প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি চহৰ অঞ্চলৰ তুলনাত গ্ৰামাঞ্চলত প্ৰায় ছয় শতাংশৰ হাৰত দেশত স্মাৰ্টফোন ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি পাব। একেখন প্ৰতিবেদনত উল্লেখ কৰা মতে ভাৰতত প্ৰতিদিনে ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে।



## 'বাহুবলী' মুখতাৰৰ গাজীপুৰত থকা হোটেলৰ কোটিটকীয়া ভূমি বাজেয়াপ্ত

**নিউজ ব্যুৰ' গাজীপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ মাজতে মাফিয়া আৰু 'বাহুবলী' নেতাৰ অবৈধ সম্পত্তিৰ বিৰুদ্ধে আইনী অভিযান অব্যাহত আছে। ৰাজ্যখনৰ অন্যতম 'বাহুবলী' বিধায়ক হিচাপে পৰিচিত মুখতাৰ আনছাৰি আৰু তেওঁৰ পৰিয়ালৰ অবৈধ নিৰ্মাণ প্ৰশাসনে ধ্বংস কৰাৰ লগতে অবৈধ সম্পত্তি বাজেয়াপ্ত কৰিলে। গাজীপুৰত আজি জিলা দণ্ডাধীশে মুখটাৰৰ পত্নীৰ নামত থকা হোটেল গজলৰ বিশাল ভূমি বাজেয়াপ্ত কৰে। প্ৰকাশিত বাতৰি অনুসৰি হোটেলখনৰ পাছফালে থকা উক্ত ভূমিৰ বৰ্তমানৰ বজাৰমূল্য প্ৰায় দুই কোটি ১৫ লাখ টকা হ'ব। মহুৱাবাগস্থিত হোটেল গজলৰ ২৩৫ বৰ্গমিটাৰৰ অবৈধ নিৰ্মাণ পূৰ্বে প্ৰশাসনে ধ্বংস কৰিছিল।

**কৰাচীৰ পৰা ইছলামাবাদলৈকে পি পি পিৰ 'লং মাৰ্চ' কাৰ্যসূচী**

## ইমৰানক সকীয়নি বিলাবলৰ, ২৭ ফেব্ৰুৱাৰীত উৎখাত কৰিম অক্ষম চৰকাৰক

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৩ ফেব্ৰুৱাৰী ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ চৰকাৰৰ বিৰুদ্ধে একত্ৰিত হ'ল দেশখনৰ বিৰোধী দলসমূহ। পাকিস্তান পিপ'লছ পাৰ্টি (পি পি পি)য়ে অহা ২৭ ফেব্ৰুৱাৰীত ইমৰান চৰকাৰৰ বিৰুদ্ধে কৰাচীৰ পৰা ইছলামাবাদলৈকে 'লং মাৰ্চ' কাৰ্যসূচী গ্ৰহণ কৰিব। কৰাচীৰ পৰা ইছলামাবাদলৈ ৰাওণা হ'বলগীয়া এই দীঘলীয়া প্ৰতিবাদী সমদলৰ সন্দৰ্ভত পি পি পিৰ মুৰব্বী বিলাবল ভুট্টোৱে আজি ইমৰান চৰকাৰক কঠোৰ সকীয়নি দিলে। বিলাবলে কয় যে অহা ২৭ ফেব্ৰুৱাৰীত তেওঁলোকে কৰাচীৰ পৰা যাত্ৰা আৰম্ভ কৰিব আৰু ইছলামাবাদত উপস্থিত



হোৱাৰ পাছত চৰকাৰৰ বাবে বিৰোধীৰ বিক্ষোভ নিয়ন্ত্ৰণ কৰাটো বাস্তৱত কঠিন হ'ব। পেছোৱাৰত দলৰ এক সন্মিলনত অংশ লৈ বিলাবলে হুংকাৰ দি কয় যে অহা ২৭ ফেব্ৰুৱাৰীত পি পি পিয়ে যি 'লং মাৰ্চ'ৰ আয়োজন কৰিছে, ইয়াৰ জৰিয়তে ইছলামাবাদত ভ্ৰষ্টাচাৰী আৰু অক্ষম চৰকাৰখনক ক্ষমতাচ্যুত কৰা হ'ব। ২৭ ফেব্ৰুৱাৰীত আৰম্ভ হ'বলগীয়া পি পি পিৰ 'লং মাৰ্চ' সিন্ধ আৰু পঞ্জাৱৰ ৩৪ খন চহৰেদি অগ্ৰসৰ হৈ ১০ দিন পাছত ইছলামাবাদত উপস্থিত হ'ব। ইছলামাবাদত উপস্থিত হোৱাৰ পাছত বিৰোধী দলৰ নেতা-সমৰ্থকে ইমৰান চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিব।

## প্ৰচাৰত শিথিলতা ঃ ৰেলী, জনসভাত ৫০ শতাংশতকৈ অধিক লোকে ল'ব পাৰিব অংশ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰৰ ক্ষেত্ৰত বৃহৎ সকাহ দিলে নিৰ্বাচন আয়োগে। নিৰ্বাচনী ৰেলী আৰু জনসভাত ৫০ শতাংশ লোকে অংশ ল'ব পাৰিব বুলি পূৰ্বে আৰোপ কৰা বিধি প্ৰত্যাহাৰ কৰিলে আয়োগে। এতিয়াৰে পৰা নিৰ্বাচনৰ প্ৰচাৰৰ ক্ষেত্ৰত বৈঠক, ৰেলী, ৰোড শ্ব' আদিত ৫০ শতাংশতকৈ অধিক সংখ্যক লোকে অংশ ল'ব পাৰিব। আয়োগে দেশত কৰ'নাৰ সংক্ৰমণ হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি মণিপুৰ আৰু উত্তৰ প্ৰদেশৰ নিৰ্বাচনৰ প্ৰচাৰৰ ক্ষেত্ৰত এই নতুন সিদ্ধান্ত গ্ৰহণ কৰিলে। যোৱা ছয় ফেব্ৰুৱাৰীত আয়োগে কক্ষৰ ভিতৰত হোৱা বৈঠক আৰু ৰেলীৰ ক্ষেত্ৰত ৫০ আৰু ৩০




শতাংশ লোকৰ অংশগ্ৰহণৰ অনুমতি দিছিল। কালি আয়োগে নতুন নিৰ্দেশনা জাৰি কৰি কয় যে এতিয়াৰে পৰা মণিপুৰ আৰু উত্তৰ প্ৰদেশৰ নিৰ্বাচনৰ প্ৰচাৰত ৫০ শতাংশতকৈ অধিক লোকে ৰেলী আৰু জনসভাত অংশ ল'ব পাৰিব।

## এইবাৰ 'স্বৰ্ণ ভাৰত' নিৰ্মাণ কৰিব তেলেংগানাৰ মুখ্যমন্ত্ৰী চন্দ্ৰশেখৰে


**নিউজ ব্যুৰ', বাংগালুৰু, ২৩ ফেব্ৰুৱাৰী ঃ** তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে বিকাশৰ দিশত অগ্ৰসৰ হোৱা বংগাৰু তেলেংগানাৰ আৰ্হিত 'বংগাৰু ভাৰত' (স্বৰ্ণ ভাৰত) নিৰ্মাণ কৰিব বিচাৰে। ৰাৱৰ মতে, আগন্তুক দিনসমূহত তেলেংগানাই ৰাষ্ট্ৰীয় ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকাত অৱতীৰ্ণ হ'ব। তেলেংগানাই বিকাশৰ ক্ষেত্ৰত এক অনুকৰণীয় আৰ্হিত পৰিণত হ'ব বুলি দাবী কৰি ৰাৱে লগত কয় যে ভাৰত যুক্তৰাষ্ট্ৰৰ আমেৰিকা আৰু অন্যান্য দেশতকৈ আগন্তুক



সময়ত অধিক বিকশিত হ'ব। তেলেংগানাৰ মুখ্যমন্ত্ৰীজনে কয়, 'আমি বংগাৰু তেলেংগানা নিৰ্মাণ কৰিছো। এতিয়া আমি ইয়াক 'বংগাৰু ভাৰত দেশম'লৈ পৰিৱৰ্তিত কৰি দেশৰ স্থিতিক উন্নত কৰিব বিচাৰো। তেলেংগানাই আগন্তুক সময়ত 'বংগাৰু ভাৰত' (স্বৰ্ণ ভাৰত) নিৰ্মাণ কৰিব। আমি দেশৰ বাবে সংগ্ৰাম কৰাটো জৰুৰী। আমি ৰাষ্ট্ৰীয় ৰাজনীতিলৈ যাম নে, আমি দিল্লীত সংগ্ৰাম কৰিম নে? যিদৰে আমি তেলেংগানাৰ বিকাশ কৰিলো, একেদৰে আমি দেশক বিকশিত কৰা জৰুৰী। আমি সংযুক্ত ৰাষ্ট্ৰ আমেৰিকাতকৈ উন্নত দেশৰ বিকাশ কৰিব লাগিব।'

## অন্তৰৰ কথা শুনক বিশ্বৰ নেতাই, ইউক্ৰেইন সন্দৰ্ভত আহ্বান পোপৰ

**নিউজ ব্যুৰ', ভেটিকান চিটি, ২৩ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সৃষ্টি হোৱা সংকট সমাধানৰ বাবে আগবাঢ়ি আহিল খ্ৰীষ্টধৰ্মগুৰু পোপ ফ্ৰান্সিছ। আজি খ্ৰীষ্টীয় ধৰ্মগুৰুজনে বিশ্বৰ সকলো ৰাষ্ট্ৰনেতাক নিজৰ অন্তৰৰ কথা শুনিবলৈ আহ্বান জনায়। পোপে কয় যে ইউক্ৰেইনক যুদ্ধৰ ভাবুকি দিয়াত তেওঁ অন্তৰত যথেষ্ট বেদনা অনুভৱ কৰিছে। ফ্ৰান্সিছে বিশ্বৰ সকলো ৰাষ্ট্ৰনেতাক নিজৰ কৰ্মৰ বাবে ঈশ্বৰৰ সন্মুখত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈকো আহ্বান জনায়। পোপ ফ্ৰান্সিছে কয় যে মানুহৰ বাবে বেদনা সৃষ্টি কৰিব পৰা যিকোনো পদক্ষেপ গ্ৰহণৰ পৰা বিশ্বৰ সকলো ৰাষ্ট্ৰনেতা আঁতৰি থকা উচিত। অহা দুই



মাৰ্চত বিশ্বশান্তিৰ বাবে আন্তঃৰাষ্ট্ৰীয় প্ৰাৰ্থনা দিৱস পালন কৰা হ'ব বুলিও পোপে ঘোষণা কৰিছে।

## বিজেপি সাংসদৰ দাবী ঃ আইন প্ৰৱৰ্তনৰে দেশত নিষিদ্ধ কৰক হিজাব

**নিউজ ব্যুৰ' উন্নাব, ২৩ ফেব্ৰুৱাৰী ঃ** কৰ্ণাটৰ শিক্ষানুষ্ঠানত সূত্ৰপাত ঘটা হিজাব বিতৰ্কই উত্তৰ প্ৰদেশসহ দেশৰ আন কে'বাখনো ৰাজ্যক প্ৰভাৱিত কৰিছে। এইবাৰ দেশজুৰি আইন প্ৰৱৰ্তনৰে হিজাব নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰিলে বিজেপিৰ সাংসদ সাক্ষী মহাৰাজে। উত্তৰ প্ৰদেশৰ উন্নাবৰ বিজেপিৰ সাংসদজনে দাবী কৰি কয় যে আইন প্ৰস্তুত কৰি সমগ্ৰ দেশতে হিজাব নিষিদ্ধ কৰা উচিত। মহাৰাজে লগতে অভিযোগ কৰি কয় যে



বিৰোধীয়ে এই বিতৰ্ক উত্তৰ প্ৰদেশৰ নিৰ্বাচনতো সংযোজিত কৰিলে। উন্নাবৰ গদন খেৰা প্ৰাথমিক বিদ্যালয়ত ভোটদানৰ পাছত আজি সাংসদ মহাৰাজে কয়, 'বিপক্ষই হিজাব বিতৰ্কক নিৰ্বাচনৰ স'তে সাঙুৰিলে। কৰ্ণাটকত ইউনিফৰ্মৰ নিয়ম প্ৰৱৰ্তন কৰা হৈছিল, কিন্তু একাংশই ইয়াৰ অমান্য কৰি বিতৰ্ক সৃষ্টি কৰিলে। কিন্তু মই বিশ্বাস কৰো যে এখন আইন বলবৎ কৰি দেশজুৰি হিজাব নিষিদ্ধ কৰাৰ উচিত।' বিজেপিৰ সাংসদজনে লগতে দাবী কৰি কয় যে উন্নাবৰ ছটা বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থীৰ জয় নিশ্চিত। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নেতৃত্বত বিজেপিয়ে ২০১৭ৰ নিজৰ অভিলেখ ভংগ কৰি উত্তৰ প্ৰদেশত পুনৰ চৰকাৰ গঠন কৰিব বুলি মহাৰাজে দাবী কৰে। ।

## ইমৰান-মোদীৰ তৰ্কৰ প্ৰসংগত থাৰুৰৰ টিপ্পনী ঃ ভাৰতীয় টিভিত আজিলৈকে কোনো বিতৰ্কৰ সমাধান নহ'ল

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে আজি ৰাছিয়ালৈ উৰা মৰাৰ পূৰ্বে এটা টিভি চেনেলৰ সাক্ষাৎকাৰত মন্তব্য কৰি কৈছিল যে তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স'তে টেলিভিছনৰ বিতৰ্ক অনুষ্ঠানত অংশ ল'ব বিচাৰে। পাকিস্তান-ভাৰতৰ সমস্যাৰ সমাধানৰ বাবে পাক প্ৰধানমন্ত্ৰীয়ে টেলিভিছনৰ বিতৰ্কত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ স'তে অংশ ল'বলৈ ইচ্ছা ব্যক্ত কৰাৰ প্ৰসংগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে কংগ্ৰেছ সাংসদ শশী থাৰুৰে। তিৰুঅনন্তপুৰমৰ সাংসদজনে টুইট কৰি কয় যে ভাৰতীয় টেলিভিছনৰ ইতিহাসত আজিলৈকে বিতৰ্ক অনুষ্ঠানত কোনো সমস্যাৰ সমাধান হোৱা নাই, বৰঞ্চ সমস্যা অধিক জটিলহে হৈ আহিছে। উক্ত টুইটত



থাৰুৰে এইদৰে কয়, 'যুদ্ধত অৱতীৰ্ণ হোৱাৰ পৰিৱৰ্তে আলোচনা কৰাটো ভাল। কিন্তু ভাৰতীয় টিভিত বিতৰ্কৰ অনুষ্ঠানত কোনো সমস্যাৰ কেতিয়াও সমাধান হোৱা নাই, কেৱল সমস্যা বৃদ্ধিহে পাইছে। আমাৰ একাংশ এংকৰে তৃতীয় বিশ্বযুদ্ধৰ আগমনৰ কথা ঘোষণা কৰিও সুখী হ'ব যদিহে ইয়াৰ জৰিয়তে তেওঁলোকৰ টি আৰ পি বৃদ্ধি পায়।' উল্লেখ্য যে আজি ৰাছিয়ালৈ যোৱাৰ পূৰ্বে সাক্ষাৎকাৰত ইমৰানে প্ৰধানমন্ত্ৰী মোদীৰ কথা উল্লেখ কৰি এইদৰে কৈছিল, 'মই বিচাৰো প্ৰধানমন্ত্ৰী মোদীয়ে মোৰ স'তে টিভিত বিতৰ্ক কৰক। ইয়াৰ জৰিয়তে উভয় দেশৰ সম্পৰ্কৰ সন্দৰ্ভত ভাল চৰ্চা হ'ব আৰু আমি আলোচনাৰ জৰিয়তে বিভিন্ন সমস্যাৰ সমাধান সূত্ৰ উলিয়াব পাৰিম। এনে পদক্ষেপৰে ভাৰত আৰু পাকিস্তানৰ কোটি কোটি লোক উপকৃত হ'ব।'



## দেশত ১৭৬.১৯ কোটি পালি প্ৰতিষেধক প্ৰদান

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** ক'ভিড প্ৰতিৰোধী যুঁজত অৱতীৰ্ণ হৈ ভাৰতে দ্ৰুত টিকাকৰণ অব্যাহত ৰাখিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বুধবাৰলৈকে দেশৰ যোগ্য বয়সৰ নাগৰিকসকলে মুঠ ১৭৬.১৯ কোটি ক'ভিড প্ৰতিষেধক লাভ কৰিলে। যোৱা ২৪ ঘণ্টাত ভাৰতত ৩৪.৮৪ লাখ লোকে টিকা লাভ কৰিলে। দেশত ১,০৪,০০,৯৮৯ স্বাস্থ্য কৰ্মীয়ে প্ৰথম পালি প্ৰতিষেধক আৰু ৯৯,৫৭,৫৬৬ জনে দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণ কৰিলে। আনহাতে, দেশত ১৫-১৮ বছৰ বয়সৰ যুৱক-যুৱতীসকলৰ ৫,৪০,৯৫,৯২৬ জনে বৰ্তমানলৈকে ক'ভিডৰ প্ৰথম পালি প্ৰতিষেধক গ্ৰহণ কৰিলে। একে বয়সৰ ২,৩৮,৭৪,২৮৬ যুৱক-যুৱতীয়ে দ্বিতীয় পালি প্ৰতিষেধক লাভ কৰিলে। আনহাতে, ১৮-৪৪ বছৰ বয়সৰ ৫৫,০৮,৭১,৩৭৩ জনে প্ৰথম পালি আৰু ৪৩,৮৭,০৩,১০৯ জনে দ্বিতীয় পালি প্ৰতিষেধক লাভ কৰিলে।

## 'নীৰৱ ঘাতক' অ'মিক্ৰন, সুস্থ হ'বলৈ লাগে দীৰ্ঘ সময় ঃ মুখ্য ন্যায়াধীশৰ মন্তব্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰী ঃ** দেশৰ মুখ্য ন্যায়াধীশ এম ভি ৰমনাই আজি কয় যে ক'ভিড-১৯ৰ অ'মিক্ৰন প্ৰজাতি হৈছে এনে এক 'নীৰৱ ঘাতক' যি ভাইৰাছৰ সংক্ৰমণৰ পৰা সুস্থ হ'বলৈ দীৰ্ঘ সময়ৰ প্ৰয়োজন হয়। উচ্চতম ন্যায়ালয় বাৰ এছ'চিয়েছনৰ অধ্যক্ষ তথা জ্যেষ্ঠ অধিবক্তা বিকাশ সিঙে আদালতৰ কাম-কাজ পূৰ্বৰ দৰে স্বাভাৱিক কৰি তোলাৰ বাবে জনোৱা এক আবেদনৰ প্ৰসংগত দেশৰ মুখ্য ন্যায়াধীশে এই মন্তব্য প্ৰকাশ কৰে। এই বিষয়ত আলোচনা কৰাৰ সময়ত মুখ্য ন্যায়াধীশে কয় যে আজি ১৫ হেজাৰৰ অধিক লোক কৰ'নাত সংক্ৰমিত হৈছে। তেতিয়া উত্তৰ দি অধিবক্তা সিঙে কয় যে অ'মিক্ৰন হৈছে কম শক্তিশালী ভাইৰাছ। ইয়াৰ প্ৰত্যুত্তৰ দি ৰমনাই কয়, 'প্ৰথমটো ঢৌৰ সময়ত চাৰিদিনতে আক্ৰান্ত সুস্থ হৈছিল। কিন্তু তৃতীয়টো ঢৌৰ সময়ত সুস্থ হ'বলৈ দীৰ্ঘ সময়ৰ প্ৰয়োজন হৈছে। ই নীৰৱ ঘাতক।' মুখ্য ন্যায়াধীশজনে লগতে কয় যে ক'ভিডৰ সংক্ৰমণৰ প্ৰথম ঢৌত তেওঁ আক্ৰান্ত হৈছিল যদিও চাৰিদিনতে সুস্থও হৈছিল, কিন্তু এতিয়া শেহতীয়া ঢৌত সংক্ৰমিত হোৱা ২৫ দিন হ'ল যদিও এতিয়ালৈকে তেওঁ সুস্থ অনুভৱ কৰা নাই।

■ জয়যুক্ত কৰিবলৈ নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰাজনৈতিক দল-নিৰ্দলীয়ৰ

# পৌৰসভা নিৰ্বাচনত দেৰগাঁৱত ১০ৱাৰ্ডত ২৯ প্ৰাৰ্থী

**দেৰগাঁও ২৩ ফেব্ৰুৱাৰী ঃ** সমাগত পৌৰসভা নিৰ্বাচনৰ বাবে দেৰগাঁৱত ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। বিজেপি, অগপ, কংগ্ৰেছ, ৰাইজৰ দল আদিয়ে প্ৰাৰ্থী থিয় কৰোৱাৰ উপৰি এই নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থীসহ ১০ টা ৱাৰ্ডত সৰ্বমুঠ ২৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদন্দিতাত নামিছে। সকলো প্ৰাৰ্থীয়ে নিজ নিজ ৱাৰ্ডৰ সমস্যাসমূহ সমাধানৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচনী প্ৰচাৰত নামিছে যদিও সচেতন ভোটাৰসকল প্ৰাৰ্থীৰ আশ্বাসত আশ্বস্ত হ'ব পৰা নাই। এইবাৰ পৌৰ নিৰ্বাচত সকলো পাৰ্থী সম্পূৰ্ণ নতুন মুখৰ গতিকে নতুন প্ৰাৰ্থী তৎস্বত্বেও নিজ পচন্দ অনুসৰি ভোটদাতাসকলৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিবলৈ ৰাইজ সাজু হৈছে। উল্লেখ্য যে দেৰগাঁও পৌৰসভাৰ নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থীত্ব বিচাৰি বিফল হোৱা কে'বাগৰাকীয়ো প্ৰাৰ্থীয়ে নিৰ্দলীয়ৰূপত অৱতীৰ্ণ হৈছে। প্ৰাৰ্থীত্ব কেন্দ্ৰীক সংঘাতে একাংশ ৱাৰ্ডৰ নিৰ্বাচনত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। শাসকীয় মিত্ৰজোটৰ বেলিকা এই সংঘাতে দেখা দিলেও বিৰোধী শিবিৰতো কিন্তু শক্তিশালী প্ৰাৰ্থীৰ অভাৱ। এনে পৰিপেক্ষিতত গৰিষ্ঠ সংখ্যক আসন শাসকীয় পক্ষৰ হাতলৈ যোৱাৰ সম্ভাবনাই অধিক দিছে। স্মতব্য যে যোৱা কাৰ্যকালত পৌৰসভাখন বিজেপিৰ দখলত আছিল। পৌৰপতি অৰুণাভ কলিতা নেতৃত্বাধীন পৌৰসভাৰ ভিতৰ চ'ৰাত যোৱা কাৰ্যকালত যথেষ্ট অনিয়ম, কেলেংকাৰী হোৱাৰ অভিযোগ চৰ্চা হৈ আছে। তাৰোপৰি নগৰৰ ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানত পৌৰসভাখন মুঠেই সফল নহ'ল। নগৰৰ মাজমজিয়াত এটা ৰাজহুৱা প্ৰস্ৰাবগাৰ। শৌচাগাৰ নথকাত সদাব্যস্ত নগৰখনত ৰাইজ চৰম দুৰ্গতিৰ সন্মুখীন হয়। এই ক্ষেত্ৰত ৰাইজৰ দাবী কাৰ্যকৰী কৰিব নোৱাৰিলে পৌৰসভাৰ প্ৰতিনিধিসকলে। ইপিনে, ত্ৰূটিপূৰ্ণ নৰ্দমা আৰু জধে-মধে নিৰ্মাণকাৰ্যৰ বাবে কৃত্ৰিম বানৰ সমস্যাই জ্বলা-কলা খুওৱা নগৰীয়া ৰাইজৰ কৃত্ৰিম বান সমস্যাই যোৱা কাৰ্যকালত অধিক ভয়াবহ ৰূপলোৱা সময়তো পৌৰসভাখনে ধৃতৰাষ্ট্ৰৰ ভূমিকাহে পালন। নগৰৰ ষ্ট্ৰীট লাইট নজলা সমস্যা সমাধান ন'হল। দীৰ্ঘদিন পূৰ্বে অগ্ৰিম ধন জমালৈও নিবনুৱাক পৌৰসভাৰ আৱন্টিত দোকান ঘৰসমূহ গতাই দিয়াত পৌৰসভাখন ব্যৰ্থ হ'ল। পৌৰসভা ভৱনৰ কাষত বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ স্থাপন, ষ্টেটবেংকৰ বাজাৰ শাখাৰ বাবে গৃহ গতাই দিয়া আদি কামসমূহ সমাধা হৈ নুঠিল। নগৰখন নিয়মিত পৰিস্কাৰ-পৰিচন্নকৈ ৰখাতো গত পৌৰসভাখন ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। ইপিনে, নগৰত অন্তৰ্ভুক্ত কৰা গাঁৱৰ বাসিন্দাসকলৰ পৰা নগৰৰ নিৰ্ধাৰিত কৰ লৈ প্ৰয়োজনীয় সুবিধা প্ৰদান নকৰা, পথৰ মেৰামতি নকৰা আদি অভিযোগবোৰ আছেই। এনে পৰিপেক্ষিতত ৰাইজে নগৰৰ জলন্ত সমস্যাসমূহ সমাধান কৰিব পৰা, নগৰখনক সৰ্বাংগসুন্দৰৰূপ দিব পৰা, উন্নয়নৰ বাবে আৱন্টিত চৰকাৰী ধনৰ কমিছন নাখাই নিঃস্বাৰ্থ ভাৱে ৰাইজৰ কাম কৰা, দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়া সৰ্বদলীয় দক্ষ আৰু যোগ্য প্ৰতিনিধিৰ দ্বাৰা পৌৰসভাৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন হোৱাটো কামণা কৰিছে।



*মঙলদৈৰ পৌৰসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ, বুধবাৰে।*

# জালিয়াতিৰে আঢ়ৈ লক্ষাধিক টকা আত্মসাৎ

■ বিভাগৰ কনিষ্ঠ সহায়কৰ বিৰুদ্ধে গোচৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া ২৩ ফেব্ৰুৱাৰী ঃ** জালিয়াতিৰে আঢ়ৈ লক্ষাধিক টকা আত্মসাৎ কৰাৰ বাবেই গোৱালপাৰা খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কণিষ্ঠ সহায়কৰ বিৰুদ্ধে থানাত গোচৰ ৰুজু হৈছে। উত্থাপিত অভিযোগ অনুসৰি গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কনিষ্ঠ সহায়ক চন্দনা দাসে প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনাৰ প্ৰায় দুই লাখ ৬০ হেজাৰ টকা জালিয়াতিৰে আত্মসাৎ কৰিছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনাৰ অধীনত যোগান ধৰা চাউলৰ ২০২০ৰ এপ্ৰিলৰ পৰা নৱেম্বৰলৈকে সমবায় সমিতিৰ সুলভ মূল্যৰ দোকানীসকলে পাবলগীয়া কমিছনৰ ধন বিগত ২০২১ৰ আগষ্টত মোকলাই দিয়ে। সেইমতে বিল প্ৰস্তুত কৰি দোকানীসকলৰ বেংক একাউণ্টত জমা কৰা হয়; কিন্তু তেওঁ জিলাখনৰ ছখন সমবায় সমিতিৰ অধীনস্থ দোকানীসকলে পাবলগীয়া বিলৰ ধন কৰ্তন কৰি অইন দোকানীৰ বেংক একাউণ্টত বেছিকৈ জমা কৰা দেখুৱাই প্ৰায় দুই লাখ ৬০ হেজাৰ টকা আত্মসাৎ কৰে। এই দুৰ্নীতিৰ তথ্য পোহৰলৈ অহাত জিলা উপায়ুক্তৰ নিৰ্দেশমৰ্মে গোৱালপাৰা খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীক্ষক বীৰেন চন্দ্ৰ দাসে যোৱা ১৯ ফেব্ৰুৱাৰীত কনিষ্ঠ সহায়ক দাসৰ বিৰুদ্ধে গোৱালপাৰা সদৰ থানাত এখন এজাহাৰ দাখিল কৰে। সেই মৰ্মে আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৪০৯/৪২০/৪৭৭ (এ) ধাৰাত ৪৩/২০২২ নম্বৰত গোচৰটো পঞ্জীয়ন কৰিছে; ইপিনে, খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীক্ষক আৰু পৰিদৰ্শকৰ অজ্ঞাতে কণিষ্ঠ সহায়ক এগৰাকীয়ে কেনেকৈ দুই লাখ ৬০ হেজাৰ টকা আত্মসাৎ কৰিব পাৰিলে তাক লৈও প্ৰশ্ন উত্থাপিত হৈছে।

# পাঁচ মাহ পাছতো বিভাগৰ দ্বাৰা উপেক্ষিত দুৰ্ঘটনাত নিহত জোৱানৰ পৰিয়াল

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** স্বামীৰ মৃত্যুৰ পাঁচমাহ পাছতো বিভাগীয় কাৰ্যালয়ৰ হেমাহিৰ বাবে ন্যূনতম সা- সুবিধাৰ পৰা বঞ্চিত হৈ আছে এটা আৰক্ষী জোৱানৰ পৰিয়াল। পাঁচমাহ পূৰ্বে আৰক্ষী জোৱান উৎপল কলিতা (২৫)ৰ মটৰ চাইকেল দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছিল। পাঠশালাৰ পৰা নিজ ঘৰ চৰাইমাৰীলৈ মটৰ চাইকেলেৰে আহি থাকোতে দুৰ্ঘটনাত পতিত হৈছিল। চাৰিদিন চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ সময়তে অকাল মৃত্যক সাৱটি লয় কলিতাই। কলিতা আছিল বাগ্‌সাৰ চৰাইমাৰীস্থিত ২৪ নম্বৰ আই আৰ বেটেলিয়নৰ আৰক্ষী জোৱান। মৃত্যুৰ সময়ত তেওঁ এৰি যায় এগৰাকী ভগ্নী, এটি কণমানি সন্তানৰ লগতে পত্নী আৰু বিধৱা মাতৃক। উল্লেখ্য যে উৎপলৰ পিতৃও আছিল একেটা বেটেলিয়নৰ আৰক্ষী জোৱান। পিতৃৰ মৃত্যুৰ পাছত উৎপল আছিল পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী। একমাত্ৰ উপাৰ্জনকাৰী লোকজনৰ মৃত্যু হোৱাত পৰিয়াল চলোৱাত সমস্যাৰ সৃষ্টি হৈছে। লক্ষ্যণীয় যে কালি উৎপলৰ মৃত্যু হোৱাৰ পাঁচটা মাহ উকলি যোৱাৰ পাছতো পেঞ্চনৰ কাম-কাজকে ধৰি বিভাগীয়ভাৱে হ'বলগীয়া যাৱতীয় একো কাম নোহোৱাত অসুবিধাৰ সন্মুখীন হৈছে পৰিয়ালটো। পত্নী অপৰাজিতা কলিতা আৰু মাতৃৰ লগতে আত্মীয়ই আৰক্ষী জোৱানজনৰ মৃত্যুৰ পাছত কৰিবলগীয়া বিভাগীয় কাম-কাজখিনি সম্পূৰ্ণ কৰাৰ বাবে দাবী জনোৱাৰ লগতে পৰিয়ালটোৰ এজনক এটা চাকৰিৰ ব্যৱস্থা কৰি দিবলৈ অনুৰোধ জনায়। বাগ্‌সাৰ মুছলপুৰ আৰক্ষী থানাৰ চৰাইমাৰীৰ বাসিন্দা আছিল উৎপল। আজিও তেওঁৰ ঘৰখনত এক নিমাওমাও পৰিৱেশ। মাতৃ-পত্নীৰ চকুত চকুপানী। অতি শীঘ্ৰে উৎপলৰ পেঞ্চনৰ বিভাগীয় কাম-কাজখিনি হয় তেন্তে পৰিয়ালটোৰে আৰ্থিকভাৱে চলাৰ বাবে সুবিধা হ'লহেঁতেন। সমগ্ৰ বিষয়টো সন্দৰ্ভত উৎপলৰ মাতৃ মাকনি কলিতাই কয়, 'মই বহু কষ্ট কৰি ল'ৰাটোক ডাঙৰ কৰি আৰক্ষী বাহিনীত এটা চাকৰি যোগাৰ কৰি দিছিলো। সি চাকৰি পোৱাৰ পাছতে আমাৰ ঘৰখনলৈ আনন্দ বতৰা আহিছিল; কিন্তু ভগৱানে ল'ৰাটোক অকালতে লৈ গ'ল। এতিয়া পুৰুষ অবিহনে একমাত্ৰ বোৱাৰী আৰু নাতিনীজনী কিদৰে চলিব তাক লৈ বহু চিন্তা। বিভাগীয় কৰ্তৃপক্ষই আমাৰ পৰিয়ালটোলৈ সুদৃষ্টি দিলে আমি উপকৃত হ'ম।' পত্নী অপৰাজিতায়ো কয়, 'আমাক এটা চৰকাৰী চাকৰি দি পৰিয়ালটোক ৰক্ষা কৰক। মৃত্যুৰ পাছৰ কামখিনি সোনকালে বিভাগীয় কৰ্তৃপক্ষই কৰি দিয়ক।' ইফালে, সমগ্ৰ বিষয়টো কালি চৰাইমাৰীস্থ আই আৰ বেটেলিয়নৰ কমাণ্ডেণ্টক দুৰ্ভগীয়া পৰিয়ালটোৰে অৱগত কৰি ক্ষিপ্ৰ ব্যৱস্থা ল'বলৈ দাবী জনায়। কমাণ্ডেণ্টজনে সমগ্ৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ পৰিয়ালটোৱে পাব লগা সকলো বয়বস্তু সোনকালে কৰাই দিব বুলি আশ্বাস দিয়ে।



# বিদ্যালয় পৰিচালনা সমিতিৰ অনা-আৱাসিক প্ৰশিক্ষণ আৰম্ভ

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২৩ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ অধীনস্থ নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহৰ পৰিচালনাৰ স'তে জড়িত ছয়গৰাকীকৈ লোকক প্ৰশিক্ষণ দিছে সমগ্ৰ শিক্ষা অভিযানে। এই প্ৰশিক্ষণ যোৰহাট জিলাটো আৰম্ভ হৈছে। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ স'তে জড়িতসকলৰ দায়িত্ব-কৰ্তব্য চৰকাৰে বিদ্যালয় আৰু অধ্যয়নৰত শিক্ষাৰ্থীলৈ আগবঢ়াই থকা সা-সুবিধা, প্ৰধানমন্ত্ৰী পোষণ শক্তি নথি-পত্ৰ, আয়-ব্যয়ৰ হিচাপ সংৰক্ষণ, বৰ্ষ একোটাত ৰূপায়ন কৰা কাৰ্যাৱলীৰ আলোকচিত্ৰসহ সংৰক্ষণ আদিৰ সম্পৰ্কত প্ৰশিক্ষণ দিয়া হৈছে। যোৰহাটৰ উত্তৰ-পশ্চিম যোৰহাট শিক্ষা খণ্ডৰ অঞ্চলভুক্ত ২১টা মণ্ডলৰ প্ৰশিক্ষণ যোৱা ২২ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছে। সৰুচৰাই মণ্ডল সমল কেন্দ্ৰৰ প্ৰশিক্ষণ ভাতেমৰা গীতাৰ্থী প্ৰাথমিক বিদ্যালয়ত আৰম্ভ কৰে পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই। সমন্বয়ক যাদৱ কাকতিয়ে আঁতধৰা, প্ৰদীপ নেওগ, ৰাজীৱ গায়নে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰা প্ৰশিক্ষণত নিম্ন-উচ্চ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান, সভাপতি, তিনিগৰাকীকৈ অভিভাৱক, পঞ্চায়তৰ গোট সদস্যসকলে অংশগ্ৰহণ কৰে।

# পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ-বঁটা বিতৰণী সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৩ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ যোৱা ১৯ ফেব্ৰুৱাৰীত বঁটা বিতৰণী সভাৰে সামৰণি পৰে। তদুপলক্ষে আবেলি মহাবিদ্যালয় প্ৰাংগণত ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাতুল চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বৰভাগ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° বিপুল কলিতাই কয় যে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ উপৰিও অন্য বহুত কামে কৰিবলগীয়া আছে। কিতাপৰ পাতত থকা বিদ্যাৰে আমি চলিলে নহ'ব। ক্ৰীড়া, সাংস্কৃতিক আৰু সমাজসেৱা আমাৰ বিদ্যাৰ অন্যতম অংগ। তেওঁ কয় যে আমাৰ কাৰ্যসূচীত বৃক্ষৰোপণ কাৰ্যসূচী থাকে। কিন্তু বৃক্ষৰোপণৰ ৰোপণ কৰা কিমানটা গছপুলি বৃক্ষলৈ ৰূপান্তৰিত হয় সেইটো মন কৰিবলগীয়া বিষয়। সভাত কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি শিশুৰাম শইকীয়া আৰু মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক কীৰ্তিকমল ডেকাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ দিয়ে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি কিশোৰ কুমাৰ গোস্বামীয়ে। ছাত্ৰ সংসদৰ তত্ত্বাৱধায়ক ড° পাচান আলি আৰু আৰবী বিভাগৰ মুৰব্বী অধ্যাপক খাইৰুজ জামানে আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ সংসদৰ সম্পাদিকা ৰিজুৱানা চুলতানাই। ইয়াৰ পাছতে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন খেল-ধেমালি আৰু সাহিত্য-সংস্কৃতিত পাৰদৰ্শিতা দেখুৱাই বঁটাপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বঁটা বিতৰণ কৰে। সভাৰ আগতে প্ৰাচীৰ পত্ৰিকা ন-সতীৰ্থ উন্মোচন কৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণীচৰণ কলিতাই। সভাৰ অন্তত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে সাংবাদিক নৰেন শৰ্মাই। সাংস্কৃতিক অনুষ্ঠানত উদীয়মান কণ্ঠশিল্পী গীতাৰ্থ আৰু মনালিছাই গীত-মাত পৰিবেশন কৰে। উল্লেখ্য যে যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হৈছিল এই মহাবিদ্যালয় সপ্তাহ।

# কালুগাঁৱত বৰটোকোলা উদ্ধাৰ

বিশেষ সংবাদদাতা,

**শিৱসাগৰ, ২৩ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ কালুগাঁও অঞ্চলৰ পৰা কালি শিৱসাগৰ বন বিভাগে এটা আঘাতপ্ৰাপ্ত বৰটোকোলা উদ্ধাৰ কৰে। কালুগাঁৱৰ দুৰৱাচুক অঞ্চলত বৰটোকোলাটো পথাৰত চৰি থকা অৱস্থাত কেইটামান বান্দৰে আক্ৰমণ কৰাত বৰটোকোলাটো আঘাটপ্ৰাপ্ত হয় বুলি বন বিভাগৰ সূত্ৰই উল্লেখ কৰিছে। স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত বনবিভাগৰ এটা দলে উক্ত অঞ্চলত উপস্থিত হৈ বৰটোকোলাটো উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰে। বৰ্তমান সুস্থ হৈ উঠা বৰটোকোলাটো পানীদিহিং পক্ষী অভয়াৰণ্যত মুকলি কৰি দিব।

# টেঙাখাত মহাবিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৩ ফেব্ৰুৱাৰী ঃ** টেঙাখাত মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত পৰহি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। টেঙাখাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিৰণ হাজৰিকাই বন্তি প্ৰজ্বলন কৰি এই দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰে। এই উপলক্ষে মহাবিদ্যালয়ৰ অধ্যাপিকা ড° সোণালী চেতিয়াই আঁত ধৰা সভাত অধ্যক্ষ ড° হাজৰিকাই আদৰণি ভাষণ প্ৰদান কৰে। মাতৃভাষাই পৃথিৱীৰ একোটা জাতিৰ পৰিচয়ৰ প্ৰধান বাহক বুলি উল্লেখ কৰে। অনুষ্ঠানটোৰ মুখ্য বক্তাৰূপে অংশগ্ৰহণ কৰি টেঙাখাতৰ বিশিষ্ট সাহিত্যিক তথা সাহিত্যিক পেঞ্চনাৰ গুণেশ্বৰ সোণোৱালে আন্তৰ্জাতিক মাতৃভাষা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত অধ্যাপক মনোজ ফুকনেও বক্তব্য আগবঢ়ায়।

# মধ্য যোৰহাটত মুখ্যমন্ত্ৰী সাহায্য পুঁজি বিতৰণ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৩ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাই কালি কাকজান কৃষ্টি কেন্দ্ৰত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী সাহায্য পুঁজি বিতৰণ কৰে। সমষ্টিটোৰ ৯৭ গৰাকী ৰোগীক ২৫ হেজাৰকৈ প্ৰদান কৰাৰ লগতে দুজন যুৱকক ৫০ হেজাৰকৈ এককালীন সাহায্য পুঁজি বিতৰণ কৰে। টীয়ক বিধান পৰিষদৰ সভাপতি বিকাশ শইকীয়াই আঁত ধৰা অনুষ্ঠানত গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সদস্য পৰেশ বৰা, প্ৰশান্ত বৰাৰ লগতে গণ পৰিষদৰ যোৰহাট জিলা সমিতিৰ সভাপতি দ্বীপেন বুঢ়াগোহাঁই, বিজেপিৰ যোৰহাট জিলা সমিতিৰ সাধাৰণ সম্পাদক অমল শইকীয়াৰ আৰু চিপাহীখোলা মণ্ডলৰ উপ-সভাপতি হৰেকৃষ্ণ দত্ত উপস্থিত থাকে।

# ৰাষ্ট্ৰপতিৰ কাজিৰঙা ভ্ৰমণ উপলক্ষে দুদিন পৰ্যটকৰ বাবে বন্ধ থাকিব উদ্যানৰ একাংশ

অগ্ৰদূত বাৰ্তা

**বোকাখাত , ২৩ ফেব্ৰুৱাৰী ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিবলৈ আহিব ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দ। এই লৈ জিলা প্ৰশাসনৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই যুদ্ধকালীনভাৱে প্ৰস্তুতি অহা ২৬, ২৭ত প্ৰস্তাৱিত ৰাষ্ট্ৰপতি ভ্ৰমণৰ বাবে বাটপথ, হেলিপেডৰ ঠাই আদি বিভিন্ন উন্নয়ন কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহৰা আৰু বাগৰি বনাঞ্চলত পৰ্যটকৰ বাবে হাতীছাফাৰী, জীপছাফাৰী দুদিন ২৬, ২৭ ফেব্ৰুৱাৰীত বন্ধ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ডি এফ অ' ৰমেশ গগৈয়ে কালি জাননী জাৰি কৰিছে। অৱশ্যে বুঢ়াপাহাৰ, অগৰাতলী বনাঞ্চলৰ জীপ ছাফাৰী খোলা থাকিব। উল্লেখ্য যে ১৯৮১ত ৰাষ্ট্ৰপতি নীলম সঞ্জীৱ ৰেড্ডীয়ে কাজিৰঙাত নৈশযাপন কৰিছিল।

# বিশিষ্ট শিক্ষাবিদ, সমাজ সংগঠক পূৰ্ণ চন্দ্ৰ বেজবৰুৱাৰ শ্ৰদ্ধাঞ্জলি-স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৩ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ হাতীচোং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চকলাঘাট শাখা সাহিত্য সভা, হাতীচোং শংকৰদেৱ শিশু বিদ্যা নিকেতন, শংকৰদেৱ চিত্ৰকলা বিদ্যালয়, সোণাইপৰীয়া কবি সন্মিলনৰ সন্মিলিত সহযোগত অলপতে বিশিষ্ট শিক্ষাবিদ, সমাজ সংগঠক সদ্য প্ৰয়াত পূৰ্ণ চন্দ্ৰ বেজবৰুৱাৰ পূব হাতীচোঙৰ ব্ৰাহ্মণগাঁওস্থিত বাসগৃহ (বেজবৰুৱা কুটীৰ)ত এক শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে পূৰ্ণ চন্দ্ৰ বেজবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰবীণ নাট্যকাৰ-পৰিচালক, অৱসৰপ্ৰাপ্ত শিক্ষক নেত্ৰকমল বৰঠাকুৰে আৰু মাল্যাৰ্পণ তথা পুষ্পাঞ্জলি অৰ্পণ কৰে নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি ঠগিত চন্দ্ৰ মহন্ত, সমাজকৰ্মী প্ৰবীণ শৰ্মা আৰু শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই। ইয়াৰ পাছতে অসম আন্দোলনৰ অগ্ৰণী নেতা, বিশিষ্ট সমাজকৰ্মী দেৱ কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আবুল খায়েৰ আহমেদ, নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰী শংকৰ শইকীয়া, উপ-সভাপতি পংকজ বৰা, নগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি অভিজিৎ দাস, প্ৰাক্তন সাধাৰণ সম্পাদক পৱিত্ৰপ্ৰাণ শৰ্মা, সংস্কৃত গীতৰ বিশিষ্ট শিল্পী ৰঞ্জন বেজবৰুৱা, শংকৰদেৱৰ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য তৰুলতা বৰা হাজৰিকা, সোণাইপৰীয়া কবি সন্মিলনৰ সম্পাদক সঞ্জীৱ সাগৰ চৌধুৰী, হাতীচোং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত বৰা, সাধাৰণ সম্পাদক নীৰৱজ্যোতি ডেকাৰ লগতে সতীৰ্থবৃন্দ আৰু বহু গুণমুগ্ধ তথা প্ৰয়াত পূৰ্ণ বেজবৰুৱাৰ আত্মীয়-কুটুম্ব উপস্থিত থাকি শ্ৰদ্ধাৰে স্মৰণ কৰে। সামগ্ৰিকভাৱে অনুষ্ঠানটো আঁত ধৰি আগবঢ়াই নিয়া সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক নিপন শৰ্মাই। স্মৃতিচাৰণ সভাতেই প্ৰতি বছৰে হাতীচোং আঞ্চলিক ছাত্ৰ সন্থাই পৰিয়ালবৰ্গৰ লগত আলোচনাৰ মাধ্যমেৰে সকলো অনুষ্ঠানক লগত লৈ প্ৰয়াত পূৰ্ণ চন্দ্ৰ বেজবৰুৱাৰ স্মৃতিত এটা বঁটা প্ৰদান আৰু তেওঁৰ সামাজিক ব্যক্তিত্য, জীৱন দৰ্শন শীৰ্ষক এখন গ্ৰন্থ প্ৰকাশ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# মিলনবাজাৰ ভিচিডিচিত নখনকৈ এমজি এনৰেগা আঁচনিৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৩ ফেব্ৰুৱাৰী ঃ** বিটিচিৰ দোতমা পৰিষদীয় সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ জ্যোতিৰ ইন্দ্ৰ ব্ৰহ্মই পৰহি বিটিচিৰ দোতমা পৰিষদীয় সমষ্টিৰ মিলনবাজাৰ ভিচিডিচিৰ অন্তৰ্গত নখনকৈ এমজি এনৰেগা ২০০৫ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ সুৰক্ষা আইনৰ অধীনত ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া নখন আঁচনিৰ আধাৰশিলা স্থাপন কৰি ব্ৰহ্মই কয় যে বিটিচিত প্ৰমোদ বড়োৰ নেতৃত্বত চৰকাৰৰ বহু কাম হৈ আছে আৰু অনাগত দিনতো বহু কাম হ'ব। উক্ত অনুষ্ঠানত উপস্থিত থাকে মিলনবাজাৰ ভিচিডিচিৰ অধ্যক্ষ আমিনুৰ জামান, উপাধ্যক্ষ বৰুণজ্যোতি ৰয়ৰ লগতে ইউপিপিএল, বিজেপিৰ কৰ্মীসকল।

# বঙাইগাঁও পৌৰসভাৰ এশ কোটি টকা ব্যয়ৰ হিচাপ দাবী

■ বঙাইগাঁৱত পৌৰ নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ সাংসদ আব্দুল খালেক

অগ্ৰদূত ব্যুৰ

**বঙাইগাঁও, ২৩ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও পৌৰসভা অঞ্চলৰ ২৫টা ৱাৰ্ডৰ ভিতৰত ২৪টা ৱাৰ্ডত ক্ৰমাৎ বৃদ্ধি পাইছে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ অভিযান । কালি বঙাইগাঁও চহৰৰ পৌৰসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থীৰ সমৰ্থনত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেকে নিৰ্বাচনী প্ৰচাৰ চলায়। বঙাইগাঁও পৌৰসভাৰ নিৰ্বাচনী প্ৰচাৰ চলোৱা অহা সাংসদ খালেকে প্ৰথমতে কংগ্ৰেছ দলৰ বঙাইগাঁও জিলা সমিতিৰ কাৰ্যালয় ৰাজীৱ ভৱনত উপস্থিত হৈ বঙাইগাঁও পৌৰসভাৰ ২৫টা ৱাৰ্ডৰ ১৯টা ৱাৰ্ডত পৌৰসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আহবঢ়োৱা দলটোৰ প্ৰাৰ্থীসকলৰ স'তে মত বিনিময় কৰি তেওঁলোকক সাহসেৰে নিৰ্বাচনী যুঁজ চলাবৰ বাবে উৎসাহিত কৰে। পাছত জিলা কংগ্ৰেছৰ সভাপতি মৃণাল অধিকাৰীসহ জিলা পৰ্যায়ৰ নেতাসকলৰ স'তে পৌৰসভাৰ নিৰ্বাচনী কণ কৌশল সন্দৰ্ভত আলোচনাত মিলিত হয়। সাংসদ খালেকে সাংসদত স্বদেশ দৰ্শণ আঁচনিখন বঙাইগাঁও চহৰৰ ঐতিহ্যমণ্ডিত বাধেশ্বৰী মন্দিৰটো পৰ্যটন বিকাশৰ বাবে ৰূপায়ণ কৰিবলৈ দাবী জনোৱাৰ কথা উল্লেখ কৰি এই আঁচনি ৰূপায়ন হ'লে পৰ্যটনৰ ক্ষেত্ৰখন অৰ্থনৈতিক দিশত আগুৱাই যাব বুলি উল্লেখ কৰে। একেদৰে ৰেল বিভাগে বাজেটত গ্ৰহণ কৰা এলএছবি কোচ ফেক্টৰী সোনকালে নিৰ্মাণ হোৱাটো কামনা কৰে। তেওঁ সংসদত যোগীঘোপা অশোক কাগজ কলটো পুনৰ খোলাৰ দাবী জনোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে মাল্টি মডেল লজিষ্টিক পাৰ্ক স্থাপন কৰিবলৈ লৈছে বুলি দাবী কৰে। ইপিনে, বিগত কাৰ্যকালৰ সময়ত বঙাইগাঁও পৌৰসভালৈ চৰকাৰে প্ৰদান কৰা চিআইডিএফ আঁচনিৰ এশকোটি টকা লাভ কৰি বিধায়ক ফণীভূষণ চৌধুৰী আৰু অগপৰ দখলত থকা তদানীন্তন বঙাইগাঁও পৌৰসভাৰ অগপ নেতৃত্বই উল্লেখিত আঁচনিৰ কোটিটকীয়া ধন ক'ত ক'ত খৰছ কৰিছে তাক ৰাজহুৱা কৰিবলৈ আহ্বান জনায় । সাংসদজনে কয় যে বঙাইগাঁৱত বিজেপি ফেক্টৰ নহয়। নিৰ্বাচনী মূল যুঁজ হ'ব কংগ্ৰেছ আৰু অগপৰ মাজত। কংগ্ৰেছে ২৫টা ৱাৰ্ডৰ ভিতৰত ১৯ টা বচা বচা ৱাৰ্ডত প্ৰাৰ্থীত্ব আগবঢ়াইছে। পৌৰসভা গঠনৰ বাবে প্ৰয়োজনীয় ১৩ ৱাৰ্ডত কংগ্ৰেছে নিশ্চিত জয়ী হৈ পৌৰসভা দখল কৰিবলৈচেষ্টা অব্যাহত ৰাখিছে বুলিও তেওঁ কয়। বিগত ৩৫ বছৰীয়া বিধায়ক চৌধুৰীয়ে আৰু অগপই বঙাইগাঁও পৌৰসভা অঞ্চলৰ উন্নত সাধন কৰিবলৈ সক্ষম হোৱা নাই বুলিও সাংসদজনে অভিযোগ উত্থাপন কৰে। বিগত কাৰ্যকালৰ তদানীন্তন বঙাইগাঁও পৌৰসভা দখল কৰা অগপই কৰা দুৰ্নীতি আৰু অনিয়মক মূল নিৰ্বাচনী ইছ্যুৰূপে লৈ বঙাইগাঁও পৌৰসভাৰ একাংশ ৱাৰ্ডত প্ৰচাৰ চলোৱাৰ কথা উল্লেখ কৰে । সাংসদজনে দলীয় প্ৰাৰ্থীসকলক লৈ কালি বঙাইগাঁও চহৰৰ তিনি, চাৰি, সাত, আঠ, দহ, এঘাৰ আৰু বাৰ নম্বৰ ৱাৰ্ডত পদ পথ, দোকান, ব্যৱসায় প্ৰতিষ্ঠান আদিত নিৰ্বাচনী প্ৰচাৰ চলায়।



# নগাঁও জিলা কৃষি বিভাগৰ সৌজন্যত সৰিয়হৰ পথাৰ দিৱস উদ্‌যাপন



বিশেষ সংবাদদাতা

**নগাঁও, ২৩ ফেব্ৰুৱাৰী ঃ** বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত আঁচনি 'অসম কৃষি বাণিজ্যকৰণ আৰু ৰূপান্তৰ প্ৰকল্প'ৰ (এপাৰ্ট) অধীনত নগাঁও জিলাত ধান, আলু, শাক-পাচলি খেতিৰ লগতে এই বৰ্ষত সৰিয়হ খেতিত বিশেষ গুৰুত্ব দিয়া হৈছে। ভাৰতীয় কৃষি গৱেষণা অনুষদ আৰু ৰাজস্থানৰ ভাৰতপুৰত অৱস্থিত সৰিয়হ গৱেষণা সঞ্চালকৰ প্ৰত্যক্ষ কাৰিকৰী পৰামৰ্শৰে ২০২১-২২ত ২১২.৫০ হেক্টৰ কৃষিভূমিত উন্নত জাতৰ ডিআৰএমআৰ ১৫০-৩৫, পিএম ২৮, এনআৰচিএইছবি ১০১ আৰু টি এছ ৩৮ জাতৰ সৰিয়হৰ বীজ আৰু প্ৰয়োজনীয় সাৰ যোগান ধৰি বিজ্ঞানসন্মতভাৱে নগাঁও জিলাত প্ৰদৰ্শনমূলক সৰিয়হ খেতি কৰা হয়। এই উন্নত জাতৰ সৰিয়হ খেতিৰ পৰা বিঘাই প্ৰতি পাঁচৰ পৰা সাত মোন সৰিয়হ উৎপাদন হোৱাৰ লগতে অধিক পৰিমাণৰ মিঠাতেল নিষ্কাসন হয়। ইয়াৰ বিপৰীতে থলুৱা জাতৰ সৰিয়হ খেতিৰ পৰা বিঘাই প্ৰতি দুই-তিনি মোনহে উৎপাদন হয়। নতুন জাতৰ প্ৰদৰ্শনমূলক সৰিয়হ খেতিৰ বাবে কৃষকক অনুপ্ৰাণিত কৰিবলৈ নগাঁৱৰ শেনচোৱা-বালিগাঁৱত সৰিয়হ পথাৰ দিৱস উদ্‌যাপন কৰা হয়। উক্ত দিৱসত অংশগ্ৰহণ কৰি নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই যুৱ কৃষকসকলক কৃষি কাৰ্যৰ বাবে আগবাঢ়ি আহি কৃষি অৰ্থনীতিৰ বুনিয়াদ গঢ়িবলৈ আহ্বান জনায়। তেওঁ কৃষকসকলক চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সঞ্চালক ড° গিৰিন্দ্ৰ নাথ হাজৰিকাই কৃষকসকলক কৃষক উৎপাদন কোম্পানী গঠন কৰি কৃষি ক্ষেত্ৰখন আগুৱাই নিবৰ বাবে আহ্বান জনায়। উক্ত অনুষ্ঠানত ৰাজস্থানৰ সৰিয়হ গৱেষণা সঞ্চালকৰ মুখ্য বিজ্ঞানী ড° অশোক কুমাৰ শৰ্মা, ড° বিপিন কুমাৰ, নগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° নিৰঞ্জন ডেকা, মহকুমা কৃষি বিষয়া প্ৰেমেশ্বৰ নাথ, ভদ্ৰ কুমাৰ, বৰা এপাৰ্টৰ বিষয়া পংকজ হাজৰিকা, অজিত বৰা আদিয়ে অংশগ্ৰহণ কৰে।

# শিৱসাগৰত অবৈধ শিল ভৰ্তি ডাম্পাৰ জব্দ

বিশেষ সংবাদদাতা,

**শিৱসাগৰ, ২৩ ফেব্ৰুৱাৰী ঃ** বন বিভাগৰ এটা দলে কালি শিৱসাগৰৰ 37 নম্বৰ দক্ষিণ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই এখন অবৈধভাৱে শিল কঢ়িওৱা ডাম্পাৰ জব্দ। বনবিভাগৰ সূত্ৰে সদৰী কৰা দিয়া মতে, এ এছ 06 বি চি 4731 নম্বৰৰ অবৈধ শিল কঢ়িওৱা ডাম্পাৰখন ধেমাজিৰ পৰা শিৱসাগৰ অভিমুখে আহি থকা অৱস্থাত শিৱসাগৰ ঘাইপথত তালাচী চলাই জব্দ। পাছত বিভাগে জব্দ কৰা অবৈধ শিল ভৰ্তি ডাম্পাৰখন বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়লৈ আনি এক গোচৰ ৰুজু কৰে।

# কবি মঃ নুৰুল হুছেইনৰ দ্বিতীয়খন কাব্য গ্ৰন্থ 'ভাৰ এটাই নাচিছে কলিজাত' উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**নকছাৰি, ২৩ ফেব্ৰুৱাৰী ঃ** কবি নুৰুল হুছেইনৰ কাব্য সংকলন 'ভাৰ এটাই নাচিছে কলিজাত' যোৱা ২০ ফেব্ৰুৱাৰীত উন্মোচন হয়। যোৰহাট মহানগৰ কবি সন্মিলনীৰ উদ্যোগত অসম সাহিত্য সভাৰ যোৰহাট জিলা সমিতিৰ সভাপতি ৰাতুল চন্দ্ৰ বৰাই সভাপতিত্ব কৰা সভাত প্ৰসিদ্ধ সাহিত্যিক ড° প্ৰদীপ কুমাৰ বৰুৱাই কাব্য গ্ৰন্থখন উন্মোচন কৰি কয়- মাৰ্জিত শব্দচয়নেৰে বৰ্তমান পৰিস্থিতি আৰু প্ৰকৃতি বিষয়ৰ কাব্য গাথাৰে সমাজলৈ বাৰ্তা কঢ়িয়াই নিবলৈ সক্ষম হোৱাটো এক মন কৰিবলগীয়া দিশ বুলি কয়। সভাপতি বৰাই নুৰুল হুছেইনৰ কবিতাৰ ব্যঞ্জনা আৰু শৈলী প্ৰশংসনীয় বুলি মন্তব্য আগবঢ়োৱা সভাৰ উদ্বোধনী বক্তব্য আগবঢ়াই বিশিষ্ট নাট্যকাৰ অখিল চক্ৰৱৰ্তীয়ে আৰু বিশিষ্ট অতিথিৰূপে বক্তব্য প্ৰদান কৰে অসম সাহিত্য সভাৰ সম্পাদক ৰমানন্দ বৰাই। উন্মোচনী অনুষ্ঠানৰ লগে লগে এক জিপাল কাব্যিক পৰিৱেশত খ্যাতনামা কবি নীলিমা শৰ্মা, পূৰ্ণিমা শৰ্মা, নীৰদা গগৈ বৰা, হেমচন্দ্ৰ গগৈ, জুনমণি গগৈ, ফাৰহান হুছেইন, ৰীতা বৰদলৈ আদিয়ে। যোৰহাট চেন্টেল ক্লাবত অনুষ্ঠিত অনুষ্ঠানটোৰ আঁত ধৰে যোৰহাট মহানগৰ কবি সন্মিলনীৰ সম্পাদিকা ৰীতা বৰদলৈয়ে।

# পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে সামৰণি চাবুৱা গ্ৰন্থমেলাৰ

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ২৩ ফেব্ৰুৱাৰী ঃ** চাবুৱাত প্ৰথমবাৰলৈ পূৰ্ণাংগৰূপত আয়োজন কৰা চাবুৱা গ্ৰন্থমেলা ২০২২ পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কালি সামৰণি পৰে। এই পাঁচটা দিনত পুৱা ১০ বজাৰ পৰা নিশা ১১ বজা পৰ্যন্ত দেখা গৈছিল গ্ৰন্থপ্ৰেমী ৰাইজৰ সোঁত। উল্লেখ্য যে চাবুৱা গ্ৰন্থমেলাখনত গ্ৰন্থ বিক্ৰী হৈছে ৫০ লাখ টকাৰ। লগতে অন্যান্য বিপণীসমূহেও চাবুৱাত বিক্ৰী ভাল বুলি কয়। চাবুৱা সাহিত্য সভা আৰু লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত গ্ৰন্থমেলাখন অনুষ্ঠিত হৈছে। গ্ৰন্থমেলাখনত সংগতি ৰাখি আয়োজন কৰা প্ৰতিযোগিতা, প্ৰদৰ্শনী, গীত-মাত, কবিতা অনুষ্ঠিত হয়। কালি অন্তিম দিনা কে'বাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। চাবুৱাৰ শিল্প আৰু সাহিত্যৰ অনুষ্ঠান ডঁৰিয়লিৰ এক অনুষ্ঠান আয়োজন কৰা হয়। ডঁৰিয়লিৰ অধ্যক্ষ ড° বাৰিন্দ্ৰ দাসৰ সভাপতিত্বত গীত আৰু কবিতাৰে শীতৰ এবেলা শীৰ্ষক অনুষ্ঠানত ডঁৰিয়লি তিনিমহীয়া মুখপত্ৰ প্ৰথম সংখ্যাটোও উন্মোচন কৰা হয়। দিব্যজ্যোতি লাহন আৰু ভাস্কৰ মৰাণৰ সম্পাদনাত প্ৰকাশিত মুখপত্ৰখন ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ ৰূপজ্যোতি দুৱৰাই উন্মোচন কৰে। কালি গ্ৰন্থমেলাত অসমৰ কে'বাগৰাকী স্বনামধন্য ব্যক্তিলৈ বঁটা আগবঢ়োৱা হয়। আধুনিক চাবুৱা নিৰ্মাতা প্ৰয়াত পোৱাৰাম দত্ত বঁটা ২০২২ অমিয় হাজৰিকা, কামেশ্বৰ খাউণ্ড সমাজ সেৱক বঁটা ২০২২ যজ্ঞেশ্বৰ চেতিয়া, উচ্চ কমল চেতিয়া ক্ৰীড়া বঁটা ২০২২ লাচিত মাউত, নাৰায়ণ ঘাটোৱাৰ সাহিত্য বঁটা দেৱী প্ৰসাদ বাগ্ৰোদীয়া লৈ, গণেশ মহন্ত সংবাদ সেৱা বঁটা ২০২২ সাংবাদিক ৰাজীৱ ভট্টাচাৰ্যলৈ, ডাঃ এছ আৰ দেৱ চিকিৎসা সেৱা বঁটা ২০২২ ডাঃ মহেন্দ্ৰ বৰশইকীয়া, সয়ম্বৰ ঘৰফলীয়া সাহিত্য বঁটা ২০২২ গুণেশ্বৰ সোণোৱাললৈ প্ৰদান কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে এই বঁটাসমূহ প্ৰদান কৰা হয়।

# সুলভ মূল্যৰ দোকানী বিজু দে'ক নিলম্বন

## ■ গ্ৰাহকৰ দাবী অনুজ্ঞাপত্ৰ বাতিল কৰক

**অগ্ৰদূত বাৰ্তা**

**কচুৱা ২৩ ফেব্ৰুৱাৰী ঃ** গ্ৰাহকৰ ৪২ কুইন্টল চাউল ক'লা বজাৰত বিক্ৰী কৰাৰ অভিযোগত এজেন্ট বিজু দে'ক কালি নগাঁও জিলাৰ অসামৰিক যোগান বিষয়াই নিলম্বন কৰে। ৰহা সমষ্টিৰ জৰাবাৰী সমবায় সমিতিৰ অন্তৰ্গত দুই নম্বৰ গৰুবান্ধা গাঁৱৰ এজেন্ট দেৱ বিৰুদ্ধে ৰাজহুৱা অভিযোগ লাভ কৰি বিভাগীয় কৰ্তৃপক্ষই সাময়িকভাৱে নিলম্বন কৰিছে দে'ই পূৰ্বৰ পৰাই বহুবাৰ গ্ৰাহকৰ সুলভ মূল্যৰ চাউল, কেৰাচিন আৰু আটা আদি ক'লা বজাৰত বিক্ৰী কৰি হাতে-লোটে ধৰা পৰে যদিও বিভাগটোক মেনেজ কৰি পুনৰ এনে কৰ্মত লিপ্ত হয়। সেয়েহে বহু বিতৰ্কিত এজেন্ট দে'ৰ বিৰুদ্ধে গোচৰ তৰাৰ উপৰি অনুজ্ঞাপত্ৰ বাতিল কৰি স্থানীয় নিকা লোকক দিবলৈ ৰাইজে দাবী জনাইছে।

# সংকল্প সুদৃঢ় হ'লে ভাৰত বিশ্বগুৰু হ'বই ঃ বশিষ্ঠ বুজৰবৰুৱা



## ■ ৭৫ সংখ্যক স্বৰাজ উদ্‌যাপন উপলক্ষে বক্তৃতানুষ্ঠান

**অগ্ৰদুত বাৰ্তা,**

**ঘগ্ৰাপাৰ, ২৩ ফেব্ৰুৱাৰী ঃ** 'ব্ৰহ্মাৰ তপস্যাৰ ফলতেই প্ৰথমে পঞ্চভূত আৰু পাছত বনস্পতি, ৰেত, জীৱাত্মাৰ সৃষ্টি হ'ল। জীৱাত্মাৰ ভিতৰত মৎস্য কুৰ্ম বৰাহ নৰসিংহ বামন পৰশুৰাম ৰাম হলিৰাম বুদ্ধৰ অৱতাৰ হয়। কল্কিৰ স্বৰূপ আজিও অকল্পিত। সৃষ্টিৰ আত্মতত্ত্বৰ স'তে নিজকে বিলীন কৰাই ভাৰতীয় দৰ্শন। দেশ-ধৰ্ম-সংস্কৃতিৰ বাবে আত্মতত্ত্বক ব্যৱহাৰিক ৰূপায়ণ কৰিলেই ভাৰত পুনৰ বিশ্বগুৰু হ'ব। কৰ্তব্য পালন, জ্ঞান সমৃদ্ধ জীৱনৰ বাবে গীতা বেদ অধ্যয়নৰ দৰকাৰ। কৰ্তব্যৰ পৰিৱৰ্তে অধিকাৰ, ধৰ্মৰ অৰ্থ বিকৃত কৰাৰ বাবেই ভাৰত পৰাধীন হ'বলগীয়া হৈছিল। প্ৰতি ঘৰতে স্বভাষা স্বসংস্কৃতি স্বভোজন নিনাদিত হ'লেই ভাৰত প্ৰকৃততে স্বতন্ত্ৰ হ'ব।' এই মন্তব্য ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ সহ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাৰ। কালি নলবাৰীৰ সৰিয়হতলীৰ মুৰুলী ভৱনত ভাৰত মাতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰি এইদৰে মন্তব্য কৰে বুজৰবৰুৱাই। প্ৰতিমূৰ্তি উন্মোচন আৰু ভাৰত মাতা পূজনত অংশ লয় সংঘৰ অসম ক্ষেত্ৰ আৰু উঃ অসম প্ৰান্তৰ সংঘচালকদ্বয় ডা° উমেশ চক্ৰৱৰ্তী আৰু ডা° ভূপেশ শৰ্মাই। বিভিন্ন সংগঠনৰ বহু নেতৃত্বয়ো ভাৰতমাতা পূজন কৰে। বিয়লি চাৰিবজাৰ পৰা আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে গছপুলি ৰোপণ কৰা হয়। ছহিদ শুক্লেশ্বৰ মেধি স্মাৰক ন্যাসৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ন্যাসৰ সমূহ দায়িত্ববাহী আৰু নলবাৰীৰ বহু বিশিষ্ট ব্যক্তি আৰু শিক্ষাবিদে অংশ গ্ৰহণ কৰে।

# জনজাতীয় ভাষাৰ তালিকাত সোণোৱাল ভাষাকো শীঘ্ৰে অন্তৰ্ভুক্ত কৰাৰ দাবী

## ■ সোণোৱাল সংগঠনৰ শিক্ষামন্ত্ৰীক স্মাৰকপত্ৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৩ ফেব্ৰুৱাৰী ঃ** সোণোৱাল কছাৰী সাহিত্য সভাৰ নেতৃত্বত সোণোৱাৰ কছাৰী জনগোষ্ঠীটোৰ আটাইকেইটা সংগঠনৰ নেতৃবৃন্দই কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ধেমাজিস্থিত বাসভৱনত সাক্ষাৎ কৰি এক স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনৰ জৰিয়তে সংগঠনকেইটাই ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ আধাৰত শিক্ষা বিভাগে প্ৰস্তুত কৰা অসমৰ জনজাতীয় ভাষা অন্তৰ্ভুক্তিৰ তালিকাত সোণোৱাল সকলৰ ভাষাকো অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনায়। স্মাৰকপত্ৰখনত সংগঠনকেইটাই কয় যে সোণোৱালসকলৰ যে নিজস্ব এটা ভাষা আছিল সেয়া সৰ্বজনবিদিত। ইয়াক হাইদাং গীতেই স্বাক্ষৰ বহন কৰি আহিছে। সোণোৱালসকলৰ হাইদাং গীতত জাতিটোৰ ধৰ্ম, বিজ্ঞান, দৰ্শন, সাহিত্য আৰু সংস্কৃতি নিহিত হৈ আছে। আদিতে গীতবোৰ নিজস্ব ভাষাত লিখা আছিল বুলি জনা যায় যদিও কালক্ৰমত সংৰক্ষণৰ অভাৱত এইবোৰ লুপ্ত হয়। পৰৱৰ্তী সময়ত এই গীতবোৰ মান্য অসমীয় মিহলি সোণোৱাল ভাষাত প্ৰচলন আৰু প্ৰকাশ হৈছে। কিন্তু অতি সম্প্ৰতি এইবোৰক সোণোৱালৰ নিজস্ব ভাষাত প্ৰকাশৰ গৱেষণা চলি আছে। ইতিমধ্যে সোণোৱাল ভাষাত কে'বাখনো গ্ৰন্থ আৰু শব্দকোষ প্ৰকাশৰ লগতে বাতৰি কাকততো সোণোৱাল ভাষাত নিৰন্ধ প্ৰকাশ পাই আহিছে। ব্যাকৰণ ৰচনা, পূৰ্ণাংগ অভিধানকে ধৰি ইয়াৰ আনুষংগিক কাম চলি আছে। ৰাজ্যৰ অন্যান্য জনগোষ্ঠীৰ লগতে সোণোৱাল সকলকো সমঅধিকাৰ, সমবিকাশ আৰু সমমৰ্যাদাৰ স্বাৰ্থত সোণোৱাল ভাষাকো অন্তৰ্ভুক্ত কৰিবলৈ সংগঠনকেইটাই মন্ত্ৰীজনক দাবী জনায়। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে জনগোষ্ঠীটোৰ সংগঠনকেইটাক দাবী পূৰণৰ প্ৰতিশ্ৰুতি প্ৰদানৰ লগতে অতি শীঘ্ৰেই 'এছচিইআৰটি'ৰ স'তে যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সাক্ষাৎ কালত সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱাল, মুখ্য সম্পাদক মৃদুল সোণোৱাল, সম্পাদক দিগন্ত হাজৰিকা, প্ৰচাৰ সম্পাদক জোমটি সোণোৱাল, সাংস্কৃতিক সম্পাদক মহানন্দ সোণোৱাল, ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সাধাৰণ সম্পাদক ৰাজু সোণোৱাল, নাৰী সন্থাৰ সভানেত্ৰী ৰশ্মিৰেখা সোণোৱাল, সম্পাদিকা লাৱণ্য সোণোৱালৰ লগতে সংগঠনকেইটাৰ বিষয়ববীয়া উপস্থিত থাকে। আৰম্ভণিতে সভাৰ তৰফৰ পৰা মন্ত্ৰী ডাঃ পেগুক সোণোৱাল ভাষাৰ শব্দকোষৰ লগতে গুণেশ্বৰ সোণোৱালৰ সোণোৱাল ভাষাৰ গ্ৰন্থ আবৈ, পাটমাদৈ, গিধই আৰু অন্যান্য গ্ৰন্থ প্ৰদান কৰা হয়।

# ব্যৱসায়ী-সমাজকৰ্মী মাণিক চন্দ্ৰ কলিতাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৩ ফেব্ৰুৱাৰী ঃ** বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত সানেকুছি ওজাতোলাত জন্মগ্ৰহণ কৰা আৰু বৰ্তমান গুৱাহাটী শুক্ৰেশ্বৰ নিবাসী ব্যৱসায়ী-সমাজকৰ্মী মাণিক চন্দ্ৰ কলিতা (৮৭)ৰ যোৱা নিশা মহানগৰীৰ নিজা বাসভৱনত মৃত্যু হয়। আজি পুৱা তেওঁৰ মৃতদেহ জন্মস্থান সানেকুছি ওজাতোলালৈ অনাত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ পূৰ্বে গুৱাহাটীত শুক্ৰেশ্বৰ দেৱালয় পৰিচালনা সমিতি আৰু ফাঁচী বজাৰ ব্যৱসায়ী সন্থাই তেওঁৰ মৃতদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তদুপৰি জন্মস্থান ওজাতোলাতো গোপাল গোসাঁই ঘৰৰ বাকৰিলৈ নি পুষ্পাঞ্জলিৰে শ্ৰদ্ধা জনোৱাৰ লগতে পূব বৰভাগ আঞ্চলিক হাইস্কুল, সানেকুছি ওজাতোলা মহিলা সমিতি, ছমাৰকুছি আলোক সন্ধানী গোষ্ঠী আদিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে ১৯৪৮ ৰে পৰা ফাঁচী বজাৰত ব্যৱসায় চলাই আহিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ আৰু তিনিগৰাকী কন্যাক এৰি যায়।



*উত্তৰ গুৱাহাটীত লক্ষ্মী নাৰায়ণ যাত্ৰা, বুধবাৰে।*

# বঙাইগাঁও পৌৰসভাত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী শৈলেন্দ্ৰ সৰকাৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৩ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও পৌৰসভা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনৰ কৰ্তৃপক্ষৰ পৰা যাৱতীয় প্ৰক্ৰিয়া চলি আছে। পৌৰসভা অঞ্চলৰ ২৫ টা ৱাৰ্ডৰ নিৰ্বাচনৰ বাবে ৭৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। বিগত ২০ ফেব্ৰুৱাৰীত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম সময়লৈকে কোনো প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰা নাই। সেয়েহে জিলা প্ৰশাসনে বঙাইগাঁও পৌৰসভা নিৰ্বাচনৰ বাবে ৭৩ গৰাকী প্ৰাৰ্থীৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয় যদিও ২৩ নম্বৰ ৱাৰ্ডটোত মাত্ৰ এজন প্ৰাৰ্থী অৱতীৰ্ণ হয়, তেওঁ হৈছে অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী শৈলেন্দ্ৰ সৰকাৰ। অসম পৌৰসভা আইন, ১৯৫৬ ৰ অধীনত পৌৰসভাৰ আয়ুক্ত নিৰ্বাচন বিধি অনুসৰি শৈলেন্দ্ৰ সৰকাৰক ২৩ নম্বৰ ৱাৰ্ডৰ কমিছনাৰ পদৰ বাবে বঙাইগাঁও পৌৰসভাৰ উক্ত আসনত জয়ী হোৱা বুলি বঙাইগাঁও পৌৰসভা নিৰ্বাচনৰ দায়িত্বপ্ৰাপ্ত দণ্ডাধীশৰ দ্বাৰা ২০ ফেব্ৰুৱাৰীৰ দিনা ঘোষণা কৰা হয়।

# নলবাৰী আৰ্ট স্কুলৰ উদ্যোগত জীৱন শিল্পী দিৱস উদ্‌যাপন

## ■ ভাস্কৰ্য শিল্পী যোগেন্দ্ৰ নাথ শীলক জীৱন শিল্পী আদ্য শৰ্মা বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৩ ফেব্ৰুৱাৰী ঃ** ১৯৫২ত নলবাৰী আৰ্ট স্কুলৰ প্ৰতিষ্ঠাপক জীৱন শিল্পী আদ্য শৰ্মাৰ সপ্তম মৃত্যু বাৰ্ষিকী কালি দিনজোৰা কাৰ্যসূচীৰে 'জীৱন শিল্পী' দিৱসৰূপে উদ্‌যাপন কৰা হয়। উল্লেখ্য যে এই দিৱসৰ লগত সংগতি ৰাখি প্ৰতিবছৰে প্ৰদান কৰি অহা 'জীৱন শিল্পী আদ্য শৰ্মা বটা-২০২২' বিশিষ্ট ভাস্কৰ্য শিল্পী যোগেন্দ্ৰ নাথ শীলক প্ৰদান কৰা হয়। এই বঁটাত নগদ ধন ১০ হেজাৰ, গামোচা, চেলেং চাদৰ, জাপি, স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শিল্পীজনৰ সহধৰ্মিণী বীণাপাণি শীলকো সম্বৰ্ধনা জনোৱা হয়। আবেলি নলবাৰী আৰ্ট স্কুলৰ সম্পাদক ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই আঁত ধৰা আৰু নলবাৰী আৰ্ট স্কুলৰ ভাৰপ্ৰাপ্ত সভাপতি মুকুল গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত বটা প্ৰদান আৰু প্ৰবীণ শিল্পী তথা আৰ্ট স্কুলৰ সভাপতি পবীন শৰ্মাৰ জীৱন আৰু কীৰ্তি সম্বলিত অভিনন্দন গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বটা গ্ৰহণ কৰি শিল্পীজনে কয় আদ্য শৰ্মা আছিল বিশাল ব্যক্তিত্বৰ অধিকাৰী। তেওঁ নলবাৰীত শিল্প সাহিত্যৰ বুনিয়াদ ৰচনা কৰিছিল। নিজৰ অনুভৱ ব্যক্ত কৰি কয় গুৱাহাটীত পুলক গগৈৰ স'তে ড্ৰয়িং ৰুম সজোৱা বাঁহৰ সামগ্ৰীৰে শিল্প সাধনাত ব্ৰতী হৈছিলো। তাৰ পাছত বিশিষ্ট চিত্ৰ শিল্পী নীলপৱন বৰুৱাৰ সান্নিধ্য পাইছলো এনেকৈয়ে শিল্পকৰ্ম জড়িত হৈ আজিৰ অৱস্থা পাইছো। ইয়াৰ পাছত নলবাৰী আৰ্ট স্কুলৰ দীৰ্ঘকালৰ সভাপতি, বিশিষ্ট সাংস্কৃতিক কৰ্মী পবীন শৰ্মাক আৰ্ট স্কুলৰ উপৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট শিল্পী পবীন শৰ্মাৰ জীৱন আৰু কীৰ্তিৰ ওপৰত প্ৰকাশ কৰা 'জীৱন কথা' নামৰ অভিনন্দন গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী বিভু দত্তই। গ্ৰন্থখন উন্মোচন কৰি তেওঁ কয় যে শিল্পী পবিন শৰ্মা হ'ল নলবাৰী আৰ্ট স্কুলৰ আত্মা। পবীন শৰ্মাৰ কাৰণে নলবাৰী আৰ্ট স্কুলে আজিৰ স্বাস্থ্য লাভ কৰিবলৈ সক্ষম হৈছে। উক্ত অনুষ্ঠানত নৰ্থ ইষ্ট কেঞ্চাৰ ইনষ্টিটিউটৰ অধ্যক্ষ গণেশ তামুলীয়ে বিশিষ্ট অতিথিৰূপে ভাষণ দি কয় গুৰুজীৰ প্ৰাণৰ অনুষ্ঠান আছিল নলবাৰী আৰ্ট স্কুল। ডিগ্ৰী থাকিলে নহয়, জ্ঞান অৰ্জন কৰিব লাগিব। আদ্য শৰ্মাৰ ডিগ্ৰী নাছিল। কিন্তু শিল্প সাধনাত জৰিয়তে এখন সংস্কৃতিবান সমাজ নিৰ্মাণৰ বাবে জ্ঞান বিলাইছিল গুৰুজী আদ্য শৰ্মাই। তেওঁ মানুহৰ শৰীৰত দেখা দিয়া বিভিন্ন ৰোগ সম্পৰ্কত সজাগতামূলক ভাষণ আগবঢ়ায়। অনুষ্ঠানত চিত্ৰশিল্পী তথা অভিনেতা লীলাধৰ দাসেও ভাষণ আগঢ়ায়। ইয়াৰ পূৰ্বে পুৱা পতাকা উত্তোলন কৰে আৰ্ট স্কুলৰ সভাপতি পবীন শৰ্মাই। ৯-১৫ বজাত গুৰুজী আদ্য শৰ্মাৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে বিশিষ্ট সমাজকৰ্মী কেশৱ বৰ্মন আৰু প্ৰদীপমল্ল বুজৰবৰুৱাই। ৯:৩০ বজাত গুৰুজী আদ্য শৰ্মা উদ্যানত থকা পূৰ্ণাৱয়বৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰে ক্ৰমে ক্ৰীড়া সংগঠক মফিজুদ্দিন আহমেদ আৰু শিক্ষাবিদ ৰজত ডেকাই। বন্তি প্ৰজ্বলন কৰে বিশিষ্ট চিত্ৰ শিল্পী খচনুৰ আহমেদ আৰু সাংস্কৃতিক কৰ্মী পুতুল দাসে। অনুষ্ঠানত বিশিষ্ট কণ্ঠ শিল্পী লনিমা দত্ত আৰু হিৰন্ময়ী কলিতাই সংগীত পৰিৱেশন কৰে।



# নিধিৰাম চৰ্দাৰৰ ৰূপত মটক স্বায়ত্তশাসিত পৰিষদ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৩ ফেব্ৰুৱাৰী ঃ** মটক স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিষ্ঠাৰ প্ৰথমটো বৰ্ষপূৰ্তি কালি উদ্‌যাপন কৰা হয়। মটক স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়াৰ নেতৃত্বত ২৪ জনীয়া কাৰ্যবাহী পৰিষদে কালি অনুষ্ঠিত কৰে এবছৰীয়া বৰ্ষপূৰ্তি। বিগত বছৰত জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে ফুটাকড়ি এটাও আবন্টন নিদিলে চৰকাৰে। উল্লেখ্য যে বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে কালিৰ দিনটোতে গঠন কৰিছিল মটক স্বায়ত্তশাসিত পৰিষদ। পুঁজি অবিহনেই নিজা এটা কাৰ্যালয়ত প্ৰৱেশ কৰিছিল মটক স্বায়ত্তশাসিত পৰিষদে। ডিব্ৰুগড়ৰ খনিকৰত স্থাপন কৰিছিল পৰিষদৰ মুখ্য কাৰ্যালয়। সদৌ অসম মটক সন্মিলন আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ ৩১ বছৰীয়া অবিৰত সংগ্ৰামৰ ফলশ্ৰুতিত চৰকাৰে মটক জনগোষ্ঠীক মটক স্বায়ত্তশাসিত পৰিষদ প্ৰদান কৰিছিল। মটক জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত কালিৰ দিনটোতে গঠন হৈছিল মটক স্বায়ত্তশাসিত পৰিষদ। এটা ভৱন ভাড়াত লৈ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয়ত প্ৰৱেশ কৰে যদিও চৰকাৰে স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা মটক জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে ১২৫ কোটি টকা অনুদান দিয়াৰ যি ঘোষণা কৰিছিল, সেয়াও কেৱল প্ৰতিশ্ৰুতি হৈয়ে ৰ'ল। উল্লেখ্য যে পৰিষদৰ ভৱনটোৰ বাহিৰে একো এপদো সামগ্ৰী নাই এই কাৰ্যালয়ত। পৰিষদৰ কাৰ্যালয়ত নিয়মমাফিক এবছৰীয়া বৰ্ষপূৰ্তি কৰি একপ্ৰকাৰে কিং কৰ্তব্যবিমূঢ় হৈ পৰিছে পৰিষদৰ মুখ্য কাৰ্যবাহীৰ লগতে পৰিষদৰ প্ৰতিগৰাকী সদস্য। চৰকাৰক শীঘ্ৰে জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে পুঁজি মুকলি কৰি দিবলৈ পৰিষদে আহ্বান জনায়। ৰাজ্য চৰকাৰে অহা বাজেটত এই ক্ষেত্ৰত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব বুলি মটক স্বায়ত্তশাসিত পৰিষদ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়াই আশা প্ৰকাশ কৰে।

# ভৱানীপুৰ জলসিঞ্চন সংমণ্ডল কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন বিধায়ক তালুকদাৰৰ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৩ ফেব্ৰুৱাৰী ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ সৰুপেটাৰ গেৰুৱাপাৰাস্থিত ভৱানীপুৰ জলসিঞ্চন সংমণ্ডল কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱনটো কালি উদ্বোধন কৰে ভৱনীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। বিধায়ক তালুকদাৰে কয় যে চৰকাৰী জলসিঞ্চন বিভাগৰ জৰিয়তে অসমৰ কৃষক ৰাইজ উপকৃত হোৱা নাই। ৰাজ্যখনৰ খেতিপথাৰত চৰকাৰী ফাইলৰ কাগজতহে জলসিঞ্চনৰ ব্যৱস্থা হৈছে। বাস্তৱ ক্ষেত্ৰত জলসিঞ্চনৰ নলাৰে পানীয়েই নোলায়। জলসিঞ্চনৰ নলা হাবিয়ে-জংঘলে অবৰি ধৰা। এয়া কিন্তু বৰ্তমানৰ চৰকাৰখনৰ দিনত হোৱা কথা নহয়। চৰকাৰী জলসিঞ্চন ব্যৱস্থাৰ আৰম্ভণিৰেই পৰা নিয়োজিত বিষয়া-কৰ্মচাৰীয়ে সঠিকভাৱে দায়িত্ব, কৰ্তব্যৰ প্ৰতি গুৰুত্বহীনতাৰ বাবে আৰু আবণ্টিত ধনৰ সঠিক ব্যৱহাৰ নোহোৱা বাবেও জলসিঞ্চন বিভাগটোৱে সংকটৰ সন্মুখীন হৈছে। কিন্তু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰৰ জলসিঞ্চন বিভাগটোৰ জৰিয়তে কৃষক ৰাইজক উপকৃত কৰিবৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। বিধায়ক তালুকদাৰে ভৱানীপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহৎ জলসিঞ্চন প্ৰকল্পটোৱে কৃষক ৰাইজক উপকৃত কৰিব নোৱৰা আৰু জলসিঞ্চন প্ৰকল্পটোৰ ব্যৰ্থতাৰ বিষয়ে ক্ষোভ প্ৰকাশ কৰি প্ৰকল্পটোৰ জৰিয়তে কৃষক ৰাইজক উপকৃত কৰাৰ আঁচনি ৰূপায়ণৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব বুলিও কয়। ভৱানীপুৰ জলসিঞ্চন সংমণ্ডলৰ কৰ্মচাৰী দিলীপ দাসে আঁত ধৰা উদ্বোধনী সভাত সংমণ্ডলটোৰ কাৰ্যবাহী অভিযন্তা পলাশ বৰায়ো ভাষণ দিয়ে।

# ফৰকাটিং মহাবিদ্যালয়ত অন্তৰংগ আলাপ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৩ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদ চমুকৈ 'নাক'ৰ চতুৰ্থবাৰ মূল্যায়নত এ প্লাছ গ্ৰেড লাভ আৰু ভাৰত চৰকাৰৰ শিক্ষামন্ত্ৰালয়ৰ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য শিক্ষা পৰিষদে ফৰকাটিং মহাবিদ্যালয়ক ২০২১-২২ৰ গ্ৰীণ ছেম্পিয়ন বঁটা প্ৰদান কৰাৰ উল্লাসত ফৰকাটিং মহাবিদ্যালয়ত কালি এক অন্তৰংগ আলাপ অনুষ্ঠান সম্পন্ন হয়। সেই উপলক্ষে অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অমৰেন্দ্ৰ দত্তৰ সভাপতিত্বত ফৰকাটিং মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্যে কৰি শিক্ষক-শিক্ষয়িত্ৰীৰ, লগতে প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অভিভাৱক-অভিভাৱিকা সকল আৰু মহাবিদ্যালয়ৰ শুভাকাংক্ষী, স্থানীয় ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত ফৰকাটিং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চন্দন হাজৰিকা, গোলাঘাট হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিপুল ভূঞা, আঠগাঁও চাৰিআলি পুথিভঁৰাল প্ৰতিষ্ঠাপক বিপুল হাজৰিকা, ফৰকাটিং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰুবুল আলী, পেঞ্চনাৰ প্ৰাপ্ত সাংবাদিক দুগ্ধ দত্ত, গোলাঘাট জিলাৰ মইনা পাৰিজাতৰ সভাপতি যোগেন দত্ত উপস্থিত থাকে। উল্লেখ্য যে সকলোৱে অন্তৰংগ আলাপৰ লগত অনাগত দিনত ফৰকাটিং মহাবিদ্যালয়ক অটন'মাছ কলেজ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস অব্যাহত ৰখাৰ আলোচনা হয়।

# জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ সন্দৰ্ভত গোৱালপাৰাৰ বৰদামাল হাইস্কুলত সাংস্কৃতিক কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৩ ফেব্ৰুৱাৰী ঃ** জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ সন্দৰ্ভত গোৱালপাৰা জিলাৰ বৰদামাল হাইস্কুলত আজি সাংস্কৃতিক কাৰ্যসূচী পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ প্ৰধান শিক্ষক হৰকান্ত নাথৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত গোৱালপাৰা জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ছাদুল্লা খান, মৰনৈ চৰ্দাৰ বল্লভ ভাই পেটেল মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমল গোস্বামী, অধিবিদ্যা পৰিষদৰ চাহাবুদ্দিন আহমেদে জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰে।

# ক'ভিডত স্বামীহাৰা ওদালগুৰিৰ ২১ মহিলালৈ চৰকাৰী সাহায্য প্ৰদান

**বিশেষ সংবাদদাতা,**

**ওদালগুৰি ২৩ ফেব্ৰুৱাৰী ঃ** ক'ভিড অতিমাৰীত স্বামীহাৰা মহিলাৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য আঁচনিৰ অধীনত কালি ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত গৰাকী মহিলাক আঢ়ৈলাখ টকাকৈ চেক প্ৰদান কৰা হয়। পূৰ্বৰ ১৬ গৰাকী মহিলাৰ স'তে জিলাখনৰ মুঠ ৩৭ গৰাকী মহিলাই এই সাহায্য লাভ কৰে। উপায়ুক্ত ডাঃ পি. উদয় প্ৰবীনৰ লগতে মহকুমাধিপতি সদৰ শ্যামন্ত ৰবি বাৰা প্ৰমুখ্যে জিলা প্ৰশাসনৰ বিষয়াসকল, চক্ৰ বিষয়াসকল, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, বড়ো সাহিত্য সভাৰ লগতে নাগৰিক সমাজ, ছাত্ৰ সংগঠনৰ প্ৰতিনিধিসকল এই সভাত উপস্থিত থাকে। অতিৰিক্ত উপায়ুক্ত দেৱেশ্বৰ বৰাই অতিমাৰীত তেওঁলোকৰ আত্মীয়-কুতুম্বক হেৰুৱাব লগীয়া হোৱা বাবে সমবেদনা জ্ঞাপন কৰে।

# ভংগামন্দিৰ শিৱ দেৱালয়ৰ প্ৰাণ প্ৰতিষ্ঠা উৎসৱ আৰু শিৱ মহাপুৰাণ ৰুদ্ৰযজ্ঞ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ২৩ ফেব্ৰুৱাৰী ঃ** ঢেকিয়াজুলি ৰাজহ চক্ৰৰ বৰছলা মৌজাৰ ভংগামন্দিৰত ৰাইজৰ সহযোগত নিৰ্মাণ কৰা শিৱ মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা উৎসৱ আৰু মহা ৰুদ্ৰযজ্ঞ ১১ দিনীয়া বিভিন্ন কাৰ্যসূচীৰে আৰম্ভ হৈছে। ১৯ ফেব্ৰুৱাৰীৰ পৰা ১১ দিনীয়া কাৰ্যসূচীৰে প্ৰাণ প্ৰতিষ্ঠা উৎসৱ আৰু মহা ৰুদ্ৰযজ্ঞ আৰম্ভ হৈছে। সিদিনা পুৱা সাতবজাত ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছত কলহযাত্ৰা উলিওৱা হয়। শিৱ দেৱালয় চৌহদত ধৰ্মধ্বজা উত্তোলন কৰে লক্ষ্মী নাৰায়ণ সংস্কৃত পাঠশালাৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কুমুদ বৰঠাকুৰে। আনহাতে, কলহ যাত্ৰা মুকলি কৰে উদ্‌যাপন সমিতিৰ সভাপতি তিলক পকোৱালে। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি দেবী প্ৰসাদ অধিকাৰী, নিৰ্মাণ সমিতিৰ সভাপতি হৃদয়ানন্দ তিৱাৰী, কাৰ্যকৰী সভাপতি, ভীম বাহাদুৰ বছনেত, সম্পাদক ছবিলাল অধিকাৰী, নবীন গজুৰেলৰ নেতৃত্বত উলিওৱা কলহ যাত্ৰাত অংশ গ্ৰহণকাৰীসকলে ভংগামন্দিৰ অঞ্চল পৰিভ্ৰমণ কৰে। কলহ যাত্ৰাত অংশ গ্ৰহণ কাৰী ভক্ত-বৃন্দই ব্ৰহ্মপুত্ৰৰ পানী সংগ্ৰহ কৰে আৰু শিৱ দেৱালয়ত উপস্থিত হয়। বৰছলা সমষ্টিৰ ভংগামন্দিৰৰ চ'কৰ উত্তৰে ডেৰ কিলমিটাৰ নিলগত বহুদিন ধৰি ভগ্ন অৱস্থাত পৰি থকা শিৱ মন্দিৰটো পুনৰ নিৰ্মাণৰ সংকল্পলৈ ইয়াৰ এদল সমাজ সচেতন তথা ধৰ্মপ্ৰাণ ব্যক্তি আগবাঢ়ি আহিছিল। ৰাইজৰ দান-বৰঙণিৰে নিৰ্মাণ কৰা শিৱ মন্দিৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অসম চৰকাৰে অসম দৰ্শন আঁচনিত আৰ্থিক অনুদান আগবঢ়াইছিল। অসম চৰকাৰে আগবঢ়োৱা আৰ্থিক অনুদানেৰে ইয়াত উন্নয়নমুলক আঁচনি ৰূপায়ণ কৰা হৈছে। নিৰ্দিষ্ট সময়ৰ ভিতৰত মন্দিৰটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাত স্থানীয় ৰাইজ উৎফুল্লিত হৈছে।

# ভায়লীনা ডেকালৈ 'অসম কণ্ঠ' সন্মান

## ■ মৰিগাঁৱত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৩ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও চহৰৰ ঐতিহ্যমণ্ডিত গান্ধী ভৱন প্ৰাংগণত পৰহি দিনজোৰাকৈ অনুষ্ঠিত হোৱা সদৌ অসম ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সফলতাৰে সম্পন্ন হয়। ৰাজ্যখনৰ বিভিন্ন জিলাৰ পৰা চাৰি কুৰিৰো অধিক প্ৰতিযোগীয়ে অংশ লোৱা প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে নিৰ্বাচিত ভায়লীনা ডেকালৈ আগবঢ়োৱা হয় 'অসম কণ্ঠ' বঁটা। দুটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম ভায়লীনা ডেকা আৰু অলকানন্দা ভূঞা, দ্বিতীয় ঋষিকা বৰা আৰু ধৃতি তপস্যা, তৃতীয় পুৰস্কাৰ লাভ কৰে আশৃস্থ আয়ুষ্মান আৰু কৃষ্টি কন্যা শইকীয়াই আনহাতে এই শাখাত বিচাৰকৰ বিশেষ বঁটা লাভ কৰে প্ৰিয়াঞ্চী বৰ্মন, সম্ৰাজ্ঞী কাশ্যপ আৰু উন্মনা হাজৰিকাই। 'ক' শাখাত বিষ্ণু ৰাভা, পাৰ্বতি প্ৰসাদ আৰু খগেন মহন্তৰ গীতত প্ৰথম পুৰস্কাৰ আইলীন গগৈ আৰু দ্বিতীয় লাভ কৰে ৰবিজিতা কলিতাই। ইফালে, 'খ' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে নিৰ্মালী দাসে। এইটো শাখাত দ্বিতীয় পুৰস্কাৰ দেৱস্মিতা কাশ্যপে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে দীপলিনা ডেকা আৰু ভাগবী গোস্বামীয়ে। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ছায়াৰানী মালাং, সৌৰভ হাজৰিকা আৰু শ্ৰদ্ধা বৰগোঁহায়ে, এইটো শাখাত বিষ্ণু ৰাভা, পাৰ্বতি প্ৰসাদ আৰু খগেন মহন্তৰ গীতত প্ৰথম হয় ভায়লীনা ডেকা, দ্বিতীয় প্ৰিয়াঞ্চী বৰ্মন আৰু তৃতীয় স্থান লাভ কৰে অলকানন্দা ভূঞা আৰু সম্ৰাজ্ঞী কাশ্যপে। প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগীৰূপে নিৰ্বাচিত ভায়লীনা ডেকালৈ আগবঢ়োৱা হয় 'অসম কণ্ঠ' বঁটা। প্ৰতিযোগিতাৰ বিচাৰকৰূপে আছিল আলেক্ষ্য চক্ৰৱৰ্তী, নিত্যানন্দ ডেকা আৰু অমৰজ্যোতি ডেকা।

# ইণ্ডিয়ান অইল কৰ্প'ৰেছন লিমিটেডে বৰপেটাত মুকলি কৰিলে কম্প'জিত চিলিণ্ডাৰ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৩ ফেব্ৰুৱাৰী ঃ** আমাৰ গৃহিণীসকলে ৰন্ধা-বঢ়া কৰি থকাৰ সময়ত সন্মুখীন হোৱা আটাইতকৈ অবাঞ্চিত সমস্যাটোৱেই হ'ল এলপিজি বা গেছ চিলিণ্ডাৰৰ গেছ শেষ হৈ যোৱাটো। আধা ৰন্ধা ভাত, আঞ্জা বা তৰকাৰীখন আধা ৰন্ধাকৈয়ে এৰিব লগীয়া হয়। পিছে গৃহিণীসকলে এতিয়াৰ পৰা আৰু এনে সমস্যাৰ সন্মুখীন হবলগীয়া নহ'ব। উক্ত সমস্যাৰ কথা চিন্তা কৰিয়েই ইণ্ডিয়ান অইল কৰ্প'ৰেছন লিমিটেডে নতুনকৈ নিৰ্মাণ কৰি উলিয়াইছে কম্প'জিত চিলিণ্ডাৰ। কালি বৰপেটা প্ৰেছ ক্লাবত লক্ষ্মী গেছ এজেন্সীৰ সহযোগত ইণ্ডিয়ান অইল কৰ্প'ৰেছন লিমিটেডৰ বিষয়াসকলে বৰপেটাত মুকলি কৰে কম্প'জিত চিলিণ্ডাৰ। ফাইবাৰ, প্লাষ্টিক আদিৰে নিৰ্মাণ কৰা এই কম্প'জিত চিলিণ্ডাৰটোৰ এটা প্ৰধান সুবিধা হ'ল চিলিণ্ডাৰটোৰ ভিতৰত কিমান পৰিমাণৰ গেছ আছে সেয়া দেখা পোৱা যাব। ফলত ৰন্ধা-বঢ়াৰ মাজতে অকস্মাতে চিলিণ্ডাৰৰ গেছ শেষ হোৱাৰ আগতেই গৃহিণীসকলে গম পাব কেতিয়াকৈ গেছ শেষ হ'ব। তাৰবাবে আগতীয়াকৈ চিলিণ্ডাৰ ক্ৰয় কৰাৰ সুবিধা পাব। তদুপৰি ১০ কিলো এলপিজিসহ চিলিণ্ডাৰটোৰ ওজন হ'ব প্ৰায় ১৬ কিলো । ফলত গৃহিণীসকলে সহজেই দাঙিব পাৰিব। এই কম্প'জিত চিলিণ্ডাৰটোৰ আন এক সুবিধা হৈছে এতিয়া আৰু টাইলছত মামৰে ধৰাৰো সুযোগ নাপাব। বৰপেটাৰ প্ৰাক্তন বিধায়ক তথা লক্ষ্মী গেছ এজেঞ্চিৰ স্বত্বাধিকাৰ গুণীন্দ্ৰ নাথ দাসৰ উপস্থিতিত জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ হাতত কম্প'জিত চিলিণ্ডাৰ প্ৰদানেৰে বৰপেটাত ইণ্ডিয়ান অইল কৰ্প'ৰেছন লিমিটেডৰ গুৱাহাটী মণ্ডলৰ জ্যেষ্ঠ বিষয়াৰ নেতৃত্বত গ্ৰাহকৰ বাবে মুকলি কৰিলে গৃহিণীৰ বাবে সুবিধাজনক কম্প'জিত গেছ চিলিণ্ডাৰ।

# পূব বাতাবাৰী বিদ্যালয়ৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন



অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৩ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ চিদলী শিক্ষাখণ্ডৰ গৰুভাষা ভিচিডিচিৰ অন্তৰ্গত পূৰ্ব বাতাবাৰী এলপি স্কুলৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ আজি আধাৰশিলা স্থাপন কৰা হয়। পুৱা ১১ বজাত এছ এছ এৰ জৰিয়তে মঞ্জুৰিকৃত অতিৰিক্ত শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন কৰে এম চি এল এ মাধৱ চন্দ্ৰ ছেত্ৰীয়ে। এই উপলক্ষে বিদ্যালয়ৰ প্ৰধান শিক্ষক সঞ্জয় ছেত্ৰীয়ে সভাপতিত্বত অনুষ্ঠিত আধাৰশিলা অনুষ্ঠানত এম চি এল এ ছেত্ৰীয়ে বিদ্যালয়ৰ বহুদিনীয়া অভাৱ পূৰণ হৈছে বুলি মন্তব্য কৰি এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী যথেষ্ট উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। লগতে তেওঁ শিক্ষাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত বহু কাম হাতত লৈছে বুলি উল্লেখ কৰি শিক্ষাৰ সৰ্বত্ৰ উন্নতিৰ বাবে অভিভাৱক, ৰাইজ আৰু শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। উক্ত সভাত শৈক্ষিক দিশত বক্তব্য প্ৰদান কৰে বেংতল শিক্ষা খণ্ডৰ খণ্ড শিক্ষা বিষয়া পবিত্ৰ হাজোৱাৰী, চিৰাং জিলা প্ৰকল্প অভিযন্তা আব্দুল মানান, চিৰাং জিলা সন্থাল ছাত্ৰ সন্থাৰ সভাপতি ছলেমান মুৰ্মুয়ে । আধাৰশিলা অনুষ্ঠানৰ সতে সংগতি ৰাখি বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে বেংতল শিক্ষা খণ্ডৰ বি ই ই অ পৱিত্ৰ হাজোৱাৰীয়ে। উক্ত সভাত নাজিৰপাৰা ক্লাছটাৰৰ চি আৰ চিচি জীৱন পাঠক, গৰুভাষা বজাৰ এল পি স্কুলৰ সহকাৰী শিক্ষক কেৱল ছেত্ৰী, গৰুভাষা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক ছামাচৰণ ওৱাৰী উপস্থিত থাকে।

# কৰ্ণাটকত বজৰংগ দলৰ কৰ্মীক হত্যাৰ প্ৰতিবাদ

## তামুলপুৰত বজৰং দলৰ প্ৰতিবাদী কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** কৰ্ণাটকত যোৱা ১৯ ফেব্ৰুৱাৰীত হৰ্চা হিন্দু নামৰ এগৰাকী বজৰং দলৰ সদস্যক অচিনাক্ত দুৰ্বৃত্তই চোকা অস্ত্ৰেৰে হানি খুঁচি হত্যা কৰা কাণ্ডৰ আজি তামুলপুৰত প্ৰতিবাদ সাব্যস্ত কৰে বাগ্সা জিলা বজৰংগ দলে। প্ৰতিবাদকাৰী সকলে 'হৰ্চা হিন্দুৰ হত্যাকাৰীক আটক কৰি ফাঁচি দিয়ক', 'হিজাবৰ নামত আতংক বন্ধ কৰক', 'বজৰং দলৰ ওপৰত আক্ৰমণ নচলিব, বজৰংগ দল জিন্দাবাদ', মৌলবাদী আতংক বন্ধ কৰক, জেহাদীৰ আক্ৰমণ বন্ধ কৰক আদি শ্ল'গানেৰে পৰিবেশ উত্তাল কৰে। বিশ্ব হিন্দু পৰিষদ, বজৰংগ দলৰ অবিভক্ত বাগসা জিলা সমিতিৰ উদ্যাগত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা প্ৰতিবাদকাৰী সকলে ৰঙিয়া, ভূটান আন্তঃৰাষ্ট্ৰীয় পথৰে সমদল কৰি আহি মটঙাচ'কত উপস্থিত হয়। প্ৰতিবাদীসকলে হৰ্চা হিন্দুৰ হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি দ্ৰুত বিচাৰৰ আদালতত বিচাৰ কৰি হত্যাকাৰীক ফাঁচি দিবলৈ কৰ্ণাটক আৰু কেন্দ্ৰীয় চৰকাৰক দাবী জনায়। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে বাগসা জিলা বিশ্ব হিন্দু পৰিষদৰ সভাপতি সুধীৰ শীল, সাধাৰণ সম্পাদক ৰমেন দাস, গুৰু সংযোজক হেমৰাজ গুৰুংৰ লগতে বিশ্ব হিন্দু পৰিষদৰ বাগসা জিলাৰ শতাধিক কৰ্মী উপস্থিত থাকে।

# গ্ৰাহামপুৰত পৰীক্ষাৰ কেন্দ্ৰ বাতিল কৰাৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী আছাৰ



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/দোতমা, ২৩ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত বৃহত্তৰ অসম-বংগ সীমান্তৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ গ্ৰাহামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ২০০০ৰ পৰা উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ কেন্দ্ৰ বলৱৎ হৈ আছে। উক্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে একমাত্ৰ পৰীক্ষা কেন্দ্ৰটো আকস্মিকভাৱে প্ৰত্যাহাৰ কৰাৰ বাতৰি বিয়পি পৰাত ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা আদিবাসী অঞ্চলৰ শিক্ষানুৰাগী ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে শিক্ষা বিভাগে কালি এ এইছ এছ ই চি/ই এক্স বি/টি এ জি-আই এন এছ টি/১৫/১৪/২৪০ নিৰ্দেশনামৰ্মে পৰীক্ষাৰ কেন্দ্ৰটো এই বিদ্যালয়খনৰ পৰা ধুবুৰী জিলাৰ হাতিধূৰা ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়লৈ স্থানান্তৰিত কৰে। ২০ বছৰ ধৰি গ্ৰাহামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত থকা পৰীক্ষাৰ কেন্দ্ৰটো শিক্ষা বিভাগে স্থানান্তৰিত কৰাত অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে, যোৱা নিশা আঠ বজাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলে শ্ৰীৰামপুৰৰ নিকটৱৰ্তী কেৰাপপুৰত উক্ত বিষয়ত এখন সংবাদমেল সম্বোধন কৰে। আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগে শিক্ষা বিভাগৰ এনে নিৰ্দেশনাক দুৰ্ভাগ্যজনক আখ্যা দিয়ে। তেওঁ ১৯৪৫ত স্থাপিত বিদ্যালয়খনত ২০ বছৰৰ অধিক সময় উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা কেন্দ্ৰ সুচাৰুৰূপে চলাই অহাৰ পাছত কিহৰ যুক্তিত ৰহস্যজনকভাৱে শিক্ষা বিভাগে পৰীক্ষাৰ কেন্দ্ৰটো ধুবুৰী জিলাৰ হাতিধূৰালৈ স্থানান্তৰিত কৰিলে সেয়া চিন্তাৰ বিষয় হৈছে। আদিবাসী অধ্যুষিত গ্ৰাহামপুৰৰ পৰা পৰীক্ষাৰ কেন্দ্ৰটো হাতিধূৰাত লৈ যোৱাৰ দ্বাৰা পক্ষান্তৰে আদিবাসী জনগোষ্ঠীক উপেক্ষা কৰাৰ চৰকাৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। এই নিৰ্দেশনা বাতিল নহ'লে কালি ছাত্ৰ সংগঠনটোৱে ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰিব বুলি ঘোষণা কৰে। পৰৱৰ্তী সময়ত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি আছাৰ সভাপতি নাগে সকীয়াই দিছে। উক্ত আন্দোলনত যুদ্ধবিৰত আদিবাসী কোব্ৰা মিলিটাৰী অৱ আছাম চমুকৈ আকমাৰ পূৰ্ণ সমৰ্থন আছে বুলি সংবাদমেলত অংশ লোৱা আকমাৰ সভাপতি জাব্ৰিয়াছ খাখাই কয়। সদৌ চাওতাল ছাত্ৰ সন্থায়ো চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি কয়।

# নাজিৰাত অজগৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৩ ফেব্ৰুৱাৰী ঃ** নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত মেকিপুৰ নিমতিতা অঞ্চলত এডাল অজগৰ উদ্ধাৰ হয়। অঞ্চলটোৰ এখন হাবিত সাত ফুট দৈৰ্ঘ্যৰ এডাল অজগৰ স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। স্থানীয় কেইজনমান যুৱকে অজগৰডাল উদ্ধাৰ কৰি বন বিভাগলৈ খবৰ দিয়াত বন বিভাগৰ এটা দল অঞ্চলটোত উপস্থিত হৈ অজগৰডাল চমজি লয়।

# মাৰ্ঘেৰিটাত ড্ৰাগছসহ ধৃত দুই

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২৩ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ ৰাজ্যতে ড্ৰাগছ বিৰোধী অভিযান অব্যাহত থকাৰ সময়তে একাংশ ড্ৰাগছ মাফিয়াই আৰক্ষীৰ চকুত ধূলি দি অব্যাহত ৰাখিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। মাৰ্ঘেৰিটা চাংলাং তিনিআলিৰ সমীপত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলি থকাৰ মাজতে আৰক্ষীয়ে ড্ৰাগছসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজন একে পৰিয়ালৰে দীপক মণ্ডল আৰু জয়প্ৰকাশ মণ্ডল। লোক দুজনৰ ঘৰৰ পৰা ২৩ গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে ব্যৱসায়ীকেইজনৰ পৰা আৰক্ষীয়ে বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। উল্লেখ্য যে ধৃত লোককেইজনে ঘৰৰ সন্মুখতে গেৰেজ খুলি ড্ৰাগছৰ ব্যৱসায় চলাই আহিছিল বুলি দীৰ্ঘদিনে চলি অহা অভিযোগৰ ভিত্তিতে কালি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

# গহিয়াত পাচলি বাগিচা-পৰিপুষ্টিৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ মাজত সামগ্ৰী বিতৰণ



অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২৩ ফেব্ৰুৱাৰী ঃ** 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ উদ্যোগত আজি পাচলি বাগিচা আৰু পৰিপুষ্টিৰ নিৰাপত্তা বিকাশৰ বাবে অঞ্চলটোৰ প্ৰসূতি মহিলা আৰু প্ৰাথমিক বিদ্যালয়ৰ মুৰব্বীসকলক লৈ এখন বিশেষ উদ্বোধনী সজাগতা সভা এখন বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ গহিয়া উন্নয়ন সমিতিৰ ৰাজহুৱা মঞ্চত অনুষ্ঠিত হয়। গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথ্বি ভূষণ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি গহিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সদানন্দ শইকীয়াই সুষম খাদ্যৰ ওপৰত সকলোকে বিশেষ গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত নিৰ্দিষ্ট বক্তাৰূপে সমগ্ৰ শিক্ষা অভিযানৰ বৰপেটা জিলা আঁচনি বিষয়া নিৰঞ্জন ওজাই প্ৰতিখন বিদ্যালয় প্ৰাংগণত এখনকৈ পাচলি বাগিচা প্ৰস্তুত কৰি বিদ্যাৰ্থীৰ মাজত সুষম আৰু জৈৱ পাচলিৰ গুৰুত্ব উপলব্ধি কৰাবলৈ পৰামৰ্শ দিয়ে। সভাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বৰপেটা উন্নয়ন খণ্ডৰ প্ৰকল্প প্ৰবঞ্চক অৰূপ কুমাৰ শৰ্মাই প্ৰতিঘৰ পৰিয়ালে নিজৰ ঘৰত এখনকৈ সৰু পাচলি বাগিচা তৈয়াৰ কৰাৰ ওপৰত গুৰুত্ব দিবলৈ সকলোকে আহ্বান জনাই বক্তব্য প্ৰকাশ কৰে। লগতে তেওঁ কয় যে কৰ্মবিমুখতা আৰু অসুষম খাদ্য ৰোগ উৎপত্তিৰ অন্যতম কাৰণ বুলি মত প্ৰকাশ কৰে। সভাত গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথ্বি ভূষণ ডেকাই গ্ৰাম্য বিকাশ মঞ্চই ইতিপূৰ্বে লৈ অহা বিভিন্ন আঁচনিৰ সবিশেষ ব্যাখ্যা আগবঢ়ায়। সভাত স্বাস্থ্য বিভাগৰ কৰ্মচাৰী কল্প ডেকা, মণি তালুকদাৰ, গহিয়া শংকৰদেৱ শিশু নিকেতনৰ প্ৰধানাচাৰ্য প্ৰশান্ত নাথ আদিয়ে সুষম খাদ্য আৰু প্ৰত্যেক লোককে জৈৱিক পদ্ধতিৰে শাক-পাচলিৰ বাগিচা তৈয়াৰ কৰিবলৈ আহ্বান জনায়। সভাত ১৫খন প্ৰাথমিক বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ আৰু ১২০ গৰাকী প্ৰসূতিৰ মাজত পাচলি বাগিচাৰ বাবে প্লাষ্টিক নেট, পানী ছটিওৱা ঝাৰী আৰু শস্যৰ বীজ বিতৰণ কৰা হয়।

# বিজেপি কৰ্মী ভাৰত বৰ্মনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**চামতা, ২৩ ফেব্ৰুৱাৰী ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতাৰ সমীপৰ পূৰ্ণি নিবাসী সৰবৰহী তথা বিজেপি কৰ্মী ভাৰত বৰ্মন (৫১)ৰ যোৱা নিশা নলবাৰীৰ কটৰা গাঁৰৰ শাহুৰেকৰ ঘৰত হঠাৎ উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ অসুস্থ হোৱাত লগে লগে নলবাৰী ছহিদ মুকুন্দ কাকতি হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও নিশা মৃত্যু ঘটাত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। সৰবৰহী বিজেপি কৰ্মীজনৰ বৰ্মনে মৃত্যুৰ সময়ত পত্নীসহ এজন আঠ বছৰীয়া পুত্ৰৰ লগতে বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। বৰ্মন মৃত্যুত ধৰ্মপুৰ বিজেপি, পূৰ্ণি গাঁও উন্নয়ন সমিতি, পূৰ্ণি নৱজাগৰণ পুথিভঁৰালৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

# বেজেৰাত মীন সম্পৰ্কীয় কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৩ ফেব্ৰুৱাৰী ঃ** আজি কামৰূপ জিলাৰ জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বেজেৰাস্থ বৰবংশৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অসম চৰকাৰৰ মীন বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত এখন মীন পালন সম্পৰ্কীয় কৰ্মশালা সভা অনুষ্ঠিত হয়। কামৰূপ, কামৰূপ (মহানগৰ), নলবাৰী, দৰং আৰু বৰপেটা জিলাৰ প্ৰায় ডেৰ শতাধিক মৎস্য পালকে অংশগ্ৰহণ কৰা আজিৰ কৰ্মশালাখনত উপস্থিত থাকে কামৰূপ জিলাৰ মীন উন্নয়ন বিষয়া আয়ুবুদ্দিন আহমেদ, বেজেৰা উন্নয়ন খণ্ডৰ মীন বিষয়া বিৰাজ শৰ্মা, কামৰূপ জিলাৰ কৃষি বিজ্ঞানী পৰাগ শইকীয়া, বেজেৰা পঞ্চায়তৰ সভানেত্ৰী ভবানী ডেকা, নলবাৰী জিলাৰ পশু চিকিৎসক ডাঃ পবিত্ৰ দাস, ৰাণীৰ মীন বিষয়া জ্যোতিষ চন্দ্ৰ দাস, বিহদিয়া জাজিকোনা উন্নয়ন খণ্ডৰ মীন বিষয়া মুকুট বৰুৱাই ব্যৱসায়িক ভিত্তিত মৎস্য পালন সম্পৰ্কে বহুমূলীয়া পৰামৰ্শ প্ৰদান কৰে। কৰ্মশালাত ভাৰতীয় জনতা পাৰ্টী কৃষক মৰ্চাৰ ৰাজ্যিক উপ সভাপতি ৰঞ্জিত ভট্টাচাৰ্য উপস্থিত থাকে।

# কলগাছিয়াৰ বালাৰপাথাৰত দুই ডাম্পাৰৰ মুখামুখি সংঘৰ্ষ



**কলগাছিয়া, ২৩ ফেব্ৰুৱাৰী ঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাৰপাথাৰ গাঁৱত আজি সংঘটিত হয় এক পথ দুৰ্ঘটনা। বামুণটাৰীৰ পৰা কলগাছিয়া অভিমুখে আহি থকা এ এছ-২৬ চি-৭৭০০ নম্বৰৰ বালিভৰ্তি ডাম্পাৰ আৰু বিপৰীত দিশৰ পৰা নম্বৰবিহীন ডাম্পাৰৰ লগত প্ৰচণ্ড খুন্দা মৰাত দুৰ্ঘটনাটো সংঘটিত হয়। ঠাইখিনিত ইয়াৰ পূৰ্বেও কে'বাবাৰো দুৰ্ঘটনা সংঘটিত হৈছে যদিও প্ৰশাসনৰ ফালৰ পৰা কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। যাৰ বাবে ৰাইজে পথটো বহল আৰু দুয়োপাৰে থকা বাঁহনি চাফা কৰি গতিৰোধক দিয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে।

## ■ পেঙেৰীৰ নলনীত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উত্তাল প্ৰতিবাদ

# মদ-ভাং-ড্ৰাগছ-কানি বন্ধ কৰিবলৈ আৰক্ষী-প্ৰশাসনৰ সহায় বিচাৰিলে মাতৃ সমাজে



**ডিগবৈ, ২৩ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ গ্ৰামাঞ্চলসমূহত বৰ্তমান নিচাযুক্ত দ্ৰব্য বিশেষকৈ মদ, ভাং, ড্ৰাগছ, কানিৰ লগতে আন আন ৰাগিয়াল দ্ৰব্যৰ প্ৰচলন ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। একাংশ যুৱপ্ৰজন্ম মাৰাত্মক ব্যাধিৰ কৱাল গ্ৰাসত পৰি অনৈতিক বিভিন্ন অপৰাধমূলক কাৰ্যত জড়িত হৈছে। তিনিচুকীয়া জিলাৰ বিশেষকৈ অসম-অৰুণাচল সীমান্তৱৰ্তী বুঢ়ীদিহিং, বৰডুমচা, পেঙেৰী আদি অঞ্চলত সহজলভ্য হৈ পৰা ড্ৰাগছ-কানিৰ লগতে অৰুণাচলী সুৰাৰ অবাধ প্ৰচলনে যুৱপ্ৰজন্মক পংগু কৰিছে। উক্ত অঞ্চলসমূহত চলি থকা ড্ৰাগছ-কানি তথা মদ-ভাঙৰ অবাধ প্ৰচলন বন্ধৰ দাবীত আজি পেঙেৰীৰ নলনীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পেঙেৰী-বৰডুমচা আঞ্চলিক সমিতি আৰু ডিব্ৰু-দুৱাৰমৰা শাখা সমিতিৰ যৌথ উদ্যোগত অঞ্চলটোৰ মহিলা গোট (গ্ৰাম্য সংগঠন), যুৱক সংঘ তথা স্থানীয় ৰাইজৰ সহযোগত শ শ মহিলাই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। 'ঐ কানীয়া হুচিয়াৰ, ঐ মদাহী হুচিয়াৰ' শ্ল'গানেৰে হাতে হাতে বেনাৰ-প'ষ্টাৰ লৈ মহিলাই প্ৰতিবাদ জনায়। এইবোৰৰ প্ৰচলন বন্ধ কৰিবলৈ মাতৃ সমাজে আৰক্ষী-প্ৰশাসনক আহ্বান জনাইছে। উক্ত কাৰ্যসূচীত ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত বুঢ়ীদিহিং, তৰাণি, দুৱাৰমৰা আদি সংৰক্ষিত বনাঞ্চলসমূহত অবাধ হাৰত চলি থকা বন ধ্বংসযজ্ঞ ৰোধ কৰিবলৈ প্ৰতিবাদকাৰীসকলে দাবী জনায়। পাছত পেঙেৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষসমূহলৈ স্মাৰকপত্ৰও প্ৰেৰণ কৰে।

# সন্ধানহীন দিফুল মহন্তৰ পিতৃৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**তালাপ, ২৩ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত হাতীশাল বিষ্ণুপুৰ গাঁৱৰ এজন দুৰ্ভগীয়া পিতৃ পুত্ৰ সন্তানৰ দুঃ চিন্তাত মৃত্যু হয়। উল্লেখ্য যে যোৱা ১৩ জানুৱাৰীত অৰ্থাৎ মাঘবিহুৰ উৰুকাৰ দিনাৰ পৰাই বিষ্ণুপুৰ গাঁৱৰ নবীন মহন্তৰ জ্যেষ্ঠ পুত্ৰ দিফুল মহন্ত সন্ধানহীন হৈ আছে। দিফুলৰ সন্ধানহীনৰ সম্পৰ্কত পৰিয়ালৰ ফালৰ পৰা তালাপ আৰক্ষী চকীত এজাহাৰো দাখিল কৰিছিল। কিন্তু আৰক্ষীয়ে আজিও দিফুল মহন্তৰ নিৰুদ্দেশৰ সম্পৰ্কত সন্ধান উলিয়াব পৰা নাই। ৰুগীয়া পিতৃ নবীন মহন্তক শুৱা বিছনাত এৰি দিফুলে আলফা (স্বাধীন)ত যোগদান কৰিবলৈ ওলাই যোৱা বুলি সামাজিক মাধ্যমত প্ৰচাৰ হোৱাত পিতৃৰ দুঃ চিন্তা আৰু অধিক হ'বলৈ ধৰিলে। কালি পুৱতি নিশা পুত্ৰৰ দুঃ চিন্তাতে তেওঁ মৃত্যুবৰণ কৰে। মৃত্যুৰ সময়ত মহন্তই পত্নী, তিনিজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তান ইহ সংসাৰত এৰি গুচি গৈছে। নিৰুদিষ্ট দিফুল মহন্ত সচাঁকৈয়ে নিষিদ্ধ ঘোষিত সংগঠন আলফা স্বাধীনত যোগদান কৰিছেনে সন্ধানহীন হৈ আছে নিশ্চিত কৰাৰ লগতে পুনৰ ঘৰলৈ ঘূৰি আহিবলৈ পৰিয়ালে আহ্বান জনাইছে।

# ঈশ্বৰ বৰালৰ মৃত্যু বাৰ্ষিকী উপলক্ষে স্মৃতিগ্ৰন্থ 'স্মৃতি তৰংগ' উন্মোচন

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২৩ ফেব্ৰুৱাৰী ঃ** ঢেকিয়াজুলি ৰাজহ চক্ৰৰ ভংগামন্দিৰ অঞ্চলৰ বালিজান কছাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঈশ্বৰ বৰালৰ মৃত্যু বাৰ্ষিকী উপলক্ষে তেওঁৰ শুভাকাংক্ষী আৰু পৰিয়ালৰ সদস্যসকলৰ যৌথ প্ৰচেষ্টাত প্ৰকাশিত স্মৃতিগ্ৰন্থ ১৮ ফেব্ৰুৱাৰীত ভংগামন্দিৰত উন্মোচন কৰা হয়। পুৱা ১১-৩০ বজাত প্ৰয়াত ঈশ্বৰ বৰালৰ বাসগৃহত আয়োজিত স্মৃতিগ্ৰন্থ উন্মোচনী সভাত বয়োজ্যেষ্ঠ মহিলা বিমলা দেৱীয়ে 'স্মৃতি তৰংগ' উন্মোচন কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক দল বাহাদুৰ সুতাৰৰ সভাপতিত্বত অনুষ্ঠিত উন্মোচনী সভাত ভাষণ প্ৰদান কৰি উন্মোচন বিমলা দেৱীয়ে প্ৰয়াত অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীৰ কৰ্মৰাজিৰ বিষয়ে লিখিত আকাৰে প্ৰকাশ কৰা কাৰ্যক আদৰণি জনায়। এই পদক্ষেপে প্ৰয়াত শিক্ষকগৰাকীৰ আদৰ্শ জীয়াই ৰখাৰ চেষ্টা কৰা হৈছে বুলি উন্মোচকগৰাকীয়ে মন্তব্য কৰে। স্মৃতি তৰংগৰ সম্পাদক দিল্লীৰাম খনালে আঁত ধৰা সভাখনত সমাজকৰ্মী লোকনাথ উপাধ্যায় শাস্ত্ৰী, এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, লেখক-সাহিত্যিক ৰুদ্ৰ বৰাল, বৰছলা আঞ্চলিক পঞ্চায়তৰ সভাপতি তিলক পকোৱাল, সমাজকৰ্মী গংগা ভট্টৰাই, মহিম আচাৰ্য, অৱসৰপ্ৰাপ্ত শিক্ষক গোপ বাহাদুৰ থাপা, সুৰেন বিশ্বাস, চন্দ্ৰ উপাধ্যায়, সাংবাদিক নাৰায়ণ ফয়েল, প্ৰয়াত ঈশ্বৰ বৰালৰ পত্নী ইন্দিৰা দেৱী, পুত্ৰ ধীৰাজ বৰাল, বোৱাৰী সংগীতা বৰাল, জীয়ৰী শোভা দেৱী, জোঁৱাই বিজয় কাশ্যপৰ লগতে শতাধিক লোক উপস্থিত থাকে।

# অভয়াপুৰীৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় পথ-শিশু উদ্যানৰ নাম ৰাণী অভয়েশ্বৰী নামেৰে নামকৰণৰ দাবী

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৩ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰৰ মাজেৰে বৰপেটা হৈ গুৱাহাটীলৈ যোৱা দুই নম্বৰ ৰাষ্ট্ৰীয় পথ আৰু অভয়াপুৰীস্থিত ভাৰতীয় ষ্টেট বেংকৰ সন্মুখত থকা শিশু উদ্যানখন ৰাণী অভয়েশ্বৰী নামেৰে নামকৰণ কৰাৰ আবেদন জনাইছে সদৌ বঙাইগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই। যোৱা ২১ ফেব্ৰুৱাৰীত উত্তৰ শালমাৰাৰ মহকুমাধিপতিৰ হাতত এই সন্দৰ্ভত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সন্থাৰ সভাপতি সঞ্জীৱ কুমাৰ ৰায় (কোচ) আৰু সাধাৰণ সম্পাদক শিবেন নাৰায়ণ দেৱ স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰা মতে, ৰাণী অভয়েশ্বৰীয়ে অভয়াপুৰীত বিজনীৰ ৰাজধানী পাতি সম্পূৰ্ণ ৩৪ বছৰ ৰাজত্ব কৰিছিল। কিন্তু কালক্ৰমত তেওঁৰ নাম-যশ যি ধৰণে প্ৰচাৰ আৰু প্ৰসাৰ হ'ব লাগিছিল সেয়া হৈ নুঠিল বুলি আক্ষেপ প্ৰকাশ কৰি দুই নম্বৰ ৰাষ্ট্ৰীয় পথটোৰ লগতে শিশু উদ্যানখনৰ নাম ৰাণী অভয়েশ্বৰী নামেৰে নামকৰণ কৰি স্মৃতি উজ্বলাই ৰখাৰ ক্ষেত্ৰত মহকুমাধিপতিৰ হস্তক্ষেপ বিচাৰি আবেদন জনায় সংগঠনটোৱে।


## ■ বিশ্বনাথ জিলা বহুমুখী স্বাস্থ্যকৰ্মী সন্থা গঠন

# গহপুৰত বিশ্বনাথ জিলাৰ বহুমুখী স্বাস্থ্যকৰ্মীৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰৰ বহুমুখী স্বাস্থ্যকৰ্মীসকলৰ এখন সাধাৰণ সভা যোৱা ২০ ফেব্ৰুৱাৰীত গহপুৰ মহকুমাৰ গহপুৰ নগৰস্থিত কনকলতা ভৱন প্ৰাংগণত অনুষ্ঠিত হয়। উক্ত সভাখনত সভাপতিত্বত কৰে জিলাখনৰ জ্যেষ্ঠ বহুমুখী স্বাস্থ্যকৰ্মী দংশী বৰ্মনে। বহুমুখী স্বাস্থ্যকৰ্মী দীপাংকৰ বৰা (বিশ্বনাথ চাৰিআলি) আৰু বিমল ভূঞা (গহপুৰ)ই সামগ্ৰিকভাৱে আঁত ধৰা সভাখনত ভূপেন বৰা (বিশ্বনাথ চাৰিআলি), বিনোদ হাজৰিকা (গহপুৰ), গৌতম দাধৰা (বিশ্বনাথ চাৰিআলি), নৱজ্যোতি বৰুৱা (বিশ্বনাথ চাৰিআলি)সহ একাধিক বহুমুখী স্বাস্থ্যকৰ্মীয়ে বক্তব্য আগবঢ়াই বহুমুখী স্বাস্থ্যকৰ্মীসকলৰ বিভিন্ন সমস্যা তথা অভাৱ-অভিযোগসমূহ উত্থাপন কৰাৰ লগতে বিশ্বনাথ জিলা বহুমুখী স্বাস্থ্যকৰ্মী সন্থা গঠনৰ পোষকতা কৰে। সভাখনত উত্থাপন হোৱা সকলো বিষয় বিশদভাৱে আলোচনা কৰাৰ অন্তত সভাই বিশ্বনাথ জিলা বহুমুখী স্বাস্থ্যকৰ্মী সন্থা গঠনৰ সিদ্ধান্তৰ লগতে বিভিন্ন বিষয়ৰ একাধিক সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সেই মৰ্মে সভাই দীপাংকৰ বৰাক সভাপতি, গৌতম দাধৰা, দেৱকুমাৰ বৰাক উপ-সভাপতি, অচিন্ত ৰাভাক সাধাৰণ সম্পাদক, ৰাজেন শইকীয়া, বিপিন নেওগক সহকাৰী সম্পাদক, বিপ্লৱ ভূঞা, পদ্মধৰ বড়ো, জ্যোতিময় হাজৰিকা, দয়ানন্দ ছেত্ৰী, পৰাগ ভূঞা, মতিবুৰ ৰহমানক সাংগঠনিক সম্পাদক, দেৱাশিষ শইকীয়া, দিগন্ত হালৈক প্ৰচাৰ সম্পাদক, অৰূপ শইকীয়া, অনুপল শইকীয়া, আফতাব আলম, মহেন্দ্ৰ ভূঞা, বুলবুল বৰা, ধ্ৰুৱ মহন্তক কাৰ্যকৰী সদস্য আৰু ভূপেন বৰা, অপূৰ্বজ্যোতি পাঠকক পৰীক্ষকৰূপে লৈ বিশ্বনাথ জিলা বহুমুখী স্বাস্থ্যকৰ্মী সন্থাৰ এখন ২১ জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সভাপতিৰ মন্তব্যত জ্যেষ্ঠ বহুমুখী স্বাস্থ্যকৰ্মী দংশী বৰ্মনে নৱগঠিত সন্থাৰ বিষয়ববীয়াসকলে নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি বিশ্বনাথ জিলাৰ বহুমুখী স্বাস্থ্যকৰ্মীসকলৰ সমস্যাসমূহ আশু সমাধানৰ প্ৰয়াস কৰাৰ আশা প্ৰকাশ কৰে।

# শ্ৰদ্ধাঞ্জলি ভূপেন্দ্ৰ নাথ শৰ্মা



যোৱা ১৪ ফেব্ৰুৱাৰীৰ পুৱা হঠাতে খবৰটো পাই ক্ষন্তেকৰ বাবে মই মৌন হৈ পৰিছিলো। ভাবিছিলো খবৰটো কেনেকৈ ঘৰত কোৱা যায়। কাৰণ মৃত্যুৰ বাতৰিত সকলোৱে মৰ্মাহত হয়, মোৰো একে হৈছিল। যাহওক অসহনীয় হ'লেও ঘৰত খবৰটো দিলো। এজন সহজ-সৰল ব্যক্তিত্বৰ অধিকাৰী আছিল প্ৰয়াত শৰ্মা। শৈশৱৰ পৰা বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজৰে দিন অতিবাহিত কৰাৰ লগতে ভাৰত চৰকাৰৰ ডাক বিভাগৰ এজন সুদক্ষ কৰ্মচাৰীৰূপে প্ৰতিষ্ঠা কৰিব পাৰিছিল। সেই ফালৰ এজন যোগ্য ব্যক্তিৰ জোঁৱাই হ'বলৈ পাই ময়ো গৌৰৱান্বিত। দীৰ্ঘদিনৰ পৰা শাৰীৰিক অসুস্থতাৰ কাৰণে মৃত্যুৰ আগমুহূৰ্তত মানসিক ভাৰসাম্যত বেমেজালি আহিছিল যদিও পৰিয়াল তথা আত্মীয়-স্বজনৰ খা-খবৰ লোৱাত কাৰ্পণ্য কৰা নাছিল। আজি তেওঁৰ পবিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছো। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

**বিজু ফুকন শৰ্মা** (জোঁৱাই)



দীপক হুদা

# আজি ভাৰত-শ্ৰীলংকাৰ প্ৰথম টি-২০

**লক্ষ্ণৌ, ২৩ ফেব্ৰুৱাৰী ঃ** ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচ কাইলৈ লক্ষ্ণৌত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰি মানসিক ৰূপত দৃঢ় হৈ শক্তিশালী স্থিতিত আছে লগতে শ্ৰীলংকাৰ বিৰুদ্ধেও দল আত্মবিশ্বাসী। উল্লেখ্য যে আই চি চিৰ টি-20 ৰেংকিঙৰ শীৰ্ষস্থানত উপনীত হৈছে টীম ইণ্ডিয়া। আনহাতে, অষ্ট্ৰেলিয়াৰ পৰা বিধ্বস্ত হৈ আহিছে শ্ৰীলংকা দল। আই চি চিৰ টি-20 ৰেংকিঙৰ অষ্টম স্থানত আছে সিংহলী বাহিনী। সেই দৃষ্টিৰে ভাৰত শৃংখলাৰ ফেভাৰিট। অৱশ্যে অষ্ট্ৰেলিয়াই শ্ৰীলংকাৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টি-20 শৃংখলাটো 4-1 ৰ ব্যৱধানত দখল কৰিছিল যদিও শৃংখলাৰ পঞ্চমখন মেচত শ্ৰীলংকাই পাঁচ উইকেটত জয়ী হৈ সন্মান ৰক্ষা কৰে। সেই সফলতাকে ভাৰতত ধৰি ৰখাৰ লক্ষ্য শ্ৰীলংকা দলৰ। উল্লেখ্য যে অষ্ট্ৰেলিয়াত ক্ৰমাগত চাৰিখন মেচত পৰাস্ত হোৱাৰ পাছত অন্তিম মেচত জয়ী হয় শ্ৰীলংকা। কিন্তু ভাৰতৰ বিজয় ৰথ স্তব্ধ কৰাটো সহজ নহ'ব শ্ৰীলংকাৰ। উল্লেখ্য যে ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ তৃতীয়খন মেচতো 17 ৰাণত জয়ী হৈ 3-0 ৰ ব্যৱধানৰে শৃংখলা দখল কৰে। ইয়াৰপূৰ্বে ভাৰতে এদিনীয়া শৃংখলাও 3-0 ৰ ব্যৱধানৰে দখল কৰিছিল। ৰোহিত শৰ্মাৰ নেতৃত্বত এয়া ভাৰতৰ অনন্য সফলতা। উল্লেখ্য যে অন্তিম মেচত দলত নাছিল বিৰাট কোহলি আৰু ঋষভ পণ্ট। আনহাতে, ৰোহিত শৰ্মায়ো মধ্যক্ৰমত খেলে। কিন্তু দলৰ নতুন তাৰকা সূৰ্যকুমাৰ যাদব , ইযাণ কিযান, শ্ৰেয়াছ আয়াৰ, ভেংকটেশ আয়াৰে প্ৰত্যাসিত প্ৰদৰ্শন কৰে। ইয়াৰপূৰ্বে দ্বিতীয় মেচত ভাৰতে আঠ ৰাণত পৰাস্ত কৰে ৱেষ্টইণ্ডিজক। আনহাতে, কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত হোৱা প্ৰথম মেচখনত ভাৰতে ছয় উইকেটত সহজ জয় সাব্যস্ত কৰে।



## প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট

## কলিয়াবৰ নিউ ষ্টাৰ-বোকাখাত টাউন ক্ৰিকেট ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**

**বেৰেজীয়া, ২৩ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ মধ্য অসম মণ্ডলৰ আজি নগাঁৱৰ খেলত কলিয়াবৰৰ নিউ ষ্টাৰ ক্লাবে হোজাইৰ টিপটপ ক্লাবক পাঁচ ৰাণত পৰাজিত কৰাৰ বিপৰীতে মৰিগাঁৱত অনুষ্ঠিত খেলত বোকাখাট টাউন ক্ৰিকেট ক্লাবে মৰিগাঁৱৰ ৰানা ক্লাবক তিনি উইকেটত পৰাস্ত কৰে। ইয়াৰে নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত কলিয়াবৰৰ নিউ ষ্টাৰ ক্লাবে পোনতে বেট ধৰি 25.2 অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত 130 ৰাণ সংগ্ৰহ কৰে। বলিঙত টিপটপ ক্লাবৰহৈ সুনীল চৌহানে চাৰিটা উইকেট পায়। প্ৰত্যুত্তৰত টিপটপ ক্লাব দলটোৱে বেট ধৰি 32.5 অভাৰত 125 ৰাণ সংগ্ৰহ কৰোতেই সকলোকেইটা উইকেটৰ পতন ঘটে। বলিঙত নিউ ষ্টাৰ ক্লাবৰহৈ দেবাশীষ শইকীয়াই চাৰিটা উইকেট দখল কৰে। ইপিনে মৰিগাঁৱৰ ক্ষিৰোদ বৰুৱা ষ্টেডিয়ামৰ খেলখনত ৰানা ক্লাবে পোনতে বেট ধৰি 37 অভাৰত নটা উইকেট হেৰুৱাই 213 ৰাণ সংগ্ৰহ কৰাৰ প্ৰত্যুত্তৰত বোকাখাট টাউন ক্ৰিকেট ক্লাবে 37 অভাৰত সাতটা উইকেটৰ বিনিময়ত 214 ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্যত উপনীত হয়।

### আঘাতপ্ৰাপ্ত ভাৰতীয় ক্ৰিকেটাৰক ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীলৈ প্ৰেৰণ

## টি-২০ শৃংখলাৰ পৰা সূৰ্যকুমাৰো বাহিৰ



**লক্ষ্ণৌ, ২৩ ফেব্ৰুৱাৰী ঃ** টীম ইণ্ডিয়াৰ পেচাৰ দীপক চাহাৰৰ পাছত বেটছমেন সূৰ্যকুমাৰ যাদবো শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা তিনিখনীয়া টি-20 শৃংখলাৰ পৰা বিদায় লৈছে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা অন্তিম টি-20 মেচত আঘাত দীপকৰ লগতে আঘাত পাইছিল সূৰ্যকুমাৰেও। আজি বি চি চি আয়ে ক্ৰিকেটাৰগৰাকীক দলৰ পৰা বাদ দিয়াৰ কথা ঘোষণা কৰে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলা আৰু তিনিখনীয়া টি-20 শৃংখলাৰ বাবে টীম ইণ্ডিয়াৰ দল দুটা ইতিমধ্যে ঘোষণা কৰিছে। তিনিখনীয়া টি-20 শৃংখলাৰ দলত আছিল যাদব আৰু দীপক চাহাৰ। এতিয়া উভয় ক্ৰিকেটাৰে ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীলৈ যাব। কিন্তু তেওঁলোকৰ স্থানত নতুন ক্ৰিকেটাৰ দলত লোৱা হোৱা নাই। উল্লেখ্য যে আঘাতৰ বাবে শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব লগা তিনিখনীয়া টি-20 শৃংখলাৰ দলত নাই ৱাশ্বিংটন সুন্দৰ, লোকেছ ৰাহুল আৰু অক্ষৰ পেটেল। ইফালে, তিনিখনীয়া টি-20 শৃংখলাত জিৰণি দিয়া হৈছে বিৰাট কোহলি আৰু ঋষভ পণ্টকো। ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটোত অনবদ্য প্ৰদৰ্শন কৰিছিল যাদবে। উল্লেখ্য যে ভাৰত ভ্ৰমণত শ্ৰীলংকা দলে প্ৰথমে তিনিখন টি-20 মেচ খেলাৰ পাছত দুখন টেষ্ট মেচ খেলিব। টি-20 মেচ তিনিখনৰ প্ৰথমখন লক্ষ্ণৌত 24 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, পৰবৰ্তী মেচদুখন 26-27 ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ধৰমশালাত। ভাৰতৰ টি-20 দলটো হ'ল ঃ ৰোহিত শৰ্মা (অধিনায়ক), ৰিতুৰাজ গাইকোৱাড, ইষান কিষান, শ্ৰেয়াছ আয়াৰ, ভেংকটেশ আয়াৰ, দীপক হুদা, যশপ্ৰীত বুমৰাহ, ভূৱনেশ্বৰ কুমাৰ, হৰ্ষল পেটেল, মহম্মদ চিৰাজ, সঞ্জু ছেমছন, যজবেন্দ্ৰ চাহাল, ৰবীন্দ্ৰ জাদেজা, কুলদ্বীপ যাদব, ৰবী বিষ্ণয় আৰু আভেছ খান।

## আজিৰে পৰা হাৰিয়ানাত অসম-উত্তৰ প্ৰদেশৰ ৰঞ্জী মেচ

**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** ৰঞ্জী ট্ৰফীৰ ছিজনৰ প্ৰথমখন মেচতে ইনিংছ ব্যৱধানত পৰাজয়ৰ সন্মুখীন হোৱা অসম ক্ৰিকেট দলে কাইলৈ দ্বিতীয় মেচত মুখামুখি হ'ব উত্তৰ প্ৰদেশৰ। উল্লেখ্য যে হাৰিয়ানাৰ বংশীলাল ক্ৰিকেট ষ্টেডিয়ামত হ'বলগা এই মেচ অসমৰ বাবে অতি গুৰুত্বপূৰ্ণ। কোৱাৰ্টাৰ ফাইনেললৈ উত্তৰণ অসমৰ বাবে কঠিন প্ৰত্যাহ্বান। কিন্তু তাতকৈয়ো দলৰ সন্মুখত থকা নতুন সমস্যা হ'ল এলিটৰ পৰা প্লেটলৈ অৱনমনৰ চাপ। সেয়ে এই মেচত অসমে পইণ্ট লোৱাটো অতিকৈ জৰুৰী। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে খেলা প্ৰথম মেচখনত ফল'অনৰ সন্মুখীন হোৱা অসমে অন্তিম দিনা 160 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু এক ইনিংছ সাত ৰাণত পৰাস্ত হয়। মেচখনত মহাৰাষ্ট্ৰৰ 415 ৰাণৰ প্ৰত্যুত্তৰত অসমে 248 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু ফল'অনৰ সন্মুখীন হৈছিল। দ্বিতীয় ইনিংছত অসমৰ হৈ ৰিয়ানে 56, স্বৰূপমে 38 আৰু ঋষভে 34 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় শুভম মণ্ডল (8], ছাহিল জৈন (1] আৰু গকুল শৰ্মা (0] ¼ প্ৰথম ইনিংছতো অসমৰ বেটছমেনে প্ৰত্যাসিত প্ৰদৰ্শন কৰাত সফল নহ'ল। ৰিয়ানে 88, শুভমে 49 আৰু কুনাল শইকীয়াই 46 ৰাণ কৰে। ব্যৰ্থ হয় ঋষভ (14], গকুল (5], স্বৰূপম (5] আৰু ছাহিল (4] ¼ ইফালে, বলিঙত অসমৰ মুখতাৰ হুছেইনে পাঁচটা তথা অৰূপ দাস আৰু ৰনজিত মালিয়ে দুটাকৈ উইকেট পায়। অভিষেক কৰা অম্লানজ্যোতি দাসে এটা উইকেট দখল কৰে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফীত এইবাৰ এলিট গ্ৰুপত খেলা অসমে গ্ৰুপত প্ৰতিদ্বন্দ্বী হিচাপে পাইছে বিদৰ্ভ, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰক। 24-27 ফেব্ৰুৱাৰীলৈ দ্বিতীয় মেচত অসম উত্তৰ প্ৰদেশৰ মুখামুখি হোৱাৰ পাছত বিদৰ্ভৰ বিৰুদ্ধে অসমে তৃতীয়খন মেচ খেলিব তিনিৰ পৰা ছয় মাৰ্চলৈ। কুনাল শইকীয়াৰ নেতৃত্বত খেলিব লগা অসম দলৰ সদস্যসকল হ'ল ঃ গকুল শৰ্মা, ঋষভ দাস, স্বৰূপম পুৰকায়স্থ, ৰিয়ান পৰাগ, ছাহিল জৈন, ডেনিছ দাস, পল্লৱ কুমাৰ দাস, শুভম মণ্ডল, ৰনজিত মালী, অৰূপ দাস, মুখতাৰ হুছেইন, প্ৰীতম দাস, হৃদীপ ডেকা, অম্লানজ্যোতি দাস, ৰৌছন আলম, সিদ্ধাৰ্থ শৰ্মা আৰু হৃষিকেশ তামুলী। অতিৰিক্ত খেলুৱৈ ঃ মৃন্ময় দত্ত, ৰাহুল হাজৰিকা, ৰাহুল সিং, নাছিৰুল্লাহ, আকাশ সেনগুপ্তা আৰু শিৱ শংকৰ ৰয়।



## দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলা দখলৰ লক্ষ্য কিৱিৰ

**ক্ৰিছচাৰ্চ, ২৩ ফেব্ৰুৱাৰী ঃ** নিউজিলেণ্ডে টেষ্ট শৃংখলা জয় কৰাৰ লক্ষ্যৰে দ্বিতীয়খন টেষ্ট খেলিব দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে। অহা 25 ফেব্ৰুৱাৰীৰ পৰা হ'ব দ্বিতীয় টেষ্ট। উল্লেখ্য যে নিউজিলেণ্ডৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা টেষ্ট শৃংখলাৰ প্ৰথম মেচতে চমকপ্ৰদ প্ৰদৰ্শন কৰিছিল। তিনিদিনতে সমাপ্ত হোৱা মেচখনত নিউজিলেণ্ডে এক ইনিংছ আৰু 276 ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাক। উল্লেখ্য যে প্ৰথম টেষ্টৰ প্ৰথমদিনা পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই মাত্ৰ 95 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। দক্ষিণ আফ্ৰিকাৰ এই বিপৰ্যয়ৰ মূলতে হ'ল নিউজিলেণ্ডৰ পেচ বলাৰ মাট হেনৰীৰ বিধ্বংসী বলিং। মাত্ৰ 23 ৰাণত সাতটা উইকেট দখল কৰে হেনৰীয়ে। ইফালে, নিউজিলেণ্ডে প্ৰথম ইনিংছত 482 ৰাণত অলআউট হয়। নিকলছে কৰে 105 ৰাণ। দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছতো বেটিঙত ব্যৰ্থ হৈ 111 ৰাণত অলআউট হয় আৰু পৰাজয় স্বীকাৰ কৰে। নিউজিলেণ্ডৰ ছাউথীয়ে পাঁচটা উইকেট পায়।

## আজি নেহৰু ষ্টেডিয়ামত চত্তিছগড়ৰ বিৰুদ্ধে তামিলনাড়ু

**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফীৰ এটা গ্ৰুপৰ মেচ অনুষ্ঠিত হৈছে গুৱাহাটীতো। অসম ক্ৰিকেট সন্থাই বৰ্ষাপাৰা ষ্টেডিয়াম আৰু নেহৰু ষ্টেডিয়ামত ৰঞ্জী ট্ৰফীৰ মেচ অনুষ্ঠিত কৰিছে। গুৱাহাটীত খেলা দল চাৰিটা হ'ল তামিলনাড়ু, দিল্লী,ঝাৰখণ্ড আৰু চত্তিছগড়। উল্লেখ্য যে নেহৰু ষ্টেডিয়ামত কাইলৈ পৰা অনুষ্ঠিত হ'বলগা ৰঞ্জী ট্ৰফীৰ মেচত তামিলনাড়ুই খেলিব চত্তিছগড়ৰ বিৰুদ্ধে। চত্তিছগড়ে প্ৰথম মেচত ঝাৰখণ্ডক হৰুৱাই ছয় পইণ্ট লাভ কৰিছে। উল্লেখ্য যে মেচখনত ঝাৰখণ্ডে 169 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত চত্তিছগড়ে প্ৰথম ইনিংছত 174 ৰাণ কৰিছিল। ইফালে, ঝাৰখণ্ডে দ্বিতীয় ইনিংছত কৰে 133 ৰাণ। সেয়ে চত্তিছগড়ক বিজয়ৰ বাবে প্ৰয়োজন হয় 129 ৰাণ। দলে দুটা উইকেট হেৰুৱাই 129 ৰাণ কৰি আঠ উইকেট জয়ী হয় আৰু ছয় পইণ্ট লাভ কৰে। ইফালে, গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দিল্লী আৰু তামিলনাড়ুৰ মাজৰ ৰঞ্জী ট্ৰফীৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হৈছে যদিও দিল্লীৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰিছে তামিলনাড়ুই। স্মৰ্তব্য যে মেচখনত দিল্লীৰ 452 ৰাণৰ প্ৰত্যুত্তৰত তামিলনাড়ুই 494 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ শ্বাহৰূখ খানে 194 আৰু বাবা ইন্দ্ৰজিতে 117 ৰাণ কৰে।

## বৰ্ষাপাৰাত দিল্লী-ঝাৰখণ্ড

**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগা ৰঞ্জী ট্ৰফীৰ মেচত দিল্লী মুখামুখি হ'ব ঝাৰখণ্ডৰ। উভয় দলৰ বাবে এই মেচ গুৰুত্বপূৰ্ণ। ইয়াৰপূৰ্বে প্ৰথম মেচত দিল্লীয়ে এক পইণ্ট লাভ কৰাৰ বিপৰীতে ঝাৰখণ্ড পৰাস্ত হৈছিল চত্তিছগড়ৰ হাতত। মেচখনত ঝাৰখণ্ডে 169 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত চত্তিছগড়ে প্ৰথম ইনিংছত 174 ৰাণ কৰিছিল। ইফালে, ঝাৰখণ্ডে দ্বিতীয় ইনিংছত কৰে 133 ৰাণ। সেয়ে চত্তিছগড়ক বিজয়ৰ বাবে প্ৰয়োজন হয় 129 ৰাণ আৰু দলে দুটা উইকেট হেৰুৱাই পূৰ্ণ কৰি আঠ উইকেট জয়ী হয়। ইফালে, দিল্লী আৰু তামিলনাড়ুৰ মাজৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হয় যদিও প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে তামিলনাড়ুই। উল্লেখ্য যে মেচখনত দিল্লীৰ অপেনাৰ য়াছ ধুলে উভয় ইনিংছতে শতক অৰ্জন কৰাৰ গৌৰৱ লাভ কৰে। নিজৰ প্ৰথমখন ৰঞ্জী মেচতে অনন্য সফলতা লাভ কৰিছিল ধুলে। ৰঞ্জী মেচৰ অভিষেকত উভয় ইনিংছতে শতক অৰ্জন কৰা ধুল ভাৰতৰ তৃতীয়জন বেটাৰ। বেটছমেনৰ স্বৰ্গভূমি হোৱা বৰ্ষাপাৰাত ললিত যাদব (177] আৰু য়াছ ধুলৰ (113] শতকৰে দিল্লীয়ে 452 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। উল্লেখ্য যে দিল্লীৰ হৈ খেলা 19 বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন ভাৰতীয় দলৰ অধিনায়ক য়াছ ধুলে ৰঞ্জী ট্ৰফীৰ অভিষেক মেচতে শতক অৰ্জন কৰে। ৱেষ্টইণ্ডিজৰ পৰা চেম্পিয়ন ট্ৰফী লৈ অহাৰ পাছত প্ৰথমবাৰৰ বাবে গুৱাহাটীতে মেচ খেলিছে ধুলে। কিন্তু দিল্লীৰ 452 ৰাণৰ প্ৰত্যুত্তৰত তামিলনাড়ুই 494 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰে। দ্বিতীয় ইনিংছত দিল্লীৰ হৈ ধুলৰ (113] ৰ লগতে শতক অৰ্জন কৰে ধ্ৰুৱ শ্ব'ৰে (107] ¼ উভয় অপেনাৰৰ শতকৰ জড়িয়তে দিল্লীয়ে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ 228 ৰাণ কৰে আৰু মেচখন ড্ৰ হয়।





## টপচেম এ এছ জে এ মিডিয়া ক্ৰীড়া আৰম্ভ ঃ টি টিত চেম্পিয়ন দূৰদৰ্শন

**গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে টপচেম এ এছ জে এ মিডিয়া ক্ৰীড়া। আজি দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত হোৱা টেবুল টেনিছত পুৰুষৰ দলীয় শাখাত খিতাপ লাভ কৰে দূৰদৰ্শনে। ফাইনেলত দূৰদৰ্শনে 2-0 ত পৰাস্ত কৰে আসাম ট্ৰিবিউনক। দূৰদৰ্শনৰ হৈ খেলে লোকেন্দ্ৰ সিং আৰু শান্তনু চক্ৰৱৰ্তীয়ে। আনহাতে, আসাম ট্ৰিবিউনৰ হৈ খেলে ৰিতুৰাজ বৰঠাকুৰ আৰু পি জে বৰুৱাই। ইফালে, পুৰুষৰ একক শাখাৰ খিতাপ লাভ কৰে অসম আদিত্যৰ দেৱজিত দত্তই। আনহাতে, মহিলাৰ একক শাখাত খিতাপ লাভ কৰে হৰ্ষিতা ভাগৱতী কটকীয়ে। তেওঁ হৰুৱাই চিম্পল ৰাজকুমাৰীক। টপচেম এ এছ জে এ মিডিয়া ক্ৰীড়াত কাইলৈ অনুষ্ঠিত হ'ব বেডমিণ্টন প্ৰতিযোগিতা। উল্লেখ্য যে দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামতে হ'ব বেডমিণ্টন প্ৰতিযোগিতা।

## আন্তঃসংগঠন ক্ৰিকেট প্ৰতিযোগিতা পূৰ্ণগতিত

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৩ ফেব্ৰুৱাৰী ঃ** মৰিয়নি প্ৰেছ ক্লাৱৰ ৰূপালী জয়ন্তী উৎসৱ উদযাপনৰ লগত সংগতি ৰাখি ইয়াৰ বাপুজী ষ্টেডিয়ামত আয়োজন কৰা আন্তঃসংগঠন ক্ৰিকেট টুৰ্ণামেন্ট কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত উপনীত হৈছে । ইতিমধ্যে কৃষক মুক্তি সংগ্ৰাম সমিতি, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা, মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থা, মৰিয়নি ক্ৰীড়া সন্থা, মৰিয়নি আঞ্চলিক চুতীয়া ছাত্ৰ সন্থা, সদৌ অসম বেংগলী যুৱ ছাত্ৰ ফেডাৰেছন, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসম আৰু সদৌ তাই আহোম ছাত্ৰ সন্থাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে । আজি প্ৰথমখন খেলত আদিবাসী ছাত্ৰ সন্থাই চেম্বাৰ্চ অৱ কমাৰ্চক দহ উইকেটত পৰাজিত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । ইয়াৰ পিছৰ খেলত চুতীয়া ছাত্ৰ সন্থাই বেংগলী যুৱ ছাত্ৰ ফেডাৰেছনক চাৰি ৰানত, কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰেছ ক্লাৱক 13 ৰানত, মৰিয়নি ক্ৰীড়া সন্থাই মাৰোৱাৰী যুৱ মঞ্চক 13 ৰানত, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদে তাই আহোম ছাত্ৰ সন্থাক 10 ৰানত, মাৰোৱাৰী যুৱ মঞ্চই টি এম পি কেক 14 ৰানত, চুতীয়া ছাত্ৰ সন্থাই আটছাক 9 উইকেটত, আদিবাসী ছাত্ৰ সন্থাই প্ৰেছ ক্লাৱক 16 ৰানত, চুতীয়া ছাত্ৰ সন্থাই গোৰ্খা ছাত্ৰ সন্থাক 10 উইকেটত, বেংগলী যুৱ ছাত্ৰ ফেডাৰেছনে আটছাক 11 ৰানত আৰু আছুয়ে টি এম পি কেক 31 ৰানত পৰাজিত কৰে । কাইলৈ পুৱা কোৱাৰ্টাৰ ফাইনেলৰ খেলসমূহ অনুষ্ঠিত হ'ব আৰু দুপৰীয়ালৈ ফাইনেল খেল আৰু সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব।



অনুশীলনত মহম্মদ চিৰাজ


## মানস প্ৰতিম ক্ৰিকেটৰ ছেমিত তেজপুৰ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৩ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতিম দাস সোঁৱৰণী ক্ৰিকেটৰ আজিৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেল খেলত তেজপুৰ চিটী ক্লাৱে ৰেইনবো ক্ৰিকেট ক্লাৱ হাৰমতিত 130 ৰাণত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে তেজপুৰে 30 অভাৰত আঠটা উইকেট হেৰুৱাই 280 ৰাণ সংগ্ৰহ কৰে। তেজপুৰৰ যোগেন দাসে 139 ৰাণ সংগ্ৰহ কৰাৰ বিপৰীতে হাৰমতিৰ বিজু দাসে তিনিটা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি হাৰমতিয়ে 20.3 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ 150 ৰাণতে ইনিংছ সামৰে। আজিৰ খেলখনত জয়ী হোৱাৰ লগে লগে তেজপুৰ চিটী ক্লাৱে প্ৰতিযোগিতাখনিৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে।



## বিল্যাসনন্দন চ'ৰা



# ইউক্ৰেইন! মজাৰ খবৰ

দিল্লীৰ ৰাজসভাত বৰ থমথমীয়া পৰিৱেশ। কাৰণ ৰাজসভাত বৰ গুৰু-গম্ভীৰ আলোচনা চলিছে। আলোচনাৰ মূল বিষয় হ'ল— ইউক্ৰেইন যুদ্ধ! বৰ ডাঙৰ বিষয়। ইউ পি- পাঞ্জাৱৰ ভোটৰ দৰে সৰু-সুৰা কথাবোৰ আলোচনা কৰিবলৈ যোগী-বিয়োগী বহুত আছে। বাদশ্বাহ এইবোৰ সৰু কথাত মনোযোগ দিয়া মানুহ নহয়। ৰাজসভাৰ সভাসদসকলক সম্বোধন কৰি বাদশ্বাহে সুধিলে— 'খবৰ পোৱানে?'

ঃ কি খবৰ জাহাপনা?
ঃ ইউক্ৰেইনৰ খবৰ!
ঃ পাওঁ জাহাপনা!
ঃ কি হ'ব?
ঃ যুদ্ধ হ'ব যেনেই পাইছো।
ঃ বিশ্বযুদ্ধ হ'ব নেকি?
ঃ হ'ব পাৰে জাহাপনা!
ঃ বাইডেনে কি কয়?
ঃ পুটিনে ভাঙি যোৱা ছোভিয়েট পুটিং মাৰি মাৰি বনাব বুলি কৈছে।
ঃ ঠিকেই কৈছে।
ঃ বিশ্বযুদ্ধ হ'লে কি কৰিব জাহাপনা?
ঃ আমাৰ একো প্ৰব্লেম নহ'ব।
ঃ কিয় জাহাপনা!
ঃ আমি দেখোন বিশ্বগুৰু! বিশ্বগুৰুক কোনে কি কৰিব পাৰে?
ঃ সেইটো অৱশ্যে হয় জাহাপনা! পিছে...
ঃ পিছে কি?
ঃ নহয় মানে জাহাপনা, আমি কাৰ পক্ষত থাকিম?
ঃ ভবা নাই।
ঃ প্ৰশ্নতো উঠিব।
ঃ উঠিব!
ঃ বাইডেনেও সুধিব।
ঃ সুধিব!
ঃ পুটিনেও সুধিব!
ঃ সোধাত সুধিবই!




ঃ তেতিয়া আপুনি কাৰ পক্ষত থকা বুলি ক'ব?
ঃ কি ক'লে ভাল হ'ব?
ঃ বাইডেনৰ পক্ষত থকা বুলি ক'ব পাৰে।
ঃ পুটিনে বেয়া পাব। আমাকো পুটিং মাৰি দিব।
ঃ তেন্তে পুটিনৰ পক্ষত থকা বুলি ক'ব!
ঃ বাইডেনে আমাক বাই বাই দি দিব! মাৰ্কেট ডুবি যাব।
ঃ তেন্তে কি হ'ব?
ঃ মই এটা কথাই ক'ম।
ঃ নিৰপেক্ষ বুলি ক'ব নেকি?
ঃ নকওঁ।
ঃ তেন্তে?
ঃ কৃষ্ণ পক্ষত থকা বুলি ক'ম।
ঃ কিয়?
ঃ কৃষ্ণ পক্ষত কোনো ডাঙৰ কাম কৰা নাযায় যে! সেই কাৰণে!
ঃ সিহঁতে মানিবনে?
ঃ কিয় নামানিব? সিহঁতে কিবা বুজে নেকি শুক্ল পক্ষ, কৃষ্ণ পক্ষ কি বস্তু!
ঃ সেইটো হয় জাহাপনা!
ঃ কিন্তু কাম এটা কৰিম মই!
ঃ কি কাম জাহাপনা?
ঃ বিশ্বযুদ্ধত যিয়ে জিকে, তাক মই আমাৰ দেছলৈ মাতি আনিম!
ঃ মাতি আনি কি কৰিব?
ঃ ফটো ল'ম!
ঃ ফটো লৈ?
ঃ মূৰ্তি এটা বনাব দিম!
ঃ কাক?
ঃ চাইনাক!
ঃ তাৰ পাছত?
ঃ চাইনাৰ ইঞ্জিনীয়াৰেৰে সবাতোকৈ ওখ মূৰ্তি বনাইছো। এই মূৰ্তিটো সবাতোকৈ বহল মূৰ্তি হ'ব!
ঃ ভাল হ'ব জাহাপনা!
ঃ আৰু এটা কথা।
ঃ কি জাহাপনা?
ঃ ইউক্ৰেইনৰ যুদ্ধখনে আমাক বচাই দিব!
ঃ কেনেকৈ বচাব জাহাপনা?
ঃ ভোট যোৱাৰ পাছতে তেল-গেছৰ দাম বঢ়াই দিব লাগিব।
ঃ লাগিব জাহাপনা!
ঃ এনেয়ে বঢ়াই দিলে সৰেই, গালি পাৰিলেহেঁতেন! এতিয়া আমি ক'ব পাৰিম!
ঃ কি বুলি?

বাদশ্বাহে ক'লে— 'ইউক্ৰেইনৰ কাৰণে বাঢ়িছে!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# বটদ্ৰৱা আৰক্ষীৰ জালত ৫৫ বছৰীয়া ড্ৰাগছ সৰবৰাহকাৰী

## এইবাৰ বগৰীৰ মাজত ওলাল নগদ ধনসহ বৃহৎ পৰিমাণৰ ড্ৰাগছ

অগ্ৰদূত বাৰ্তা

**ধিং, ২৩ ফেব্ৰুৱাৰী ঃ** সম্প্ৰতি নগাঁৱত অব্যাহত আছে ড্ৰাগছ বিৰোধী অভিযান। আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ বদলিৰ পাছতো নগাঁৱত আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী অভিযান। যোৱা নিশা বটদ্ৰৱা আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পমখেদি চলোৱা ড্ৰাগছ বিৰোধী অভিযানত পূব ভোমোৰাগুৰিৰ পৰা আব্দুল হেকিম নামৰ এজন ৫৫ বছৰীয়া ড্ৰাগছ সৰবৰাহকাৰীজনক আটক কৰে। নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত হাটীযুজোঁৱা গাঁৱৰ আব্দুল হেকিমে পূব ভোমোৰাগুৰিত আত্মীয়ৰ ঘৰ ভাড়াত লৈ চলাই আহিছিল ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়। মাজ নিশা বটদ্ৰৱা আৰক্ষীয়ে অভিযান চলাই বগৰীৰ মাজত লুকুৱাই ৰাখি গোপনীয়তাৰে বিক্ৰী কৰি থকাৰ মাজতে ড্ৰাগছ ব্যৱসায়ীজনক আটক ককাৰ লগতে তিনিটাকৈ প্লাষ্টিকৰ পেকেটত ভৰ্তি হৈ থকা ৯.৭০ গ্ৰাম ড্ৰাগছ জব্দ কৰে। লগতে আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীজনৰ হাতৰ পৰা এটা চাবোনৰ খালী বাকচ, ড্ৰাগছ হুপি খোৱা পিপা, ১৭ টা খালী কনটেইনাৰ আৰু নগদ ২৮৬০ টকা উদ্ধাৰ কৰে।

# ৰেল ষ্টেছনত পেলনীয়া খাদ্য বিচাৰি ফুৰা শিশুটি আজি নগাঁও চহৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী




## তপন ৰয়ৰ ভাগ্যৰ চকৰি ঘূৰালে 'আহক না'ৰ চিঙৰা-জেলেপীৰ ব্যাপক চাহিদা

হেমেন কুমাৰ দাস/বিশেষ সংবাদদাতা

**নগাঁও, ২৩ ফেব্ৰুৱাৰী ঃ** লক্ষ্য যদি স্থিৰ হয় কঠোৰ শ্ৰম আৰু একাগ্ৰতাৰ বলত যিকোনো লোকেই ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰে। কৰ্মৰ বলত কাৰ কেতিয়া আৰু কেনেকৈ ভাগ্যৰ চকৰী ঘূৰে তাক কোনেও ক'ব নোৱাৰে। ইয়াৰ এক জলন্ত নিদৰ্শন নগাঁও চহৰৰ নতুন বজাৰৰ 'আহক না' নামৰ ৰেষ্টুৰেণ্টখনৰ স্বত্বাধিকাৰী তপন ৰয়।



সেয়া আশীৰ দশকৰ কথা। নগাঁৱৰ ৰেলপথ, ৰেল ষ্টেছনত ভিক্ষা কৰি ঘূৰি ফুৰা এটি শিশু। বিশেষকৈ শিশুটিৰ লক্ষ্য কোনো যাত্ৰীয়ে ৰেলপথত পেলাই দিয়া অৱশিষ্ট খাদ্যৰ ওপৰত। কোনো যাত্ৰীয়ে আধা খাই খাদ্য পেলাই দিয়া দেখিলেই শিশুটি দৌৰি যায় অৱশিষ্ট বুটলিবলৈ। যাত্ৰীয়ে পেলাই দিয়া খাদ্যখিনি হাতত তুলি লৈ ৰেল লাইনৰ কাষত বহি তৃপ্তিৰে খাই পেটৰ ভোক নিবাৰণ কৰে। কেতিয়াবা পেটৰ ভোকত যদি কাৰোবাৰ ওচৰত হাত পাতিছে বিনিময়ত পাইছে গালি-শপনি আৰু গতা। ৰেল ষ্টেছন বা ৰেল লাইনত কোনো যাত্ৰীয়ে যদি খাদ্যৰ অৱশিষ্ট নেপেলাই তেনেহ'লে শিশুটিয়ে ষ্টেছনতে কুচি-মুচি বহি থাকে। ৰেল আহিব, কোনোবাই খাদ্য পেলাব, বুটলি আনি খাব, সেই আশাতে বন্দী শিশুটি এদিন ৰেল ষ্টেছনৰ পৰা আহিল ৰাজপথলৈ। ভিক্ষা খুজিলে। কিন্তু জীৱন নচলে। শিশুটিৰ এই দুৰ্দশাৰ বাবে তেওঁৰ পিতৃও জগৰীয়া। কিয়নো ১৯৮১ত শিশুটিৰ মাত্ৰ ন বছৰ বয়সতে মাতৃৰ বিয়োগ ঘটাত পাষাণ হৃদয়ৰ পিতৃয়ে মাতৃহাৰা শিশুটিক অকলে এৰি থৈ শ্বিলঙলৈ গুচি যায় আৰু তাতে দ্বিতীয় বিবাহ কৰি দ্বিতীয় পত্নীৰ স'তে থাকিবলৈ লয়। এদিন শিশুটিয়ে সিদ্ধান্ত ল'লে আনৰ ককৰ্থনা শুনি, ঠেলা-গতা খাই খাদ্যৰ সন্ধান কৰাতকৈ কিবা কাম কৰিব। মনত খেলালে সি হোটেলতে কাম কৰিব । মাত্ৰ ন বছৰ বয়সতে শিশুটিয়ে নগাঁও চহৰৰ 'অলকা হোটেল'ত শ্ৰমিকৰূপে কাম আৰম্ভ কৰিলে। কাপ-গিলাচ-প্লেট ধোৱাৰ কাম। দৰমহা পালে মাহে ৮০ টকা । সেয়াই আছিল শিশুটিৰ জীৱনৰ টাৰ্ণিং পইণ্ট। মাত্ৰ ন বছৰ বয়সত মাতৃৰ পৰলোকপ্ৰাপ্তি, পিতৃয়ে নিঠৰুৱা কৰি এৰি থৈ যোৱাৰ পাছতো নিষ্ঠুৰ বাস্তৱৰ ওচৰত হাৰ নামানি ন বছৰ বয়সৰ পৰা জীৱন যুঁজ আৰম্ভ কৰিছিল শিশুটিয়ে। কাপ-প্লেট ধুই কৰ্মজীৱন আৰম্ভ কৰা তপনে এদিন চাহ বনাবলৈ শিকিলে। এদিন জেলেপি বনাব শিকিলে। চিঙৰা, কচুৰি, মিঠাই বনাব শিকিলে। এনেদৰে হোটেল অলকাত ২২ বছৰ কাম কৰিলে। তাতেই শিকিলে বহু কাম। হোটেলৰ কৰ্মজীৱনৰ মাজতে এটি সপোন দেখিছিল-এদিন নিজে এখন হোটেল দিব। সেই হোটেলখনৰ সি মালিক হ'ব। ৩১ বছৰ বয়সত হোটেলৰ কাম এৰি পথৰ কাষত এখন টেবুল পাৰি ললে। নিজে বনালে জেলেপি, চিঙৰা, কচুৰি। প্ৰথমে গ্ৰাহকৰ আদৰ নাই। তথাপি তেওঁ ধৈৰ্য ধৰিলে। ২০০৩-২০০৪ত টেবুল পাৰি আৰম্ভ কৰা হোটেল ব্যৱসায়ে ২০০৬ ত গতি লাভ কৰিলে । ২০০৬ত গতি লোৱা যুৱকজনৰ হোটেল ব্যৱসায় এতিয়া নগাঁও চহৰৰ পৰিচিত নাম 'আহক না'। ৰেল লাইনৰ পৰা অৱশিষ্ট বুটলি আনি পেটৰ ভোক নিবাৰণ কৰা সেই শিশুটি আজি ৫০ বছৰীয়া এজন সফল ব্যৱসায়ী। তেৱেঁই তপন ৰয়। এসময়ত ৰেলপথত আনে আধা খাই পেলাই দিয়া অৱশিষ্ট খাদ্যৰ সন্ধান কৰা তপনৰ 'আহক না'ত ১৭ জনকৈ কৰ্মচাৰীক নিয়োগ কৰি সংস্থাপন দিছে। তাহানিৰ যন্ত্ৰণাময় দিনবোৰৰ কথা সোঁৱৰি এতিয়াও উচুপি উঠা তপনে কয়, 'আগৰ দুখৰ কথাবোৰ ক'বলৈ গ'লে অন্তৰ ফাটি যায়। জীৱনত বহু দিন খুজি মাগি খাইছিলো। মোৰ একোৱেই নাছিল। কেতিয়াবা ঘৰে ঘৰে গৈ ভিক্ষা কৰিছিলো। ৰেল ষ্টেছনত গৈ ভিক্ষা কৰিছিলো। তাত মানুহে খাই থকা দেখিলে খুজি খাওঁ। কিছুমান মানুহে আধা খাই পেলাই দিলে তাকো বুটলি খাইছিলো।' তেওঁ আৰু কয়, 'বৰ কষ্টৰে মোৰ জীৱনটো আগবাঢ়িছে। যথেষ্ট সংগ্ৰাম কৰিছো। কষ্ট কৰিলে সকলোয়ে ফল পাবই। ইয়াৰ উদাহৰণ মই নিজেই। কিন্তু ফল পোৱাৰ পাছত কেতিয়াও অহংকাৰ কৰিব নালাগে।'

নগাঁও চহৰৰ এতিয়া প্ৰতিস্থিত ব্যৱসায়ী তপন। চহৰখনৰ আমোলাপট্টিৰ পি এছ ৰ'ডতে আছে 'আহক না' নামৰ বিশেষ ৰেষ্টুৰেন্টখন। চহৰখনত 'আহক না' ক'ত বুলি প্ৰশ্ন কৰা নহয় কাৰণ 'আহক না' এতিয়া নিজেই এক পৰিচয়। 'আহক না'ৰ জেলেপি, চিঙৰাৰ এক সুকীয়া পৰিচয় আছে। এদিন টেবুল পাৰি পথৰ কাষত আৰম্ভ কৰা ৰয়ৰ 'আহক না'ত এতিয়া গ্ৰাহক বহিবলৈ চকী নাথাকে। মিঠাইকে ধৰি আন আন সামগ্ৰী ক্ৰয় কৰিবলৈ লাইন পাতিব লাগে। 'আহক না'ৰ জেলেপিৰ সোৱাদ আমেৰিকাত প্ৰৱাসী অসমীয়াই লৈছে। আনকি যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰুৱ জুবিন গাৰ্গ নগাঁৱলৈ আহিলে 'আহক না'ত চিঙৰা আৰু জেলেপিৰ সোৱাদ লয়। এদিন খাবলৈ নাছিল, আশ্ৰয়হীন হোৱা তপনৰ এতিয়া স্থায়ী ঠিকনা নগাঁৱৰ ডিমৰুগুৰি । তিনি সন্তান পত্নীক লৈ ৭০ জনক সংস্থাপন দি সুখী তপন। তেওঁ ক'লে 'কষ্ট কৰি আছো। বিচাৰো মোৰ কৰ্মচাৰীসকলেও নিজাকৈ কিবা এটা কৰিব পাৰিব। আজি যি কৰিব পাৰিছো ভগবানৰ আৰ্শীবাদত কৰিবলৈ সক্ষম হৈছো।'





# মহিলাৰ দিহানামৰে মুখৰিত মণিকাঞ্চন ৰংগক্ষেত্ৰ

## মহিলা সমিতিৰ সৌজন্যত মহিলা সমাৰোহ সম্পন্ন


অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৩ ফেব্ৰুৱাৰীঃ** মাজুলীৰ আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত ভাওনাই দৰ্শকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে। কালি ভাওনা প্ৰতিযোগিতা উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। প্ৰতিযোগিতাৰ প্ৰথমখন ভাওনা 'নহুষৰ অজগৰ প্ৰাপ্তি' পৰিৱেশন কৰে যোৰহাটৰ মালৌআলিৰ পাঞ্চজন্য নাট্য গোষ্ঠীয়ে। নিশা আঠ বজাত প্ৰতিযোগিতাৰ দ্বিতীয়খন ভাওনা পৰিৱেশন কৰে 'শ্ৰীৰাম পৰাজয়, সীতাৰ পাতাল গমন' পৰিৱেশন কৰে শিৱসাগৰ ফুলপানীছিগাৰ অৰুণোদয় সাংস্কৃতিক গোষ্ঠীয়ে । দুয়োখন ভাওনা চাবলৈ হেজাৰ হেজাৰ দৰ্শকে হেতা- ওপৰা লগায়। ভাওনাৰ শিল্পীসকলৰ মনপৰশা অভিনয়ে দৰ্শকক মোহাচ্ছন্ন কৰি ৰাখে। আজি মণিকাঞ্চন ৰংগক্ষেত্ৰত মাজুলী জিলা মহিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত মহিলা সমাৰোহত মাজুলী ভিত্তিত মহিলাসকলৰ মাজত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। মাজুলীৰ বিশিষ্টা মহিলা ডলী বৰুৱাই আঁত ধৰা মহিলা সমাৰোহ সঞ্চালনা কৰে মাজুলী জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা শইকীয়া বৰাই। যোৰহাটৰ শিল্পী ৰীপা গোস্বামীয়ে পৰিৱেশন কৰা বৰগীতেৰে আৰম্ভ হোৱা মহিলা সমাৰোহ উদ্বোধন কৰে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰসাৰণ কাৰ্যবাহী পৰশা কোঁৱৰে। ভাষণ প্ৰসংগত তেওঁ ভাওনাৰ আধ্যাত্মিক চেতনা আৰু মহিলাসকলৰ অংশগ্ৰহণ এক ব্যতিক্ৰমী প্ৰয়াস বুলি কয়। গুৰুজনাৰ আদৰ্শৰাজি ৰক্ষাৰ্থে আউনীআটী সত্ৰৰ পদক্ষেপক আদৰণি জনায় বিষয়াজনে। সমাৰোহত মাজুলীৰ বেঙেনাআটী গাঁৱৰ বিশিষ্ট বয়ন শিল্পী, কবি, তাঁতশালত চিত্ৰ ভাগৱত অংকণ কৰা বিয়ানামৰ শিল্পী, অৱসৰপ্ৰাপ্ত শিক্ষক মোহন দাসক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সমাৰোহথলীত মোহন দাসে তাঁত শালত বোৱা ১৭ ফুট দীঘল, তিনি ফুট বহল চিত্ৰ ভাগৱতৰ বস্ত্ৰখন প্ৰদৰ্শন কৰে। তদুপৰি মাজুলীৰ বিশিষ্টা মহিলা সংগঠক তৰুপ্ৰভা নাথ, শুভ্ৰা দলে, চেনেহী গগৈ, কিৰণময়ী ভাগৱতী, ভাৰতী বৰা, প্ৰেমদা বৰা আৰু প্ৰেমদা শইকীয়া আৰু ভাওনা সমাৰোহৰ প্ৰধান সম্পাদক তুলসী ৰাজখোৱাক মহিলা সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনায় । ইয়াৰ পাছতে মণিকাঞ্চন ৰংগক্ষেত্ৰত আৰম্ভ হয় মাজুলী ভিত্তিত মহিলাৰ দিহানাম প্ৰতিযোগিতা । মাজুলীৰ বিভিন্ন প্ৰান্তৰ ২০ টা মহিলা দিহানামৰ দলে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। জেংৰাইমুখৰ নতুন লখিমী মিচিং মহিলা সমিতি, বোকাবিল মিচিং মহিলা সমিতি, বৰপমুৱা সৰ্বোদয় মিচিং মহিলা সমিতিৰ দিহানাম পৰিৱেশনে সমাৰোহত সমন্বয়ৰ বাৰ্তা কঢ়িয়ায়। দিহানামৰ প্ৰতিযোগিতাত বোকাবিল মিচিং মহিলা সমিতিয়ে প্ৰথম স্থান, কমাৰগাঁও ৰূপালী মহিলা সমিতিয়ে দ্বিতীয় স্থান আৰু বনগাঁও পুখুৰী পৰীয়া জয়া মহিলা সমিতিয়ে তৃতীয় স্থান লাভ কৰে । ইফালে, সন্ধিয়া আৰম্ভ হোৱা ভাওনা প্ৰতিযোগিতা উদ্বোধন কৰে মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰভাত বৰা বুঢ়াভকতে। প্ৰতিযোগিতাৰ প্ৰথমখন ভাওনা মাজুলীৰ বাঘৰগাঁও শংকৰজ্যোতি শিল্পী সমাজে 'বিশ্বামিত্ৰৰ যজ্ঞ আয়োজন ঃ তাৰাকাৰ মুক্তি লাভ' আৰু প্ৰতিযোগিতাৰ দ্বিতীয়খন ভাওনা শিৱসাগৰৰ চামগুৰিৰ শংখধ্বনি নাট্য গোষ্ঠীয়ে 'ইন্দ্ৰদ্যুন্নৰ উৰেষা দৰ্শন' পৰিৱেশন কৰে। কাইলৈ প্ৰতিযোগিতাৰ প্ৰথম নাট লাহদৈগড়ৰ গোপাল দেৱ সমন্বয় শিল্পী সমাজৰ 'কুৱলাশ্ব উপাখ্যান' আৰু দ্বিতীয় নাট-মাজুলী বাসুদেৱ নাট্য গোষ্ঠীৰ 'শ্ৰীবৎস আখ্যান' মঞ্চস্থ কৰা হ'ব।

# ৯১ সংখ্যক শ্ৰী মন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত উদুলি-মুদুলি পৰিৱেশ

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২৩ ফেব্ৰুৱাৰীঃ** ৯১ সংখ্যক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনলৈ মাজত মাথোঁ এটা দিন বাকী। ইতিমধ্যে মূল তোৰণ, মূল মণ্ডপ, কাৰ্যালয়, সেৱা বাহিনীৰ শিবিৰ, ধৰ্ম ধ্বজা উত্তোলন ক্ষেত্ৰ, ভোজনালয়কে ধৰি অধিৱেশনৰ আন আন মণ্ডপসমূহ প্ৰায় সাজু হৈ উঠিছে। সংঘৰ অধিৱেশনৰ লগত সংগতি ৰাখি আয়োজন কৰা হৈছে গ্ৰন্থ মেলা, প্ৰদৰ্শনী আৰু বাণিজ্য মেলা। বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰৰ এক বৃহৎ অঞ্চল সামৰি আয়োজন কৰা হৈছে এই মেলা য'ত আছে ৭৬ খন গ্ৰন্থ বিপণী আৰু ৫৫২ খন অন্যান্য বিপণী। অহা ২৫ ফেব্ৰুৱাৰীৰ পৰা অধিৱেশনৰ মূল কাৰ্যসূচীসমূহ আৰম্ভ হ'ব যদিও আজিৰে পৰা আৰম্ভ হৈছে গ্ৰন্থমেলা, প্ৰদৰ্শনী আৰু বাণিজ্য মেলা। গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰদ্বাৰ এটি প্ৰাৰ্থনাৰে আৰম্ভ কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি জয়ন্ত নাথে । প্ৰায় ৭৫ খন গ্ৰন্থ বিপণী আৰু ৫৫২ খন অন্যান্য বিপণী ইয়াত আছে। বনলতা, জ্ঞানম, ষ্টুডেন্টছ ষ্টৰছ, পাপু বুক ষ্টৰছ, ৰেখা প্ৰশাসন,পূৰ্ণ পৰমেশ্বৰ জ্ঞান ভাণ্ডাৰ আদিকে ধৰি অসমৰ লগতে আন ৰাজ্যৰ গ্ৰন্থ বিপণীয়েও ইয়াত অংশগ্ৰহণ কৰিছে। অন্যান্য বিপণীসমূহত অসম তথা আন ৰাজ্যৰ বিভিন্ন থলুৱা খাদ্য, সাজ-পোছাক, বাঁহ-বেতৰ সামগ্ৰী ,থলুৱা বাদ্যযন্ত্ৰ, মণিপুৰী গহনা, পাট-মুগাৰ বিভিন্ন সাজ-পোছাক আদি উপলব্ধ হৈছে। গৰিষ্ঠসংখ্যক গ্ৰন্থ ব্যৱসায়ী, প্ৰকাশক অধিৱেশনথলীত উপস্থিত হৈ নিজ নিজ বিপণীসমূহ মুকলি কৰিছে। ইফালে, ৫৫২ খন অন্যান্য বিপণীত বিশেষকৈ থলুৱা খাদ্য সামগ্ৰী, আচবাব , জনগোষ্ঠীয় সাজপাৰ, খাদ্য, হস্ত নিৰ্মিত আচবাব, বাঁহ-বেতৰ সামগ্ৰী, থলুৱা বাদ্য সামগ্ৰী , পাট-মুগাৰ বস্ত্ৰ আদি বিভিন্ন সামগ্ৰীৰ সমাহাৰ ঘটিছে। অসমৰ বিভিন্ন স্থানৰ ক্ষুদ্ৰ ব্যৱসায়ী, আত্মসহায়ক গোট, এনজিঅ' আদি এই বাণিজ্য মেলাত অংশগ্ৰহণ কৰিছে। অধিৱেশনস্থলীলৈ যোৱা আটাইকেইটা পথতে আটকধুনীয়াকৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আগবঢ়োৱা প্ৰায় শতাধিক তোৰণ নিৰ্মাণ কৰা হৈছে। অধিৱেশনলৈ অহা ভকত বৈষ্ণৱৰ বাবে খাদ্য পৰিবেশনৰ বাবে ৬০ খন ঠেলা নিৰ্মাণ কৰা হৈছে আৰু একেলগে চাৰি হেজাৰ লোকে আহাৰ গ্ৰহণৰ উপৰি একেলগে আঠশ ৰান্ধনীয়ে খাদ্য প্ৰস্তুত কৰিব। অধিৱেশনস্থলীত ৰাইজৰ সুবিধাৰ্থে ৰাঙলী পথাৰ মছজিদ সমিতিৰ উদ্যোগত আৰু নাহৰকটীয়া মুছলিম সমাজৰ সহযোগত বিনামূলীয়াকৈ ম'বাইল চাৰ্জ কৰাৰ সেৱা আগবঢ়োৱা হ'ব। আনহাতে অধিৱেশনৰ অন্তিম দিনা শংকৰ সংঘৰ ৫২ খন জিলালৈ সংঘই একোটাকৈ গছ পুলি বিতৰণ কৰিব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই অধিৱেশন অতি সুন্দৰ আৰু নিয়াৰিকৈ অনুষ্ঠিত হ'ব বুলি দৃঢ়বিশ্বাসেৰে কয় যে উত্তৰ-পূৰ্বাঞ্চলকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যত থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শাখাৰ পৰা ভকত বৈষ্ণৱসকল এই অনুষ্ঠানলৈ আহিব। ইয়াৰ লগতে ভাৰতৰ বিভিন্ন স্থানত বাস কৰা তথা অসমৰ সাংস্কৃতিক, সামাজিক ক্ষেত্ৰসমূহত জড়িত সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱী আদিকে ধৰি প্ৰথিতযশা ব্যক্তিসকল উপস্থিত থাকিবলগীয়া এই অনুষ্ঠানত আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে অসমৰ নাম উজ্বলোৱা কে'বাজনো লোকক নিমন্ত্ৰণ কৰা হৈছে। বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল -সংগঠনৰ মুৰব্বীসকল, ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনসমূহৰ মুৰব্বীসকল, চৰকাৰৰ মুৰব্বীসকল উপস্থিত থাকিব। অধিৱেশনৰ সমন্বয় বাৰ্তাত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে অৱগাহন কৰিবলগীয়া অনুষ্ঠানত বৈকুণ্ঠৰ দৰেই কোনো জাত-পাতৰ বিচাৰ নাই বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে জাতিটোৰ কল্যাণৰ হকে জাতীয় স্বাৰ্থত কাম কৰিবলৈ ভালপোৱাসকলে এই অনুষ্ঠানত শ্ৰমদান কৰিবলৈ আহিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘই যি কাম কৰিছে সেয়া সাহিত্যৰ কাৰণে কৰিছে, সংস্কৃতিৰ কাৰণে কৰিছে, গুৰুজনা আমাৰ শিৰত আছে যাক লৈ আমি সদায় আগবাঢ়ি যাওঁ আৰু এইবাৰৰ অধিৱেশন অতি সুন্দৰ আৰু নিয়াৰিকৈ অনুষ্ঠিত হ'ব বুলি তেওঁলোক দৃঢ়বিশ্বাসী বুলি জানিবলৈ দিয়ে।




# জুনিয়ৰ চাৰ্লি চেপলিনক চাবলৈ ধিঙত হেতা-ওপৰা

# জীৱন্ত ৰূপত মহামানৱ মহাত্মা গান্ধী





অগ্ৰদূত বাৰ্তা

**ধিং, ২৩ ফেব্ৰুৱাৰী ঃ** ধিঙত ওলাইছে চাৰ্লি চেপলিন। জীৱন্ত ৰূপত দেখিবলৈ পোৱা গ'ল মহামানৱ মহাত্মা গান্ধীক। যাক লৈ এতিয়া ৰাইজৰ মাজত সৃষ্টি হৈছে তীব্ৰ কৌতূহলৰ। বিশ্বাস কৰিব নোৱাৰা এক দৃশ্য। হুবহু চাৰ্লি চেপলিন এতিয়া ধিঙৰ এখন গ্ৰন্থ আৰু বাণিজ্য মেলাত। কেতিয়াবা যদি চাৰ্লি চেপলিনৰ হুবহু ৰূপত, কেতিয়াবা আকৌ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ ৰূপত, আন কেতিয়াবা আকৌ বিপ্লৱী সৈনিক সুভাষ চন্দ্ৰ বসুৰ জীৱন্ত মুৰ্তিৰ ৰূপত দেখিবলৈ পোৱা গৈছে এইজন লোকক। উল্লেখ্য যে নৱজাগৰণ সমাজৰ উদ্যোগত যোৱা ১৫ ফেব্ৰুৱাৰীৰ পৰা ১৫ দিনীয়কৈ ধিঙৰ ছহিদ ভৱনৰ বাকৰিত অনুষ্ঠিত হৈ থকা গ্ৰন্থ আৰু বাণিজ্য মেলাত দেখিবলৈ পোৱা গৈছে এই দৃশ্য। উপস্থিত প্ৰতিজন গ্ৰাহকৰ দৃষ্টি আৰ্কষণ কৰিবলৈ সক্ষম হোৱা এই লোকজনৰ নাম খাদেম আলী, ঘৰ বৰপেটা জিলাত। খাদেমৰ এই ৰূপ দেখি বহুজনে কাষতে ৰৈ লৈছে একোখন চেলফি নাইবা একোখন ফটো। সঁচাকৈয়ে খাদেমৰ এই ৰূপত মুগ্ধ হৈছে ধিঙৰ বহুজন গ্ৰাহকৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰী।

# বিস্ময় বালিকা তৃষ্ণাৰ মুখত সকলো কঠিন প্ৰশ্নৰ উত্তৰ

**সৰুপথাৰ, ২৩ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ নলনীপথাৰ গাঁৱৰ এটি তিনি বছৰীয়া শিশু স্মৃতিশক্তিৰ বাবে চৰ্চিত হৈছে। সৰুপথাৰ অঞ্চলৰ নলনীপথাৰ গাঁৱৰ বাসিন্দা বীৰেণ কুৰ্মী আৰু লখেশ্বৰী কুৰ্মীৰ একমাত্ৰ সন্তান তৃষ্ণা কুৰ্মীৰ আছে এক ভাৱিব নোৱাৰা স্মৃতি শক্তি। বিদ্যালয়ৰ চৌহদত ভৰি নিদিওতেই শিশুটিয়ে আয়ত্ব কৰিছে পৃথিৱীৰ বহুতো কঠিন কঠিন প্ৰশ্নৰ উত্তৰ। মাতৃ লখেশ্বৰী কুৰ্মীৰ অপ্ৰাণ চেষ্টাত তৃষ্ণাই অসম তথা ভাৰতবৰ্ষৰ সকলো মন্ত্ৰী- বিধায়কৰ নামেই স্পষ্টকৈ ক'ব পাৰে। তৃষ্ণাই সলসলীয়াকৈ উত্তৰ দিব পাৰে ৰামায়ণ-মহাভাৰতৰ বহু সংখ্যক প্ৰশ্নৰ উত্তৰ। অকল এয়াই নহয় তৃষ্ণাৰ মুখত আখে ফুটাদি ফুটে ৰাষ্ট্ৰীয় চৰাই, ৰাষ্ট্ৰীয় জন্তু, ৰাষ্ট্ৰীয় ফল, ৰাষ্ট্ৰীয় ফুলকে ধৰি বিভিন্ন ইংৰাজী শব্দৰ ভাঙনি। অসমীয়া স্বৰবৰ্ণ, ব্যঞ্জন বৰ্ণ, ইংৰাজী বৰ্ণমালা, ইংৰাজী ৰাইমছ, অসমীয়া কবিতা, ৰাষ্ট্ৰীয় সংগীত, সকলোবোৰযেন তাইৰ মুখৰ আগত ৰৈ থাকে ক'বলৈ, মাথোঁ সুধিলেই হ'ল। তৃষ্ণাই বিহুগীত, অকণিৰ গীতো সুন্দৰকৈ গায়। যিটো বয়সত সাধাৰণতে মানুহৰ ফুটো-নুফুটোকৈ মাত ফুটে তেনে এটা বয়সতে এজনী বিস্ময় বালিকাই এনেধৰণৰে সকলো কঠিন প্ৰশ্নৰ উত্তৰ তপৰাই দিয়াত সকলো আঁচৰিত



হৈছে। দিন-হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া বীৰেণ কুৰ্মীৰ কণমানি কন্যাৰ ঘৰলৈ এতিয়া সংবাদ কৰ্মীৰ সোঁত বৈছে। কিন্তু তাই ভাগৰি পৰা নাই। প্ৰতিজন সাংবাদিককে দি গৈছে সকলো প্ৰশ্নৰ উত্তৰ। মাতৃ লখেশ্বৰীয়ে উল্লেখ কৰা মতে তেওঁ তৃষ্ণাৰ দুবছৰ বয়সৰ পৰাই প্ৰতিদিনে এইসমূহ কথা শিকাই আহিছে। মাতৃয়ে কয়, 'আনৰ লৰা-ছোৱালীয়ে পাৰে যেতিয়া মোৰ ছোৱালীয়ে কিয় নোৱাৰিব। সেইবাবেই মই তাইৰ লগত বহুত যত্ন কৰিছো।' মাতৃৰ মৰম আৰু যত্ন এনেধৰণেই যদি অব্যাহত থাকে নিশ্চয় এদিন এই বিস্ময় বালিকাগৰাকীয়ে সমগ্ৰ ভাৰতবৰ্ষতে সুখ্যনাম অৰ্জন কৰিব।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com